# গোৱালপাৰা মহাবিদ্যালয় আলোচনী



সম্পাদক ঃ বিমনী মেধি

# গোৱালপাৰা মহাবিদ্যালয় আলোচনী

৩৩ তম সংখ্যা

২০০১ - ২০০২ শিক্ষাবর্ষ

# Goalpara College

2001 - 2002 Session

তত্ত্বাৱধায়ক - ৰতন ভট্টাচাৰ্য্য

সম্পাদক - বিমনী মেধি

সম্পাদনা সমিতি -

সভাপতি ঃ ড° সুৰেন্দ্ৰ নাথ শৰ্মা
তত্ত্বাৱধায়ক ঃ ৰতন ভট্টাচাৰ্য্য
সম্পাদক ঃ বিমনী মেধি
সদস্য/সদস্যা ঃ এ. এছ. আৰ. আহমেদ
থানেশ্বৰ শৰ্মা
কামিনী মোহন শৰ্মা
শৈলেনজিৎ শৰ্মা
ড° আব্দুল বাতেন আহমেদ
লনি বৰুৱা

বেটুপাতৰ শিল্পীঃ মুবীন ৰাভা
অলংকৰণ ঃ মুবীন ৰাভা আৰু ধীমান চক্ৰৱৰ্ত্তী
অংগ সজ্জা ঃ অভিনৱ প্ৰিন্টাৰ্চ

মুদ্ৰণ ঃ অভিনৱ প্ৰিন্টাৰ্চ
বাপুজীনগৰ, গোৱালপাৰা
দূৰভাষ নং - ২৪২২৬১

# সূচীপত্ৰ -

সম্পাদকীয়

**প্ৰবন্ধ** -

- শিক্ষণ প্ৰক্ৰিয়া সম্পৰ্কত সামান্যতম অনুভৱ - নিতুল নাথ - ০১
- ইচ্ছাৰ স্বাধীনতা ঃ নৈতিক বিচাৰৰ অভিধাৰণা - মন্টু দাস - ০৩
- নাট্যশিল্পী হিচাপে জ্যোতিপ্ৰসাদ - খৰ্গেশ্বৰ নায়ক - ০৭
- অসমৰ মীন ক্ষেত্ৰৰ উন্নয়ণ সম্পৰ্কত - মহম্মদ মুক্তাৰুজ্জামান - ১০
- ধৰ্ম আৰু ইয়াৰ প্ৰাসংগিকতা - হেমন্ত কলিতা - ১২
- কোচ ৰাজবংশী লোক সংস্কৃতিত বিহু - যশোৱন্ত ৰায় - ১৬
- পায়নিয়াৰ সাঁথৰ - ৰঞ্জিত চৌধুৰী - ১৮
- স্বৰ সাধনা - জয়শ্ৰী দেৱী - ২০

**গল্পৰ মজলিছ** -

- মৰিশালি - ঋষৱ নাঁথ - ২৩
- এ ট্ৰিবিউত টু মিষ্টাৰ আনচাৰি - জিন্টু বেজবৰুৱা - ২৮
- অসম বন্ধ - মাহমুদা খাতুন - ৩১

**কবিতা** -

- সন্ধান - মাধৱ দাস - ৩৩
- স্মৃতি - মঃ মোস্তাফিজুৰ ৰহমান - ৩৪
- সেই একেটাই ঠিকনা - নিলোৎপল ৰাভা - ৩৫
- এটা নীলা কবিতা - নৰেন্দু পাঠক - ৩৬
- হৃদয়ত যে তোমাৰেই প্ৰতিচ্ছৱি - নিতুল নাথ - ৩৭
- হিয়াৰ বতৰা - হৰিদাস ৰাভা - ৩৮
- বন্দুক বনাম কলম
  (এক অন্তহীন যুঁজ ......) - মিচ্ নিৰ্মালি পাঠক - ৩৯
- অজানিতে প্ৰেমবোৰ - জ্যোতিৰঞ্জন বৰ্মণ - ৪০
- সন্ধান - খনীন্দ্ৰ চন্দ্ৰ নাথ - ৪২

গোৱালপাৰা মহাবিদ্যালয় আলোচনী
৩৩ তম সংখ্যা
২০০১ - ২০০২ শিক্ষবর্ষ


- প্ৰসংগ ঃ বিস্ফোৰণ, আহত, নিহত ইত্যাদি - হিৰণ্য নাথ - ৪৩
- দাগ - ৰীতা দেৱী - ৪৪
- সময়ৰ শুকুলা অশ্রু - মাহমুদা খাতুন - ৪৫
- বেঁকা চক্র - সৌৰভ পাটগিৰী - ৪৬

ভিন্ন ভাষাৰ মাণিক বুটলি ঃ

বড়ো কবিতা -
- আংগাথি - ভূপেন্দ্র নাৰায়ণ বসুমতাৰী - ৪৭
- আংনি হাবিলা - অমৰজিত বসুমতাৰী - ৪৮

ৰাভা কবিতা -
- বিচ্রায় - ভাগ্যৱতী ৰাভা - ৪৯
- পানচুপাৰ - মুবীন ৰাভা - ৫০

**English Section** -
- Good versus Evil - Kamini Mohan Sarma - 51
- National Income and Economic Welfare - Sonali Kar - 53
- National Childrens' Science Congress - Meghna Choudhury - 57
- The Early Universe, Theology, Science, etc. - Jyoti Medhi - 60
- Lines in a Rainy night - Rhisav Nath - 62
- My mother - Rabul Ahmed - 63

বিবিধা -

গোৱালপাৰা মহাবিদ্যালয়ৰ শৈক্ষিক প্ৰতিফলন -
বিভাগীয় প্ৰতিবেদন -
আলোচনী সম্পাদকৰ তালিকা -


## সম্পাদকীয়



আমাৰ শিক্ষা জগতত সম্প্ৰতি অৰাজকতা বিৰাজ কৰিছে। শিক্ষক নিযুক্তিত ব্যাপক দুৰ্নীতি, নিয়োগ আৰু বদলিকৰণত ক্ৰমবৰ্দ্ধমান ৰাজনৈতিক প্ৰভাৱ, ক'ৰবাত প্ৰয়োজনৰ অধিক শিক্ষক আৰু ক'ৰবাত খালি পদো পূৰণ নকৰা ব্যৱস্থা, পাঠ্যপুথি বিতৰণত খেলিমেলি, বিনামূলীয়া পাঠ্যপুথিৰ ক'লাবজাৰ, নিয়মিত দৰমহাৰ দাবীৰ লেখিয়া শিক্ষক-কৰ্মচাৰীৰ ন্যায্য দাবীৰ প্ৰতি চৰকাৰৰ উদাসীনতা, ছাত্ৰ আন্দোলন, প্ৰাকৃতিক দুৰ্যোগসহ বিভিন্ন কাৰণত পাঠদানত বিজুতি আদি আমাৰ শিক্ষা জগতখনৰ উল্লেখযোগ্য চাৰিত্ৰিক দিশ, যিবোৰৰ পৰা সতকাই ৰেহাই পোৱাৰ আশা ক্ষীণ।

শিক্ষা ক্ষেত্ৰৰ সংকটে এতিয়া সৰ্বগ্ৰাসী ৰূপ লৈছে বুলিলেও বোধকৰো বঢ়াই কোৱা নহ'ব। প্ৰাথমিক শিক্ষাৰ উন্নীতকৰণৰ অৰ্থে বিশ্ববেংকৰ ঋণেৰে ৰূপায়ণ কৰা জিলা প্ৰাথমিক শিক্ষা আঁচনিৰ লাভালাভ সম্পৰ্কত সংশয় আৰু বিতৰ্কৰ ঢৌ মাৰ নৌযাওঁতেই প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ লক্ষ্যৰে প্ৰৱৰ্তন কৰা অসম সৰ্বশিক্ষা অভিযান মিছনৰ কাম-কাজ আৰু কাৰ্যকাৰিতা সম্পৰ্কতো বিভিন্ন মহলত প্ৰশ্নৰ উদয় হৈছে। এফালে যেনেকৈ বিদ্যালয়ৰ সংখ্যা অন্যান্য ৰাজ্যৰ তুলনাত অসমত কম নহয়, আনফালে ড্ৰপ আউটৰ সংখ্যাও বহু ৰাজ্যৰ তুলনাত চিন্তাজনক । কিন্তু এনেবোৰ বিষয়ে আমাৰ নীতি নিৰ্দ্ধাৰক সকলক জোকাৰিব নোৱাৰাটো দূৰ্ভাগ্যজনক। শিক্ষা ক্ষেত্ৰত ব্যক্তিগতকৰণৰ নীতিয়ে অসমৰ শৈক্ষিক খণ্ডত ইতিমধ্যে বিৰূপ প্ৰভাৱ পেলাইছে । অধিকাংশ চৰকাৰী সাহায্য প্ৰাপ্ত বিদ্যালয়ত এতিয়া দুৰ্বল শ্ৰেণীৰ, দুখীয়া বা বিকল্প উপায় নথকা অভিভাৱক সকলেহে নিজৰ ল'ৰা-ছোৱালীৰ নাম ভৰ্ত্তি কৰায়। শিক্ষক মকৰলৰ পৰা আৰম্ভ কৰি চৰকাৰে অনুসৰণ কৰা নীতিৰ ফলত সেইবোৰৰ শৈক্ষিক পৰিৱেশ বিঘ্নিত হৈছে। পক্ষান্তৰে যোত্ৰবান সকলৰ বেছিভাগেই নকৈ গজি উঠা ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ - বিশেষকৈ ইংৰাজী মাধ্যমৰ পাঠ সতি সন্ততিক পঢ়োৱাৰ প্ৰৱণতা বাঢ়িছে। নিয়মীয়া পাঠদান, শৈক্ষিক শৃংখলা, শিক্ষক ছাত্ৰ উভয়ৰে ওপৰত কৰ্ত্তৃপক্ষই আৰোপ কৰা বাধ্যবাধকতা আদিৰ বাবে অভিভাৱকসকল স্বাভাৱিকতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ প্ৰতি আকৰ্ষিত হৈছে। ব্যক্তিগত খণ্ডত স্থাপিত কেতবোৰ বিদ্যালয়ে সুযোগৰ পূৰ্ণ ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীৰ পৰা অত্যাধিক মাচুল আদায় কৰি থকাৰ ঘটনাও বৰ্ত্তমান সুলভ হৈ পৰিছে ।

উচ্চ শিক্ষাৰ ক্ষেত্ৰত ছবিখন অধিক কৰুণ আৰু চিন্তা উদ্ৰেককাৰী । আৰ্ন্তজাতিক পুঁজিবাদী শক্তিসমূহৰ হেঁচাত আমাৰ দেশতো উচ্চশিক্ষা এতিয়া পণ্যত ৰূপান্তৰ হৈছে। ৰাষ্ট্ৰই উচ্চ শিক্ষাৰ দায়-দায়িত্ব বহনত পাকে প্ৰকাৰে অনীহা প্ৰকাশ কৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ নাম সলনিৰ প্ৰয়াস, 'নাক'ৰ দেওনাৰ ব্যৱস্থা কৰা, উচ্চ শিক্ষানুষ্ঠাণক নিজাকৈ সম্পদ আহৰণৰ পৰামৰ্শ দিয়াৰ লগতে অনুদান কৰ্ত্তনৰ ঘোষণা আদিবোৰ দৰাচলতে উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ পৰিকল্পিত পদক্ষেপহে। অৱস্থা এনে পৰ্য্যায় পাইছেগৈ যে উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ পৰিকল্পিত... লাখৰ হিচাবত ধন খৰচ কৰিবলৈ অসমৰ্থ সকলে এতিয়া নতুন প্ৰজন্মক চিকিৎসাশাস্ত্ৰ

আৰু নিয়োগৰ সম্ভাৱণাপূৰ্ণ পাঠ্যক্ৰমত নামভৰ্ত্তি কৰোৱাটো প্ৰায় অসম্ভৱ হৈ পৰিছে। ফলত স্বচ্ছল আৰু দুখীয়া জনগণৰ মাজৰ দূৰত্ব বাঢ়িছে। এনে পৰিস্থিতিত জ্ঞানৰ অন্বেষণ, সমাজ-সচেতনতা সৃষ্টি, জাতীয় বিকাশ আৰু সংহতি টনকিয়াল কৰা আদি উচ্চ শিক্ষাৰ উদ্দেশ্যৰ পৰা অৰ্ন্তহিত হোৱাৰ ভীতি বিদ্বৎসমাজত সঞ্চাৰ হৈছে। শিক্ষাৰ গেৰুৱাকৰণ আৰু অবৈজ্ঞানিক চিন্তা-চৰ্চাৰ প্ৰোৎসাহনে দুশ্চিন্তাৰ মাত্ৰা বঢ়াইছে।

বিগত বছৰকেইটাত স্বচ্ছল অভিভাৱক সকলে নিজৰ ল'ৰা-ছোৱালী বিশেষকৈ মেধাসম্পন্ন সকলক ৰাজ্যৰ বাহিৰলৈ আনকি বিদেশলৈয়ো উচ্চ শিক্ষাৰ বাবে পঠিওৱাৰ ক্ৰমবৰ্দ্ধমান প্ৰৱণতা লক্ষ্যণীয় । কেন্দ্ৰীয় চৰকাৰৰ সুস্পষ্ট আৰু কাৰ্য্যকৰী নীতিৰ অভাৱৰ সুযোগ লৈ একাংশ বিদেশী বিশ্ববিদ্যালয়েও বিশেষ কিছুমান পাঠ্যক্ৰম লৈ আমাৰ দেশত শিক্ষা ব্যৱসায় আৰম্ভ কৰিছে। এইবোৰৰ পৰা ছাত্ৰ-ছাত্ৰী প্ৰবঞ্চিত হোৱাৰ সম্ভাৱনাকো নুই কৰিব নোৱাৰি। চৌদিশৰ পৰিৱৰ্ত্তন প্ৰত্যক্ষ কৰিও আমাৰ উচ্চ শিক্ষাৰ দায়িত্বত থকাসকলে পৰিৱৰ্ত্তিত সময়ৰ সৈতে খাপ খোৱাকৈ কৰ্মসংস্থানমুখী বিষয় মুকলি কৰা, আধুনিক চাহিদা পূৰণ কৰিব পৰাকৈ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা, গুণগত মান উন্নীত কৰাৰ বাবে সচেষ্টা নোহোৱাটো উদ্বেগৰ বিষয়। ইয়াৰ মূল দায়িত্ব যদিও চৰকাৰৰ, শিক্ষাবিদ, শিক্ষানুৰাগী ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰী সকলেও সময়োচিত পৰিৱৰ্ত্তনৰ বাবে সৰৱ হোৱা দৰকাৰ।

**এই সংখ্যাৰ আলোচনী ঃ**

মহাবিদ্যালয় আলোচনীখন প্ৰকৃততে অঞ্চলটোৰ আৰু শিক্ষানুষ্ঠানখনৰ শৈক্ষিক, বৌদ্ধিক আৰু সাংস্কৃতিক চেতনাৰ দাপোণ । আলোচনী সম্পাদক নিৰ্বাচিত হোৱাৰ পিচতেই উৎকৃষ্ট লেখা-মেলাৰে, নতুন নতুন শিতানেৰে আমাৰ মহাবিদ্যালয় আলোচনীখন সজাই সময়মতে প্ৰকাশ কৰাৰ সপোন দেখিছিলো। কিন্তু লেখাৰ বাবে কেবাবাৰো জাননী দি, বহুতকে খাটনি ধৰিও মূৰকত যি কেইটা লেখা পালো তাৰো অধিকাংশই নিম্নমানৰ কিম্বা আলোচনীখনত প্ৰকাশৰ অনুপযোগী বিবেচিত হ'ল । সেয়ে বাধ্য হৈ পুনৰবাৰ ক'বলৈ গ'লে নতুনকৈ লেখা বিচাৰি ঘৰে ঘৰে গ'লো । তাৰ পিচতো ফলাফল আশাব্যঞ্জক নহ'ল। ইয়াৰ মাজতে মোৰ ব্যক্তিগত অসুবিধা, পৰীক্ষাৰ ব্যস্ততা আৰু মোৰ আয়ত্বৰ বাহিৰত থকা কাৰণৰ বাবে আলোচনীখনৰ প্ৰকাশ প্ৰক্ৰিয়া মন্থৰ হ'ল । এনে প্ৰতিকুলতাৰ মাজতো যি সকলে বিভিন্ন প্ৰকাৰে আলোচনীখন সজোৱাত বৰঙণি আগবঢ়ালে তেখেত সকললৈ কৃতজ্ঞতা আগবঢ়াইছো । বেটুপাতৰ শিল্পী তথা মোৰ অগ্ৰজ আলোচনী সম্পাদক মুবীন ৰাভা, মুদ্ৰণৰ দায়িত্ব নিষ্ঠাৰে পালন কৰা পংকজ বৰমুদৈ সহ অভিনৱ প্ৰিণ্টাৰ্চৰ কৰ্মীবৃন্দ, মহাবিদ্যালয়ৰ অধ্যক্ষ সমন্বিতে সম্পাদনা সমিতিৰ সদস্যবৃন্দ, লেখা-মেলাত হাত ফুৰাই দিয়া মাননীয় ছাৰসকল আৰু সম্পাদনা সমিতিৰ সদস্যবৃন্দ বিশেষকৈ তত্বাৱধায়ক ৰতন ভট্টাচাৰ্য্য চাৰক মোৰ আন্তৰিক কৃতজ্ঞতা জনালো। লগতে মোক বিভিন্ন সময়ত সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু ধীমান চক্ৰৱৰ্তী, নবেন্দু, বিজু, প্ৰাঞ্জল, ৰাকেশ, হৃষিকেশ, কৃষ্ণজী তথা ধ্ৰুৱলৈও আন্তৰিক শলাগ লৈছো।

*ৰিমনী মেধি*

# প্ৰবন্ধ



# শিক্ষণ প্ৰক্ৰিয়া

## সম্পৰ্কিত

## সামান্যতম অনুভৱ





নিতুল নাথ

স্নাতক প্ৰথম বৰ্ষ (কলা)


*"By education I mean the all round devlopment of a child"*

**- M.K. Gandhi.**

'ছাত্ৰানং অধ্যয়নং তপঃ' - পুৰণিকলীয়া ধ্যান-ধাৰণাৰে পুষ্ট ঋষি-মুনিসকলে কৈ যোৱা এই বাক্যশাৰীৰ সমাদৰ সকলো কালতে বিদ্যমান। ছাত্ৰৰ মূল কৰ্ত্তব্য অধ্যয়ন। এজন ছাত্ৰ বা ছাত্ৰীয়ে জীৱনত জ্ঞান লাভ কৰিবলৈ বা জীৱনৰ উৎকৰ্ষ সাধিবলৈ হ'লে একান্তই অধ্যয়নত ব্ৰতী হ'ব লাগিব। শিক্ষাক কেৱল মাত্ৰ বৃত্তিমূলক দৃষ্টিভংগীৰে চাব খুজিলে বা কেৱল পৰীক্ষাত পাছ কৰাৰ উপায়মাত্ৰ হিচাপে ল'লে জ্ঞানাৰ্জন প্ৰক্ৰিয়াত কেৰোণ সোমায়। কিন্তু, আজিকালি অধিকাংশ শিক্ষাৰ্থীৰ ক্ষেত্ৰতে এই জ্ঞানাৰ্জন বা জ্ঞানচৰ্চাৰ প্ৰতি অনীহা দেখা যায়। অৱশ্যে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানচৰ্চাৰ প্ৰতি বিমুখিতা অহাৰ কাৰণো নোহোৱা নহয়। সেইবোৰৰ ভিতৰত -

(ক) মগজুৰ দুৰ্বলতা

(খ) শিক্ষকৰ উদাসীনতা

(গ) সঠিক শিক্ষাব্যৱস্থাৰ অভাৱ

(ঘ) আৰ্থিক দৈন্যতা

(ঙ) সহজলভ্য নোটচ্ বা সহায়িকা পুথি

(চ) কিছুমান অবাঞ্চনীয় প্ৰবৃত্তি , আদিকে ধৰি আন বহুতো কাৰকে প্ৰত্যক্ষ বা পৰোক্ষভাবেই হওক শিক্ষাক্ষেত্ৰত প্ৰভাৱ পেলাইছে। অৱশ্যে বৰ্ত্তমানৰ সমাজ ব্যৱস্থাও জ্ঞানাৰ্জনত শিক্ষাৰ্থীৰ উদাসীনতা অনাত কিছুপৰিমানে হ'লেও দায়ী।

এজন শিক্ষাৰ্থী শিক্ষাক্ষেত্ৰত সক্ৰিয় ভাৱে জড়িত হৈ পৰিবলৈ, কেইবাটাও উপাদান গমি চাবলগীয়া হয়। আমাৰ বিবেচনাত অহা তেনে কেইটামান উপাদান হ'ল -

(ক) একাগ্ৰতা (Concentration)ঃ শিক্ষা ক্ষেত্ৰত সক্ৰিয়ভাৱে জ্ঞানাৰ্জনত জড়িত হ'ব লাগিলে প্ৰথমেই প্ৰয়োজন একাগ্ৰতাৰ। এই আগ্ৰহৰ শিক্ষাক্ষেত্ৰত অতি প্ৰয়োজন। এটা বিষয়বস্তু কি তাক ভালকৈ জানিবলৈ হ'লে তাত আগ্ৰহ থাকিব লাগিব। মই এইটো জানিবই লাগিব, এই ভাব ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা প্ৰয়োজন।

(খ) মনোযোগ (Attention)ঃ শিক্ষাৰ ক্ষেত্ৰত সক্ৰিয়ভাবে জড়িত কৰণত বিশেষভাবে সহায় কৰে মনোযোগে। শিক্ষকে শ্ৰেণীত কি বুজাই আছে, সেইটোত মনোযোগ দি একাগ্ৰ হ'ব পাৰিলে, বিষয়বস্তু সহজে বোধগম্য হয়।

(গ) বিষয়বস্তুৰ সঠিক বিশ্লেষণ ঃ এটা বিষয়বস্তু

শিক্ষাত অকল পুথিৰ ভাষা বুজাতে ক্ষান্ত নাথাকি ইয়াক ব্যৱহাৰিক দৃষ্টিভংগীৰে চাবৰ চেষ্টা কৰিব লাগে অৰ্থাৎ এটা পাঠ্য বিষয়ক যিমান সম্ভৱ বাস্তৱৰূপে আনি, তাক বাস্তৱ ঘটনাৰ লগত সদৃশকৰণ কৰি বুজিবলৈ বা বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিব লাগে।

আৰু তাৰ আনুষঙ্গিক বিভিন্ন উপাদানসমূহক বিবেচনা কৰিলে, তাৰ গভীৰতালৈ সোমাই বক্তব্য বিষয় ভালকৈ বুজি ল'ব পাৰিলেহে শিক্ষাৰ্থীয়ে বিষয়টোত কৃতকাৰ্য হ'ব পাৰে।

(ঘ) প্ৰাসঙ্গিক পুথি (Reference book) ঃ প্ৰাসঙ্গিক পুথিৰ সহায় লোৱাটোও জৰুৰী। তেতিয়া বিষয়বস্তুৰ জ্ঞানৰ প্ৰসাৰতা আৰু ধাৰণাও শিক্ষাৰ্থীৰ সহায়ক হয়।

(ঙ) খৰচি মাৰি অধ্যয়ন (Complete study) ঃ শিক্ষাক্ষেত্ৰত জ্ঞানাৰ্জনত এটা বিষয় বস্তুক সম্পূৰ্ণৰূপে জানিবলৈ ইয়াক খৰচি মাৰি অধ্যয়ন কৰাটো প্ৰয়োজন।

(চ) ব্যৱহাৰিক দৃষ্টিকোণ (Practical view-point) ঃ শিক্ষাত অকল পুথিৰ ভাষা বুজাতে ক্ষান্ত নাথাকি, ইয়াক ব্যৱহাৰিক দৃষ্টিভংগীৰে চাবৰ চেষ্টা কৰিব লাগে অৰ্থাৎ, এটা পাঠ্য বিষয়ক যিমান সম্ভৱ বাস্তৱৰূপে আনি, তাক বাস্তৱ ঘটনাৰ লগত সদৃশকৰণ কৰি বুজিবলৈ বা বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিব লাগে।

(ছ) নিজস্ব ব্যাখ্যা (Own expression) ঃ শিক্ষণীয় বিষয়বস্তুৰ ক্ষেত্ৰত শিক্ষাৰ্থীয়ে অকল কিতাপত দিয়া ধৰণে পঢ়ি গ'লেই যথেষ্ট নহয়। শিক্ষাৰ্থীজনে বিষয়টোৰপৰা কি বুজিছে আৰু পাৰ্য্যমানে সেইটো আনক বুজাব পৰাকৈ লগতে সেইটোৰ ওপৰত যৌক্তিক বিচাৰ বিশ্লেষন কৰিব পৰা নিজস্ব ব্যাখ্যা এটা ধাৰণ কৰিবলৈ প্ৰয়াস কৰিব লাগে। ইয়াৰ বাবে তেওঁলোকে চেমিনাৰ, সমূহীয়া আলোচনা আদিত সক্ৰিয় অংশ গ্ৰহণৰ প্ৰয়োজন। ইয়াৰ ফলত দৃষ্টিভংগীৰ প্ৰসাৰতা হয় আৰু জ্ঞানাৰ্জনত সহায়ক হয়।

(জ) বিজ্ঞানসন্মত নীতিৰ জ্ঞান (Knowledge of scientific principles) ঃ এজন শিক্ষাৰ্থীয়ে এটা বিষয়ৰ মাজেৰে সোমাই যাওঁতে তেওঁক বিজ্ঞানসন্মত নীতিৰ প্ৰয়োজন হয়। ইয়াৰ উপৰিও তেওঁ পৰীক্ষাত কি ধৰণে উত্তৰ কৰিব, কেনেকৈ সঠিক উত্তৰ দি সঠিক নম্বৰ পাব, এই সমূহ সমস্যাত তেওঁ বিজ্ঞানসন্মত নীতিৰ জ্ঞানৰ দ্বাৰা সমাধান পাব পাৰে। গতিকে, যিমান পাৰি এজন শিক্ষাৰ্থীয়ে বিজ্ঞানসন্মত নীতিৰ জ্ঞান ধাৰণ কৰিবলৈ প্ৰয়াস কৰিব লাগে।

- শিক্ষক সকলেই যিহেতু শিক্ষা ক্ষেত্ৰত 'হৰ্তা-কৰ্তা-বিধাতা', সেইবাবে তেওঁলোকে মনোবিজ্ঞানৰ জ্ঞানেৰে পৰিপুষ্ট হৈ শিক্ষণকাৰ্য্যত অৰিহণা যোগাব লাগে। ইয়াৰ উপৰিও তেওঁলোক যিহেতু শিক্ষণ প্ৰক্ৰিয়াত দীৰ্ঘকাল জুৰি জড়িত আৰু অভিজ্ঞ ব্যক্তি, সেইবাবে শিক্ষাৰ্থীক ওপৰোক্ত উপাদান সমূহৰ লগতে জ্ঞানাৰ্জনৰ লগত জড়িত বিভিন্ন দিশত অৱগত কৰোৱাৰ লগতে, সেইবোৰৰ বিকাশকৰণত চকু দিব লাগে।

শেষত, শিক্ষাৰ্থীসকলে 'বিদ্যালয় আমাৰ মন্দিৰ; শিক্ষা আমাৰ মূলমন্ত্ৰ'- ভাবেৰে উদ্বুদ্ধ হৈ জ্ঞানাৰ্জনত ব্ৰতী হোৱা উচিত। ❑

● জাতীয় অন্তৰম ভাব, চিন্তা, তেজ আৰু প্ৰতিভা বাজ ওলাবলৈ ভাষা আৰু সাহিত্যত বাজে সুগম বাট আন নাই। আকৌ ভাষাতকৈ সাহিত্য এখোজ আগ; সেই কাৰণে জাতীয়ত্বৰ চিনাকি দিয়াত জাতীয় সাহিত্য তাতোকৈ এখোজ আগুৱাই যায়। গতিকে, মানুহৰ জাতি আৰু ধৰ্ম সাহিত্যৰ ভেঁটি হ'লেও, সি সাহিত্যব আঁচলত ধৰিহে আগবাঢ়িব পাৰে; সাজ-পাৰ আদিয়েও এই বিষয়ত সাহিত্যক পাচ পেলাই আগ হ'ব নোৱাৰে।

- অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশনৰ সভাপতি পদ্মনাথ গোহাঞিবৰুৱা দেৱৰ ভাষণৰ অংশ বিশেষ ( শিৱসাগৰ-২৬ ডিচেম্বৰ, ১৯১৭ চন)



# ইচ্ছাৰ স্বাধীনতা
## ঃ নৈতিক বিচাৰৰ অভিধাৰণা

স্ব-ইচ্ছাই নকৰা কামৰ বাবে আমি কোনো ব্যক্তিকে দন্দিত কৰাৰ যুক্তিযুক্ততা নাই। গতিকে ইচ্ছাৰ স্বাধীনতা নাথাকিলে নৈতিক চৰিত্ৰ গঠনৰো প্ৰশ্নৰ অৱতাৰণা নহয়। ইচ্ছাৰ স্বাধীনতা আছে বাবে অন্যায় অথবা বেয়া কাম কৰিলে অনুশোচনা জাগে।

মন্টু কুমাৰ দাস
প্ৰৱক্তা, দৰ্শন বিভাগ

মানুহ জীৱ শ্ৰেষ্ঠ। নিজৰ বিচাৰ বুদ্ধিৰে ভাল-বেয়া, শুদ্ধ-অশুদ্ধ, উচিত-অনুচিত আদি বিচাৰ কৰিব পাৰে বাবেই মানুহৰ শ্ৰেষ্ঠত্ব বিদ্যমান। নৈতিক বিচাৰ মানুহৰ যুক্তিনিষ্ঠতাৰ অন্য এক প্ৰতিফলন। জ্ঞান পিপাসু মানুহৰ সকলোবোৰ অনুসন্ধানেই কেতবোৰ অভিধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত, সি বিজ্ঞানেই হওঁক বা অন্য কিবা হওঁক। উদাহৰণ স্বৰূপে পদাৰ্থ বিজ্ঞানে দিক্ (space) আৰু বহিঃ বিশ্বৰ অস্তিত্ব মানি নোলোৱাকৈ অধ্যয়ণত আগবাঢ়িব নোৱাৰে। ঠিক একেদৰে নীতিশাস্ত্ৰৰো কেতবোৰ অভিধাৰণা আছে, যাৰ ব্যতিৰেকে নৈতিক জীৱন অসম্ভৱ। নৈতিক বিচাৰৰ অভিধাৰণা সমুহৰ ভিতৰত ইচ্ছাৰ স্বাধীনতাও এটা। আমি জানো যে ইচ্ছা শক্তি এক পৰম শক্তি। ইচ্ছা শক্তিৰ বলত মানুহে অসাধ্যকো সাধনৰ পথত অগ্ৰসৰ হ'ব পাৰে। প্ৰৱল ইচ্ছা শক্তিয়ে মানুহক স্বৰ্গ-সুখানুভূতি তথা এক অৰ্থত অমৰত্বও প্ৰদান কৰিব পাৰে। যি ইচ্ছা শক্তিৰ দ্বাৰা মানুহে অসাধ্য সাধন কৰি নিজক নিজৰ লক্ষ্য, উদ্দেশ্য তথা আদৰ্শত অটল কৰি ৰাখিব পাৰে সেই ইচ্ছাৰ স্বাধীনতা আছেনে ? আমি বাৰু ইচ্ছা শক্তিৰ দ্বাৰা নিজৰ ব্যক্তিত্ব ও চৰিত্ৰ গঠনৰ ক্ষেত্ৰত স্বাধীননে ? নিশ্চিত ভাবে ই এক বিৰ্তকৰ বিষয়। কিয়নো এই প্ৰসঙ্গত বিশ্বৰ বিভিন্ন যুগৰ দাৰ্শনিক পণ্ডিত সকলো একমত নহয়। কিছুমানৰ মতে ইচ্ছাৰ স্বাধীনতা আছে। আকৌ আন কিছুমানৰ মতে ইচ্ছাৰ স্বাধীনতা নাই। এই সন্দৰ্ভত প্ৰধানতঃ দুটা মতবাদ গঢ়ি উঠিছে। সেয়া হ'ল ক্ৰমে- নিয়তিবাদ (Determinism) আৰু অনিয়তিবাদ (Indeterminism)।

ইচ্ছা শক্তিৰ বলত মানুহে অসাধ্যকো সাধনৰ পথত অগ্ৰসৰ হ'ব পাৰে। প্ৰৱল ইচ্ছা শক্তিয়ে মানুহক স্বৰ্গ-সুখানুভূতি তথা এক অৰ্থত অমৰত্বও প্ৰদান কৰিব পাৰে। যি ইচ্ছা শক্তিৰদ্বাৰা মানুহে অসাধ্য সাধন কৰি নিজক নিজৰ লক্ষ্য, উদ্দেশ্য তথা আদৰ্শত অটল কৰি ৰাখিব পাৰে সেই ইচ্ছাৰ স্বাধীনতা আছেনে ? আমি বাৰু ইচ্ছা শক্তিৰ দ্বাৰা নিজৰ ব্যক্তিত্ব ও চৰিত্ৰ গঠনৰ ক্ষেত্ৰত স্বাধীননে ?

নিয়তিবাদ হ'ল এনেকুৱা এটা মতবাদ যিয়ে সাব্যস্ত কৰিব বিচাৰে যে ইচ্ছাৰ স্বাধীনতা নাই। ভাৰতীয় দাৰ্শনিক শংকৰাচাৰ্য্য, পাশ্চাত্য দাৰ্শনিক স্পিনোজা, ডেভিদ হিউম, জন ষ্টুৱাৰ্ট মিল আদি দাৰ্শনিক পণ্ডিত সকল নিয়তি বাদৰ সমৰ্থক। নিয়তিবাদী সকলৰ মতে- মানুহৰ সকলো ধৰণৰ কামেই বাহ্যিক শক্তিয়ে পৰিচালিত কৰে। এই প্ৰসঙ্গত উইলিয়াম লিলিয়ে কয় " The law of causation holds in the case of human actions just as it does in the case of physical events."

তাত্বিক দৃষ্টিকোণৰ ফালৰপৰা নিয়তিবাদে সাব্যস্ত কৰে যে সকলো ঘটনাই কাৰ্য্য কাৰণ তত্বৰ দ্বাৰা নিয়ন্ত্ৰিত। কাৰ্য-

উদ্দেশ্য আংশিক ভাবে ব্যক্তিৰ চৰিত্ৰ, প্ৰবৃত্তি আদিৰ ওপৰটো নিৰ্ভৰ কৰে। সেয়েহে ইচ্ছাৰ স্বাধীনতা নাই। কিয়নো যদি কামনাৰ পূৰ্ববৰ্তী উপকৰণ সমূহ সঠিক ভাবে জানিব পাৰি তাৰদ্বাৰা ব্যক্তিৰ ভৱিষ্যত কাৰ্য্যপন্থা সহজে জানিব পাৰি।

কাৰণ তত্ব বিজ্ঞানৰ এক স্বীকৃত অভিধাৰণা, যাৰ অন্যথাই এক বিশৃঙ্খল অৱস্থাৰ সৃষ্টি হ'ব। কাৰ্য্যকাৰণ বিধি অনুসৰি আমি পাওঁ যে প্ৰত্যেক ঘটনাৰে এটা সুনিৰ্দ্দিষ্ট কাৰণ আছে। এই ফালৰ পৰা বিচাৰ কৰিলে বিশ্ব-ব্ৰহ্মাণ্ডৰ প্ৰত্যেকটো ঘটনা কিছুমান পূৰ্ববৰ্ত্তী ঘটনাৰ দ্বাৰা নিয়ন্ত্ৰিত। যিহেতু ভৌতিক, মানসিক সকলো ঘটনাৰে কাৰণ আছে, তেনে ক্ষেত্ৰত মানুহ নিশ্চিত ভাবে ইয়াৰ ব্যতিক্ৰম হ'ব নোৱাৰে। গতিকে নিয়তীবাদী সকলৰ মতে ইচ্ছাৰ স্বাধীনতা আছে বুলি ভবাতো অমূলক চিন্তা মাত্ৰ। কিয়নো ঐচ্ছিক ক্ৰিয়া যদি পূৰ্ববৰ্তী কাৰণৰ দ্বাৰা নিয়ন্ত্ৰিত নহয় তেন্তে ই কাৰণ নোহোৱাকৈ কাৰ্য্য সংঘটিত হোৱা বুজাব, যিটো যুক্তি সংগত নহয়।

নিয়তিবাদী সকলে তাত্বিক দৃষ্টিকোণৰ উপৰিও মনস্তাত্বিক ফালৰ পৰাও ইচ্ছাৰ স্বাধীনতা নাই বুলি সাব্যস্ত কৰাৰ বাবে যুক্তি প্ৰদান কৰিছে। এই সন্দৰ্ভত তেওঁলোকে ক'ব খোজে যে মানুহৰ সকলো ধৰণৰ ঐচ্ছিক ক্ৰিয়া, উদ্দেশ্য আৰু কামনাৰ দ্বাৰা নিয়ন্ত্ৰিত। আকৌ যদি ঐচ্ছিক ক্ৰিয়া জটিল হয় অৰ্থাৎ একে সময়তে যদি একাধিক উদ্দেশ্য আৰু কামনাৰ উদ্ভৱ হয় তেনে ক্ষেত্ৰত কামনাৰ দ্বন্দই দেখা দিয়ে। উদাহৰণ স্বৰূপে- ধৰা হ'ল এজন মানুহৰ হাতত তিনিশ টকা আছে। সেই সময়ত মানুহজনৰ কেইবাটাও অভাৱ আছে, যেনে- এটা চাৰ্ট, এটা পেন্ট, এটা চুৱেটাৰ, এযোৰ চেন্দেল ইত্যাদি। কিন্তু উক্ত সময়ছোৱাত মানুহজনে তিনিশ টকাৰে কেৱল মাত্ৰ এটা বস্তুহে কিনিব পাৰে। এতিয়া এই সময়ছোৱাত প্ৰত্যেকটো বস্তুৰ প্ৰয়োজনে মানুহজনৰ মনত ভুমুকি মাৰিব। ফলস্বৰূপে উক্ত বস্তু সমূহৰ মাজৰ পৰা তেওঁৰ সামৰ্থৰে ক্ৰয় কৰাৰ বাবে কোনটো বস্তু নিৰ্বাচন কৰিব সেইলৈ মানুহজনৰ মনত এক প্ৰকাৰ দ্বন্দৰ উদ্ভৱ হ'ব। যাক নীতিশাস্ত্ৰত কামনাৰ দ্বন্দ বুলি অভিহিত কৰা হয়। অৱশেষত মানুহজনে বিভিন্ন বস্তুৰ মাজৰ পৰা এটা বস্তু নিৰ্বাচন কৰিব। অৰ্থাৎ যিটো বস্তুৰ প্ৰয়োজন তীব্ৰ, সেই বস্তুটো ক্ৰয় কৰাৰ বাবে মানুহজনে সিদ্ধান্ত ল'ব আৰু কাৰ্য্যতঃ উক্ত বস্তুটো মানুহজনে কিনিব। এই ক্ষেত্ৰত দেখা গ'ল যে প্ৰয়োজনৰ তীব্ৰতাই মানুহজনক সেই নিৰ্দ্দিষ্ট বস্তুটো কিনিবলৈ বাধ্য কৰালে। গতিকে দেখা যায় যে এনে পৰিস্থিতিত মানুহে কামনাৰ দোষ-গুণ বিচাৰ কৰি অধিক শক্তিশালী কামনাক নিৰ্বাচন কৰে আৰু সেই শক্তিশালী কামনাই মানুহক কামত প্ৰবৃত্ত কৰায়। ইয়াৰ ভিত্তিত নিয়তিবাদী সকলে সাব্যস্ত কৰে যে উদ্দেশ্যৰ শক্তিৰ ওপৰতহে ঐচ্ছিক ক্ৰিয়া নিৰ্ভৰ কৰে। ইয়াৰ উপৰিও উদ্দেশ্য আংশিক ভাবে ব্যক্তিৰ চৰিত্ৰ, প্ৰবৃত্তি আদিৰ ওপৰতো নিৰ্ভৰ কৰে। সেয়েহে ইচ্ছাৰ স্বাধীনতা নাই। কিয়নো যদি কামনাৰ পূৰ্ববৰ্তী উপকৰণ সমূহ সঠিক ভাবে জানিব পাৰি তাৰ দ্বাৰা ব্যক্তিৰ ভৱিষ্যত কাৰ্য্যপন্থা সহজে জানিব পাৰি।

নিয়তিবাদী সকলে আকৌ ধৰ্মীয় দৃষ্টিকোণৰ পৰাও ইচ্ছাৰ স্বাধীনতা নাই বুলি প্ৰতিপাদন কৰিছে। ঈশ্বৰ সৰ্বব্যাপ্ত, সৰ্বজ্ঞাতা, সৰ্বনিয়ন্তা। প্ৰাকৃতিক পৰিঘটনা সমূহৰ দৰে ব্যক্তিৰ কৰ্মপন্থাৰ ভৱিষ্যতো তেৱেঁই নিৰ্দ্ধাৰণ কৰি ৰাখে। জন্মৰ সময়তে ঈশ্বৰে মানুহৰ ভৱিষ্যত কাৰ্য্যপন্থা নিৰূপন কৰি লয়। গতিকে পৰবৰ্তী সময়ত কেৱল মাত্ৰ পূৰ্বনিৰ্দ্ধাৰিত সূচীমতে ঘটনাবোৰ ঘটি যায়। ইয়াৰ পৰাও স্পষ্ট পৰিলক্ষিত হয় যে ইচ্ছাৰ স্বাধীনতা নাই; ই সম্পূৰ্ণ পূৰ্বনিয়ন্ত্ৰিত।

ইচ্ছাৰ স্বাধীনতা প্ৰসঙ্গত নিয়তিবাদৰ সম্পূৰ্ণ বিৰোধিতা কৰি অনিয়তিবাদে মানুহৰ ইচ্ছা সম্পূৰ্ণ স্বাধীন বুলি সাব্যস্ত কৰিছে। প্ৰখ্যাত দাৰ্শনিক বাৰ্গচ্, ইমানুৱেল কান্ট, মেকেঞ্জি, মাৰ্টিনিউ আদি এই মতবাদৰ সমৰ্থক। অনিয়তিবাদী সকলৰ মতে কোনো ধৰণৰ বাহ্যিক অৱস্থাই ব্যক্তিৰ ইচ্ছা নিয়ন্ত্ৰণ কৰিব নোৱাৰে। এই প্ৰসঙ্গত মেকেঞ্জিয়ে কৈছে "ইচ্ছাৰ স্বাধীনতা নৈতিক বিচাৰৰ স্বীকাৰ্য্য সত্য"।

নিয়তিবাদী সকলে আকৌ ধৰ্মীয় দৃষ্টিকোণৰ পৰাও ইচ্ছাৰ স্বাধীনতা নাই বুলি প্ৰতিপাদন কৰিছে। ঈশ্বৰ সৰ্বব্যাপ্ত, সৰ্বজ্ঞাতা, সৰ্বনিয়ন্তা। প্ৰাকৃতিক পৰিঘটনা সমূহৰ দৰে ব্যক্তিৰ কৰ্মপন্থাৰ ভৱিষ্যতো তেৱেঁই



আনহাতে দাৰ্শনিক পণ্ডিত ইমানুৱেল কান্টে কৈছে যে যি কোনো কামৰ দায়িত্ব পাবলৈ হ'লে ইচ্ছাৰ স্বাধীনতা স্বীকাৰ কৰিবই লাগিব। নহ'লে উচিত-অনুচিত বিচাৰ অৰ্থহীন হ'ব। আকৌ মাৰ্টিনিউৱে কৈছে - "Either free will is a fact or moral judgement is a delusion."

কিয়নো স্ব-ইচ্ছাই নকৰা কামৰ বাবে আমি কোনো ব্যক্তিকে দন্দিত কৰাৰ যুক্তিযুক্ততা নাই। গতিকে ইচ্ছাৰ স্বাধীনতা নাথাকিলে নৈতিক চৰিত্ৰ গঠনৰো প্ৰশ্নৰ অৱতাৰণা নহয়। ইচ্ছাৰ স্বাধীনতা আছে বাবে অন্যায় অথবা বেয়া কাম কৰিলে অনুশোচনা জাগে।

প্ৰাচ্য দৰ্শনৰ শ্ৰীমদ্ভাগৱদ গীতাতো ইচ্ছাৰ স্বাধীনতাৰ কথা বিদ্যমান। গীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক উপদেশ দি কৈছে, "ইতি তে জ্ঞানমখ্যাতং গুহ্যাৎ গুহ্যাতৰং ময়া। বিমৃশৈতদশেৰেণ যথেচ্ছসি তথা কুৰু।" ৬৩ (অষ্টাদশ অধ্যায়), অৰ্থাৎ মই এইদৰে তোমাক অতি দুৰ্বিজ্ঞেয় সৰ্বসাধাৰণে বুজিব নোৱাৰা জ্ঞানৰ উপদেশ দিলো। এই কথাবোৰ সম্পূৰ্ণকৈ বিশেষ পৰ্যালোচনা কৰি তোমাৰ যেনে ইচ্ছা হয় তাকে কৰা। ইয়াৰ দ্বাৰা সাব্যস্ত হয় যে, গীতাতো ইচ্ছাৰ স্বাধীনতা স্বীকাৰ কৰা হৈছে। অনিয়তিবাদীসকলৰ মতে - নৈতিকতাৰ লগত উচিত, অনুচিত, দায়বদ্ধতা আদি জড়িত আৰু ইচ্ছাৰ স্বাধীনতা অবিহনে সেয়া অমূলক। গতিকে ইচ্ছাৰ স্বাধীনতা থকাতো অপৰিহাৰ্য্য।

ইতিমধ্যে আমি পালো যে নিয়তিবাদীসকলে ইচ্ছাৰ স্বাধীনতাক সম্পূৰ্ণ অগ্ৰাহ্য কৰিছে আনহাতে অনিয়তিবাদীসকলে ইচ্ছাৰ পূৰ্ণ স্বাধীনতা স্বীকাৰ কৰিছে। নিজৰ নিজৰ মতবাদৰ সমৰ্থনত উভয়ে বিভিন্ন যুক্তি দাঙি ধৰিছে যদিও কোনো এটা মতবাদে ইচ্ছাৰ স্বাধীনতাকলৈ উত্থাপিত বিতৰ্কৰ যোগ্য সমাধান সূত্ৰ উলিয়াব পৰা নাই। এই ক্ষেত্ৰত এই দুই পৰস্পৰ বিৰোধী মতবাদৰ সমন্বয়ৰ যোগেদি এক সমাধান সূত্ৰৰ উন্মেষ ঘটাইছে আত্মনিয়ন্ত্ৰণবাদে (Self determinism)। এই মতবাদ অনুসৰি অপৰিবৰ্তিত সত্বাই হ'ল নৈতিকতাৰ ভেটি। এই সত্বাৰ সৃজনাত্মক সক্ৰিয়তাৰ কথাও নৈতিকতাই পূৰ্বানুমান কৰি লয়। মানুহৰ ঐচ্ছিক কাৰ্য্যকলাপ কোনো বাহ্যিক শক্তিয়ে নিয়ন্ত্ৰণ নকৰে। স্বাধীন ইচ্ছাই নিশ্চিত ভাৱে স্বেচ্ছাচাৰিতাক নুবুজায়। মানুহৰ ইচ্ছা সদায় নিজৰ অধীনত।

... গীতাতো ইচ্ছাৰ স্বাধীনতা স্বীকাৰ কৰা হৈছে। অনিয়তিবাদীসকলৰ মতে- নৈতিকতাৰ লগত উচিত, অনুচিত, দায়বদ্ধতা আদি জড়িত আৰু ইচ্ছাৰ স্বাধীনতা অবিহনে সেয়া অমূলক। গতিকে ইচ্ছাৰ স্বাধীনতা থকাতো অপৰিহাৰ্য্য।

নৈতিক জীৱনৰ লগত দায়বদ্ধতা ওতঃপ্ৰোত ভাৱে জড়িত। কোনো ব্যক্তিক তেওঁৰ কাৰ্য্য বা আচৰণৰ বাবে দায়বদ্ধ কৰিব পৰা যায় যদি আৰু যদিহে মাত্ৰ তেওঁ তেওঁৰ মনে বিচৰা মতে কাৰ্য্য সম্পাদন কৰিব পাৰে। অৰ্থাৎ কাৰ্য্য সম্পাদনৰ ক্ষেত্ৰত তেওঁ স্বাধীন হ'ব লাগিব।

মানুহৰ নৈতিক জীৱন কিছুমান স্বীকৃত সত্য বা অভিধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত - যাৰ ব্যতিৰেকে নৈতিক জীৱনৰ কথা ভাবিব নোৱাৰি। এই প্ৰসঙ্গত আমি ক'ব পাৰো যে ইচ্ছাৰ স্বাধীনতা আমাৰ নৈতিক জীৱনৰ এক অপৰিহাৰ্য্য পূৰ্বচৰ্ত। কোনো ব্যক্তিয়ে শুদ্ধ ভাবে কিবা কৰিবলৈ হ'লে সৎ ইচ্ছা অপৰিহাৰ্য্য আৰু ইয়াৰ মানেই হ'ল ইচ্ছাৰ স্বাধীনতা। কিন্তু এই স্বাধীনতা নিজৰ কৰ্মৰ দায়িত্ব বা গুৰুত্ব লাঘৱ কৰা বিধৰ হ'ব নালাগিব। অথবা ইচ্ছাৰ স্বাধীনতাৰ অৰ্থ কেতিয়াও উদ্দেশ্যহীন কৰ্ম নহ'ব। মানুহৰ ইচ্ছাৰ স্বাধীনতা আছে, ই আমাৰ নৈতিক জীৱনৰ এক অনস্বীকাৰ্য্য সত্য। যেতিয়া কোনো এজন ব্যক্তিক বিভিন্ন বিকল্পৰ মাজত এৰি দিয়া হয়, তেনে ক্ষেত্ৰত সেই ব্যক্তিজনে যি কোনো কাৰ্য্যপন্থা গ্ৰহণ কৰিব পাৰে। আমাৰ নৈতিক জীৱন স্বাধীনতাৰ এই শৈল বন্ধনৰ ওপৰত প্ৰতিষ্ঠিত। নৈতিক জীৱনৰ লগত দায়বদ্ধতা ওতঃপ্ৰোত ভাৱে জড়িত। কোনো ব্যক্তিক তেওঁৰ কাৰ্য্য বা আচৰণৰ বাবে দায়বদ্ধ কৰিব পৰা যায় যদি আৰু যদিহে মাত্ৰ তেওঁ তেওঁৰ মনে বিচৰা মতে কাৰ্য্য সম্পাদন কৰিব পাৰে। অৰ্থাৎ কাৰ্য্য সম্পাদনৰ ক্ষেত্ৰত তেওঁ স্বাধীন হ'ব লাগিব।

মানুহ আৰু অন্য জীৱ-জন্তু কেতিয়াও একে নহয়।

উভয়ৰে আত্মা, ক্ষুধা, বংশ-বিস্তাৰৰ ক্ষমতা আছে যদিও মানুহৰ বৌদ্ধিক ব্যক্তিত্বই মানুহক এক স্বকীয়তা প্ৰদান কৰিছে। মানুহৰ নৈতিক জীৱন প্ৰসঙ্গত ব্যক্তিত্ব নিৰ্দ্ধাৰণ হয় আত্মস্বতন্ত্ৰতাৰ যোগেদি। মানুহ হ'ল অনুভূতি, প্ৰবৃত্তি, ইন্দ্ৰিয়, মন আদিৰ সমাহাৰ। কিন্তু মানৱ আত্মা কেৱল এই সকলোবোৰৰ সমষ্টি মাত্ৰ নহয়। নিৰ্দিষ্ট লক্ষ্য, উদ্দেশ্য বা আদৰ্শৰ বাবে মানুহে ইন্দ্ৰিয় সংদমন, একত্ৰিকৰণ, নিৰ্দেশন, বশীকৰণ আদিও কৰিব পাৰে। নিজৰ আদৰ্শ প্ৰাপ্তিৰ বাবে ব্যক্তিয়ে হাজাৰ বাধাও অতিক্ৰম কৰিব পাৰে। এইবোৰ গুণৰ বাবেই মানুহে নিজক এক নিৰ্দিষ্ট লক্ষ্য, উদ্দেশ্য তথা আদৰ্শৰ ফালে আগুৱাই নিব পাৰে, যিয়ে মানুহক শ্ৰেষ্ঠত্ব প্ৰদান কৰে। মানুহৰ নিজৰ প্ৰবৃত্তি আৰু ইন্দ্ৰিয় সমূহৰ ওপৰত নিয়ন্ত্ৰণ আছে। সেয়ে মানৱ ব্যক্তিত্ব নিয়ন্ত্ৰিত আৰু স্বাধীন। মানুহৰ আত্মা হ'ল সত্বা আৰু সেই সত্বা কোনোধৰণৰ বাহ্যিক বা আভ্যন্তৰীণ চাপৰ দ্বাৰা বদ্ধ নহয়, ই মুক্ত। ব্যক্তি সদায় নিজৰ বুদ্ধি-বৃত্তি তথা যৌক্তিক প্ৰকৃতিৰ দ্বাৰা অধ্যাৱসায়ৰ যোগেদি লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত স্বাধীন। কেৱল সেই লক্ষ্যত উপনীত হোৱাৰ বাবে যি আত্মিক তাগিদা তাৰ লগত আপোচ কৰিব নালাগিব।

গতিকে দেখা গ'ল যে মানুহৰ নৈতিক জীৱনৰ বাবে ইচ্ছাৰ স্বাধীনতা অত্যাৱশ্যকীয়। স্বাধীনতা অবিহনে নৈতিক জীৱন নিৰৰ্থক। আমাৰ ব্যৱহাৰিক জীৱনত সঘনাই পাই থকা এটা অভিজ্ঞতা হ'ল এই যে প্ৰায় ক্ষেত্ৰতে আমি কিবা এটা ভুল কৰি অনুশোচনাত পৰো। আমাৰ এই ধৰণৰ অনুভূতিয়ে ইয়াৰে ইংগিত বহন কৰে যে আমি ভুল কৰাৰ পৰিবৰ্তে শুদ্ধ কৰাৰ অৱকাশ নিশ্চয় আছিল। অৰ্থাৎ আমি শুদ্ধভাৱে কাৰ্য্যপন্থা গ্ৰহণৰ বাবে স্বাধীন। যদিহে মানুহৰ ইচ্ছাৰ স্বাধীনতা নাথাকে তেন্তে কৰ্তব্য, দায়বদ্ধতা, শাস্তি, পুৰস্কাৰ আদি কথাবোৰৰ কোনো অৰ্থ নাথাকিব। আত্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰতহে এই সকলোবোৰ অৰ্থপূৰ্ণ হ'ব। স্বাধীন ইচ্ছাৰে কৰা কামৰহে নৈতিক বিচাৰ হয়। গতিকে ইচ্ছাৰ স্বাধীনতা থাকিব লাগিব আৰু আত্ম নিয়ন্ত্ৰণৰ অৰ্থত ইচ্ছাৰ স্বাধীনতাক নৈতিকতাৰ অভিধাৰণা হিচাপে স্বীকাৰ কৰাৰ যুক্তি-যুক্ততা নিশ্চয় আছে। ❑



ফুল নহয়
গছ যেন সতেজ
ঢৌ নহয়
সোঁত যেন সবেগ
মোৰ ক্লান্ত শিৰাৰ
তৰুণ তেজ
কোন জোঁৱাৰৰ বাবে
উদ্বেগ !





# নাট্যশিল্পী হিচাপে জ্যোতিপ্ৰসাদ

*নাট্যশিল্পী হিচাপে জ্যোতিপ্ৰসাদ অসমীয়া নাট্য সাহিত্যত অনন্য। মৌ মাখিয়ে বিভিন্ন ফুলৰ পৰা মৌ গোটাই এটোপাল মৌ ৰস সৃষ্টি কৰাৰ দৰে জ্যোতিপ্ৰসাদেও বিভিন্ন উৎসৰ পৰা বিষয়বস্তু সংগ্ৰহ কৰি তেওঁৰ শিল্পীমনৰ কাৰখানাত সৃষ্টি কৰি উলিওৱা প্ৰতিখন নাটেই এক এটোপাল ৰহস্যময় সৃষ্টিৰ মৌ-মিঠা সম্পদ স্বৰূপ।*

খৰ্গেশ্বৰ নায়ক
মূৰব্বী অধ্যাপক, অসমীয়া বিভাগ

কুৰি শতিকাৰ প্ৰথম ভাগত জন্মগ্ৰহণ কৰা যি কেইজনা ক্ষণজন্মা পুৰুষে অসমৰ সাংস্কৃতিক জীৱনত নৱ-জাগৰণৰ সূচনা কৰিছিল আৰু অসমৰ পুনৰুজ্জীৱনৰ বাবে যুৱশক্তিক উদ্দীপিত কৰিব পাৰিছিল জ্যোতিপ্ৰসাদ আছিল সেইসকল উজ্জ্বল জ্যোতিস্কৰ মাজৰ পুঁৱতি তৰা স্বৰূপ। জ্যোতিপ্ৰসাদে গ্ৰহণ কৰা অগ্ৰণী ভুমিকাৰ কথা বাদ দিলে আমাৰ সাংস্কৃতিক পৰম্পৰাৰ এটা অংশ খহি পৰাৰ দৰে হ'ব। অসমীয়া নাট্য-সাহিত্যৰ দীৰ্ঘ পৰিক্ৰমাৰ শ্ৰেষ্ঠ শিল্পীৰ তালিকাৰ প্ৰথম তিনি জনৰ এজন জ্যোতিপ্ৰসাদ - আন দুজন শংকৰদেৱ আৰু বেজবৰুৱা; কিন্তু আধুনিক অসমীয়া নাট্য সাহিত্যৰ শ্ৰেষ্ঠতম শিল্পীজনেই হ'ল জ্যোতিপ্ৰসাদ। জ্যোতিপ্ৰসাদৰ প্ৰথম পৰিচয়েই হ'ল-তেওঁ অবিসংবাদী নাট্য শিল্পী।

জ্যোতিপ্ৰসাদৰ কাপৰ পৰা নিগৰিত নাট্য সম্ভাৰ সমূহ হ'ল- 'শোণিত কুঁৱৰী', 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম', 'লভিতা', 'নিমাতী কইনা', 'খনিকৰ' আৰু 'সোণ-পখিলী'।

জ্যোতিপ্ৰসাদে যেতিয়া 'শোণিত কুঁৱৰী' নাটৰ জৰিয়তে সাহিত্যিক জীৱনৰ পাতনি মেলিছিল তেতিয়া তেওঁৰ বয়স আছিল চৈধ্য বছৰ, স্কুলীয়া ছাত্ৰ। নাটখনৰ নাম আছিল তেতিয়া 'দানৱ নন্দিনী' অৰ্থাৎ বানাসুৰৰ জীয়ৰী। ইয়াৰ পিছত তেওঁ নাটখনৰ নাম সলনি কৰি 'শোণিত কুমাৰী' ৰাখে আৰু শেষত 'শোণিত কুঁৱৰী' নাম পায়। নাটৰ নাম সলনি কৰাৰ লগতে জ্যোতিপ্ৰসাদে নাটখনৰ গীতবোৰত অসমীয়া পুৰণি গীতৰ সুৰো আৰোপ কৰিছিল। 'শোণিত কুঁৱৰী' নাটৰ মূল জুমুঠিটোত আছে-উষা-অনিৰুদ্ধৰ প্ৰেমৰ কাহিনী, যিটো কাহিনীয়ে স্থান পাইছিল অনন্তকন্দলিৰ 'কুমাৰ হৰণ' কাব্যত; স্থান পাইছিল পীতাম্বৰ কবিৰ 'উষা-পৰিণয়' কাব্যতো। গতিকে উক্ত দুয়োখন কাব্যৰ পৰা জ্যোতিপ্ৰসাদে

অনুপ্ৰেৰণা নিশ্চয় পাইছিল। কাহিনীৰ ক্ষেত্ৰত কাব্য দুখনৰ লগত ‘শোণিত কুঁৱৰী’ নাটৰ পাৰ্থক্য নাই - পাৰ্থক্য আছে ঘটনা সৃষ্টিৰ ক্ষেত্ৰত আৰু আছে উদ্দেশ্যৰ। নিচেই কম বয়সতে লিখা এই নাটখনত, ড° কাকতিৰ মতে, তাৰুণ্যৰ চপলতা আছে যদিও এই নাটখনৰ ভাষা কিন্তু প্ৰাণস্পৰ্শী আৰু চৰিত্ৰাংকণ ? চিত্ৰলেখাৰ চৰিত্ৰ অনবদ্য, অপূৰ্ব আৰু অদ্বিতীয়। উমেশ বৰুৱাৰ ভাষাত - “যুগ যুগ ধৰি বিশ্বৰ সদৌ শিল্পীমণ্ডলীৰ আজিলৈকে পূৰণ নোহোৱা অনন্ত সৌন্দৰ্য্যতৃষ্ণাৰ প্ৰতীক এই চিত্ৰলেখা।” নাটৰ শেষত চিত্ৰলেখাৰ মুখত দিয়া দীঘলীয়া সংলাপটোত- ‘তুমি যেতিয়া পূৰ্ৱাচলত ভৱপক যৌৱনৰ দেহাৰে অলপ জুৱণি লৈ .........। কাৰুণ্য আছে, অথচ শিল্পীৰ নিঃস্বাৰ্থ ত্যাগ আৰু দুষ্কৃতিৰ সতে সংঘাতৰ ইঙ্গিত আছে। ই শিল্পীৰ চিৰন্তন উক্তি। আকৌ শ্ৰীকৃষ্ণ, ভাগৱতৰ উষা-অনিৰুদ্ধ উপাখ্যানৰ কৃষ্ণ মাহাত্ম্যৰ পৰম্পৰা এই নাটত বিদ্যমান।

জ্যোতিপ্ৰসাদৰ দ্বিতীয় নাট ‘কাৰেঙৰ লিগিৰী’ অসমীয়া নাট্য জগতৰ এক শ্ৰেষ্ঠ কীৰ্তি। এইখন তেওঁ বিলাতত থাকোতে ৰচনা কৰা নাট। মধ্যযুগীয়া অসমীয়া

*শ্বেক্সপীয়েৰীয় আৰু এব্ছেনীয় কৌশলৰ সংমিশ্ৰণত কল্পনা আৰু বাস্তৱৰ মধুৰ সমন্বয় সাধনেৰে ৰচনা কৰা ‘কাৰেঙৰ লিগিৰী’ সৰ্বকালৰ কাৰণে এক স্মৰণীয় সৃষ্টি। ‘কাৰেঙৰ লিগিৰী’ত মানুহৰ জীৱন সম্বন্ধে যি বাস্তৱ দৃষ্টিভঙ্গী গ্ৰহণ কৰা হৈছে, সিয়েই অসমীয়া নাট্য ধাৰালৈ আনি দিছে নতুন চেতনা।*

সমাজখনৰ পটভূমিত ৰচিত এই নাটৰ কাহিনী ভাগ। শ্বেক্সপীয়েৰীয় আৰু এব্ছেনীয় কৌশলৰ সংমিশ্ৰণত কল্পনা আৰু বাস্তৱৰ মধুৰ সমন্বয় সাধনেৰে ৰচনা কৰা ‘কাৰেঙৰ লিগিৰী’ সৰ্বকালৰ কাৰণে এক স্মৰণীয় সৃষ্টি। ‘কাৰেঙৰ লিগিৰী’ত মানুহৰ জীৱন সম্বন্ধে যি বাস্তৱ দৃষ্টিভঙ্গী গ্ৰহণ কৰা হৈছে, সিয়েই অসমীয়া নাট্য ধাৰালৈ আনি দিছে নতুন চেতনা। ‘কাৰেঙৰ লিগিৰী’ ৰচনা কৰাৰ সময়ত জ্যোতিপ্ৰসাদ এটা দিশৰ প্ৰতি সচেতন আছিল আৰু সেইটোৰেই হৈছে চৰিত্ৰ চিত্ৰন। তাৰ উমান পোৱা যায় জ্যোতিপ্ৰসাদৰ নিজৰ উক্তিযাৰত। নাটখনৰ পাতনিত তেওঁ লিখিছে -

“সুন্দৰৰ চৰিত্ৰ আদৰ্শ হিচাপে তাত (কাৰেঙৰ লিগিৰী) দাঙি ধৰাতকৈ চৰিত্ৰৰ বৈচিত্ৰ-এটা চিৰ বিপ্লৱীমনৰ দুৰ্নিবাৰ গতিৰ সৈতে সমাজৰ সংঘৰ্ষ আৰু সংঘাত তাৰ পৰিণতি দেখুৱাবলৈ প্ৰয়াস পোৱা গৈছিল।” নাটখনক নাট্যকাৰে কাল্পনিক নাট বুলি কৈছে; কিন্তু নাটকীয় শৈলী, কাৰিকৰী চিন্তা-চৰ্চা ইত্যাদি দিশত ‘কাৰেঙৰ লিগিৰী’ এখন বাস্তৱিক চিন্তামূলক সামাজিক নাট। নাটখনত জ্যোতিপ্ৰসাদৰ বৈপ্লৱীক চিন্তাচৰ্চাৰ আভাসো পোৱা যায়। সমাজৰ কুসংস্কাৰ, অন্ধবিশ্বাস, উৱলি যোৱা ৰীতি-নীতি আৰু অনুষ্ঠানবোৰ ধ্বংস কৰি যুক্তি আৰু বিজ্ঞানসন্মত চিন্তাৰ ভেটিত এখন নতুন সমাজ প্ৰতিষ্ঠা কৰাৰ নাট্যকাৰৰ যি প্ৰয়াস সি নাটৰ কথোপকথনত প্ৰতিফলিত হৈছে। অৱশ্যে এই কথা স্বীকাৰ্য যে নাটখনত পশ্চিমীয়া সাহিত্যৰ বাস্তৱধৰ্মী সমস্যামূলক চিন্তাশীল নাটকৰ প্ৰভাৱ পৰিছে। বিশেষকৈ এই ক্ষেত্ৰত জ্যোতিপ্ৰসাদ নৰৱেৰ নাট্যকাৰ ইবৃছেনৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে বুলি ভাবিবৰ থল নথকা নহয়।

জ্যোতিপ্ৰসাদৰ আন এখন নাট ‘ৰূপালীম’। ‘ৰূপালীম’ কাল্পনিক নাট। জ্যোতিপ্ৰসাদৰ কল্পনাপ্ৰৱন ৰোমান্টিক দৃষ্টিভংগীৰ পৰিচয় নাটখনত স্পষ্ট। অসমৰ পূৰ্ব-প্ৰান্তত থকা এটি পৰ্বতীয় জন-জাতিৰ পটভূমিত ভালেমান চাঞ্চল্যকৰ ঘটনাৰ সমাৱেশেৰে লিখি উলিওৱা নাট। ‘ৰূপালীম’ নাটখনত জ্যোতিপ্ৰসাদে নিষ্ঠুৰতা, সামাজিক কু-আচাৰ, স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে আৰু সংস্কাৰকামী শক্তিৰ সমৰ্থনত ঘটনাৰ পৰিস্থিতি আকৰ্ষণীয় কৰি তুলিছে। নাটখনত মেটাৰলিংকৰ ‘মন্না-ভান্না’ৰ প্ৰভাৱ আছে। ড° মহেন্দ্ৰ বৰাৰ আলোচনা মতে- “মেটাৰলিংকৰ ‘মন্না-ভান্না’ৰ চৰিত্ৰটো জ্যোতিপ্ৰসাদে দুভাগ কৰি ৰূপালীম আৰু ইতিভেনৰ চৰিত্ৰ দুটা সৃষ্টি কৰিছে।” - এনে কৰাৰ কাৰণে হয়তো জ্যোতিপ্ৰসাদৰ কল্পনাত মন্না ভান্নাৰ চৰিত্ৰটোৰ ৰূপান্তৰ ঘটি দুটা সম্পূৰ্ণ বিপৰীতধৰ্মী নাৰী চৰিত্ৰৰ সৃষ্টি হ’ল, কাৰণ ‘ৰূপালীম’ ৰচনা কৰাৰ সময়ত (১৯৩৬ চন) জ্যোতিপ্ৰসাদৰ চিন্তাধাৰা আছিল বেলেগ। সেই সময়ত তেওঁৰ ওপৰত গান্ধীবাদী আদৰ্শৰ প্ৰভাৱ আছিল। তেতিয়াৰ জ্যোতিপ্ৰসাদৰ ভাবাৰ্দশত একেগৰাকী নাৰীয়েই একে সময়তে অসাধাৰণ ৰূপ লাৱণ্যৰ অধিকাৰিণী আৰু স্বদেশ প্ৰেমৰ দ্বাৰা উদ্বেলিত হৈ চৰম আত্মত্যাগৰ নিৰ্দশন স্বৰূপ হ’ব পৰা নাছিল। সেয়ে জ্যোতিপ্ৰসাদে ইতিভেনৰ দৰে



*তেওঁৰ কবিতাত, তেওঁৰ গানত, তেওঁৰ পদ্যত, তেওঁৰ উপন্যাসত পূৰ্বকালৰ বিৱৰ্তন ঘটিছে; কিন্তু প্ৰধান ক’লা নাট সমূহত এই বিৱৰ্তনৰ ইঙ্গিত বাৰু পোৱা যায় নে ?*

আদৰ্শবান চৰিত্ৰ এটাকো নাটৰ শেষ দৃশ্যত এগৰাকী নিষ্ঠুৰ, হৃদয়হীনা, ঈৰ্ষাপৰায়না নাৰীলৈ ৰূপান্তৰিত কৰিছিল।

জ্যোতিপ্ৰসাদৰ মতে সুন্দৰৰ পূজাই হ’ল সংস্কৃতি। এই পূজাৰ আভাষ পোৱা যায় ‘নিমাতী কইনা’ নামৰ কাব্যধৰ্মী নাটখনত। নিমাতী কইনা হ’ল কলা লক্ষ্মীৰ প্ৰতীক, যাৰ মাত কোনেও উলিয়াব নোৱাৰিছিল। শেষত জ্যোতি দেশৰ ‘বিশ্ব স্থাপত্যৰ আদৰ্শৰে গঢ়া’ ধৱলকান্তিপ্ৰসাদত থকা শ্ৰীৰূপ কোঁৱৰৰ গীত আৰু সাধন কলমৰ স্পৰ্শতহে নিমাতী কইনাৰ মাত ওলাল। নাটখন ৰূপকধৰ্মী। ইয়াৰ জুমুঠিটো হ’ল নিমাতী কইনাৰ সাধু। ৰূপকৰ যোগেৰে নাট্যকাৰে প্ৰকৃত প্ৰগতিশীল শিল্পৰ সৌন্দৰ্য্য-সাধনাৰ বিৰল সাধনা, শিল্পৰ লক্ষ্য ‘পৰমানন্দ’ লাভ আৰু প্ৰচলিত সংস্কৃতিৰ ৰূপৰ লগত থকা অৰূপ শিল্পৰ সাংস্কৃতিক ব্যৱধানৰ কথা ফুটাই তুলিছে। এইখনৰ লগত ভাবাৰ্থৰ সাদৃশ্য থকা আন এখনি কাব্য নাটিকা ‘সোণ পখিলী’খন। ‘সোণপখিলী’ শিশুৰ উপযোগী নাটিকা। ইয়াত কবিতা কুমাৰে সোণপখিলীক বিচাৰি ফুৰিছে। সোণপখিলী সৌন্দৰ্য্য আৰু আনন্দৰ প্ৰতীক। কলা-সাধনাৰ জৰিয়তে কেনেদৰে চৰম আনন্দ লাভ কৰিব পাৰি সেই কথাকেই ‘সোণ-পখিলীত’ দেখুওৱা হৈছে। জ্যোতিপ্ৰসাদৰ ‘খনিকৰ’ নাটখনো তাৎপৰ্যপূৰ্ণ। ইয়াত তেওঁ অসমীয়া সমাজত শিল্প সৃষ্টিৰ প্ৰকৃত পৰিৱেশৰ অভাৱৰ ছবি এখন দাঙি ধৰাৰ লগে লগে বিভ্ৰান্ত ৰুচি আৰু বিকৃত শিল্প ভাৱনাৰো ত্ৰুটি দেখুৱাইছে।

জ্যোতিপ্ৰসাদৰ ‘লভিতা’ নাটখন এটা বিশেষ উপলব্ধিৰ ফল। সৰলতা যে এক শুভ শক্তি আৰু ই অন্যায় প্ৰতিৰোধৰ দ্বাৰা জাতি এটাৰ ভৱিষ্যত গঠনৰ প্ৰয়োজন পূৰ্ণ কৰিব পাৰে সেই বিশ্বাস ইয়াত প্ৰকট। নাটকখনৰ নাৰী চৰিত্ৰটো অনন্যা। সাম্ৰাজ্যবাদ, সামন্তবাদক তাই হেলাৰঙে নেওচা দি সৰল ভাৱে দেশপ্ৰেম প্ৰকাশ কৰিছে। তাই দেখুৱাইছে পৃথিৱীত নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ অসমীয়া সমৰ্থ।

জ্যোতিপ্ৰসাদৰ শিল্প চেতনা অথবা ক’ব পাৰি তেওঁৰ অন্তৰ সংস্কৃতিৰ বিকাশৰ দিশটো কেনে ধৰণে ধাবিত হৈছিল তেওঁৰ কবিতাত, তেওঁৰ গানত, তেওঁৰ পদ্যত, তেওঁৰ উপন্যাসত পূৰ্বকালৰ বিৱৰ্তন ঘটিছে; কিন্তু প্ৰধান ক’লা নাট সমূহত এই বিৱৰ্তনৰ ইঙ্গিত বাৰু পোৱা যায় নে ? জন মনৰ কাৰুণ্যৰ স্পৰ্শত জ্যোতিপ্ৰসাদৰ পূৰ্ব ক’লাৰ যি বিৱৰ্তন ঘটিছে সেয়া নাট সমূহতো স্পষ্ট। ‘নিমাতী কইনা’ত ৰূপক ৰূপত, ‘লভিতা’ত কঠোৰ বাস্তৱৰ ৰূপত এই বিৱৰ্তন পৰিলক্ষিত হৈছে। উষা-অনিৰুদ্ধৰ মিলনত আৰু নিমাতী কইনা ৰূপকোঁৱৰৰ মিলনৰ মাজৰ কালছোৱাত নাট্যকাৰৰ শিল্প চেতনাৰ বিৱৰ্তন স্পষ্ট। উষা-অনিৰুদ্ধৰ মিলনত এটা কাল্পনিক সন্তুলন আছে; তাত নাট্যকাৰৰ আগ বয়সৰ কল্পনা আৰু পৌৰাণিক কাহিনীৰ অতি বাস্তৱতাৰ সৰলতাৰ মাজত সমতা আছে। সুন্দৰ কোঁৱৰ আৰু শেৱালীৰ প্ৰেম সামাজিক অনাচাৰৰ দ্বাৰা বাধা প্ৰাপ্ত হৈ সুন্দৰ কোঁৱৰ জটিল পৰিস্থিতিৰ সন্মুখীন হ’বলৈ বাধ্য হৈছে, শেৱালীয়ে আত্মহত্যা কৰিছে। আচলতে ‘কাৰেঙৰ লিগিৰী’ নাটৰ জৰিয়তেহে জ্যোতিপ্ৰসাদে প্ৰথমবাৰৰ বাবে ধূলি ধূসৰিত পৃথিৱীৰ মানুহৰ তেজ মঙহৰ সমস্যালৈ দৃষ্টি নিক্ষেপ কৰে। জ্যোতিপ্ৰসাদৰ জীৱনকালত অসমীয়া সমাজলৈ অহা দ্ৰুত পৰিৱৰ্ত্তনৰ সাক্ষ্যও এই নাটকে বহন কৰে। কোনো কোনোৰ মতে ‘কাৰেঙৰ লিগিৰী’ নাটখন নাট্যকাৰৰ ব্যক্তিগত জীৱনৰ এটি অভিজ্ঞতাৰ কৰুণ সোঁৱৰণী।

মুঠতে নাট্যশিল্পী হিচাপে জ্যোতিপ্ৰসাদ অসমীয়া নাট্য সাহিত্যত অনন্য। মৌ মাখিয়ে বিভিন্ন ফুলৰ পৰা মৌ গোটাই এটোপাল মৌ ৰস সৃষ্টি কৰাৰ দৰে জ্যোতিপ্ৰসাদেও বিভিন্ন উৎসৰ পৰা বিষয়বস্তু সংগ্ৰহ কৰি তেওঁৰ শিল্পীমনৰ কাৰখানাত সৃষ্টি কৰি উলিওৱা প্ৰতিখন নাটেই একোটোপাল ৰহস্যময় সৃষ্টিৰ মৌ-মিঠা সম্পদ স্বৰূপ। ❑

# অসমৰ মীন ক্ষেত্ৰৰ

## উন্নয়ন সম্পৰ্কত

যদিও অসমৰ অধিকাংশ মানুহৰ বাবে মাছ প্ৰিয় খাদ্য, আমাৰ ঘৰুৱা উৎপাদনে (প্ৰায় ১.৬ লাখ টন বছৰি) চাহিদা পূৰণ কৰিবলৈ অক্ষম আৰু সেয়ে অন্য ৰাজ্যৰ পৰা মাছ আমদানি কৰোঁতে বছৰি প্ৰায় ২০০ কোটি টকা ৰাজ্যৰ পৰা ওলাই যায়।

মহম্মদ মুক্তাৰুজ্জামান
স্নাতক (বিজ্ঞান) ৩য় বৰ্ষ

অসম সহ উত্তৰ-পূৰ্বাঞ্চল মৎস্য সম্পদৰ বৈচিত্ৰত চহকী আৰু এক সম্ভাৱনাপূৰ্ণ অঞ্চল। পৰিতাপৰ বিষয় এয়ে যে প্ৰাকৃতিক প্ৰাচুৰ্যৰ মাজতো সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল অৰ্থনৈতিক দিশত এতিয়াও অনগ্ৰসৰ হৈয়েই আছে। চৰকাৰী পঞ্জীয়ন মতে কেৱল আমাৰ শিক্ষিত নিবনুৱাৰ সংখ্যাই পোন্ধৰ লাখ চেৰাই গৈছে। কৰ্মসংস্থানৰ অভাৱত আৰু চৰকাৰী নীতিৰ দৈন্যতাৰ পৰিণতিত এচাম শিক্ষিত নিবনুৱাই হতাশাত ভু গি আছে - কিছুসংখ্যকে অনৈতিক, সমাজবিৰোধী কিম্বা সন্ত্ৰাসবাদী শক্তিৰ ক্ৰীড়নকত পৰিণত হৈছে। অথচ অসমৰ জলসম্পদক বৈজ্ঞানিক ভিত্তিত মাছ আৰু মাছজাতীয় উপাদেয় প্ৰাণীৰ খেতিৰ বাবে ব্যৱহাৰৰ জৰিয়তে স্থানীয় চাহিদা পূৰণ কৰাৰ লগতে কৰ্ম-উন্মুখ যুৱক-যুৱতীসকলক সংস্থানৰ সুযোগ দিয়াৰ উপৰিও ৰাজ্যখনৰ অৰ্থনৈতিক ভেটিকো শক্তিশালী কৰিব পাৰি।

বাণিজ্যিক দৃষ্টিকোণৰ পৰা মৎস্যক্ষেত্ৰৰ সম্ভাৱনাক বাস্তৱ ৰূপ দিয়াৰ বাবে মাছ উৎপাদনৰ অঞ্চলৰ সম্প্ৰসাৰণ ঘটোৱা, বিপন্ন প্ৰজাতি সহ ৰাজ্যখনৰ বৈচিত্ৰ্যময় মাছৰ প্ৰজাতি সংৰক্ষণ কৰা, বৈজ্ঞানিক ভিত্তিত পাম স্থাপন কৰি মৎস্য উৎপাদনত উদ্‌গনি দিয়া আৰু ব্যৱসায় ভিত্তিত সফলতা অৰ্জনৰ উদ্দেশ্যে বাণিজ্যিক মৎস্যকৰ্ষণৰ শিক্ষা, প্ৰশিক্ষণ আৰু উৎসাহ দানৰ ৰাজহুৱা ব্যৱস্থাৰ আৱশ্যক। ব্ৰহ্মপুত্ৰ আৰু বৰাক আৰু উপনৈসমূহ, জান-জুৰি, পুখুৰী, বিল, জলাশয়, পিটনি, দ-পথাৰ সহ অসমত পৰ্যাপ্ত মাছ প্ৰতিপালন কৰিব পৰা অঞ্চল আছে। নৈ, বিল আদিৰ পৰা আমি যিয়ে যেনেকৈ পাৰো মাছ ধৰিব লাগিছো, পুখুৰীত পোনা মেলিছো যদিও কিমান মেলিব লাগে, পুখুৰীৰ পানীৰ গুণাগুণ মেলি দিয়া মাছৰ বৃদ্ধিৰ বাবে অনুকূল হয় নে নহয় ইত্যাদি দিশবোৰ আমি আজিও উপেক্ষা কৰি আহিছো। ফলত হতাশাই আমাৰ লগ নেৰা হৈছে।

বন্যা বিধৌত ৰাজ্যখনৰ বিলবোৰৰ পানী আম্লিক হ'লেও সেই বোৰ মৎস্য পালনৰ বাবে উপযোগী। অৱশ্যে মেটেকা আৰু আন কেতবোৰ অপতৃণে কিছুমান বিলক ভাবুকিৰ সৃষ্টি নকৰাকৈ থকা নাই। প্ৰাকৃতিক আৰু মানৱ সৃষ্ট নানা আহুকাল স্বত্বেও অসমৰ বিলৰ উৎপাদন গড় হিচাবত প্ৰায় ১৭৩ কেঃজিঃ/হেক্টৰ/বছৰ।

**তালিকা - ১ঃ**
অসমত মাছ উৎপাদনৰ অঞ্চলসমূহ

| উৎস | মাটিকালি |
|---|---|
| নদ-নদী | ৫৫০০ কিঃ মিঃ |
| পুখুৰী | ৫১০০০ হেক্টৰ |
| বিল | ১০০০০০ হেক্টৰ |
| পিটনি আৰু দ-অঞ্চল | ১০০০০ হেক্টৰ |
| অন্যান্য জলাশয় | ১৫০০ হেক্টৰ |



উৎপাদিত মাছবোৰৰ ভিতৰত আছে ঘাইকৈ বিভিন্ন প্ৰজাতিৰ কাৰ্প, কেট্‌ফিছ, মুৰেল, ফেদাৰকবেক, বায়ুশ্বাসী মাছ, ইলিচ, মিছামাছ আৰু পুঠি সহ সানমিহলি মাছ। মুখ্য প্ৰজাতিৰ মাছৰ ক্ৰমবৰ্দ্ধমান উৎপাদন হ্ৰাস আৰু গৌণ আৰু অপ্ৰবাসী মাছৰ ক্ৰমবৰ্দ্ধমান উপস্থিতি অসমৰ মীনমহলবোৰত এতিয়া পৰিলক্ষিত হোৱা সাধাৰণ ছবি। আমাৰ নদীবোৰৰ উৎপাদন গড়ে ২০-২৫ কেজি/হেক্টৰ/বছৰ। মাছধৰাৰ যথোপযুক্ত সা-সঁজুলিৰ অভাৱত ব্ৰহ্মপুত্ৰৰ মৎস্যসম্পদ অসমে এতিয়াও বাণিজ্যিক ভিত্তিত আহৰণ কৰিব পৰা নাই। নৈ, জান-জুৰি আদিতো বৈজ্ঞানিক পদ্ধতিত মাছৰ পোনা মেলি দিয়া, সংৰক্ষণৰ ব্যৱস্থা লোৱা, প্ৰদূষণ প্ৰতিৰোধ কৰা আদি সমস্যা দূৰ কৰাত মনোযোগ দিয়া হোৱা নাই। বান্ধ আৰু অন্যান্য জলাশয়বোৰতো মাছ খেতিত আৱশ্যকীয় গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। পোনা উৎপাদনৰ অৰ্থে সম্প্ৰতি ব্যক্তিগত খণ্ডত ঠায়ে ঠায়ে ইক'-হেছাৰী খোলা হৈছে যদিও সেইবোৰে চাহিদা পূৰ্ণ ৰূপত পূৰণ কৰিব পৰা নাই।

যদিও অসমৰ অধিকাংশ মানুহৰ বাবে মাছ প্ৰিয় খাদ্য, আমাৰ ঘৰুৱা উৎপাদনে (প্ৰায় ১.৬ লাখ টন বছৰি) চাহিদা পূৰণ কৰিবলৈ অক্ষম আৰু সেয়ে অন্য ৰাজ্যৰ পৰা মাছ আমদানি কৰোঁতে বছৰি প্ৰায় ২০০ কোটি টকা ৰাজ্যৰ পৰা ওলাই যায়। আমাতকৈ তুলনামূলকভাবে অসুচল অৱস্থাত থকা স্বত্বেও অন্ধ্ৰপ্ৰদেশ, পশ্চিমবংগ, বিহাৰ, উত্তৰ প্ৰদেশ আদি ৰাজ্যত সু-ব্যৱস্থাপনাৰে বৈজ্ঞানিক পদ্ধতিত মাছ খেতি কৰি উৎপাদন বহুখিনি বৃদ্ধি কৰাটো লক্ষণীয়। বিশেষকৈ চুবুৰীয়া পশ্চিমবংগই বিগত দুটা দশকত মৎস্যক্ষেত্ৰত অৰ্জন কৰা সাফল্যই গ্ৰাম্য অৰ্থনীতিত জোৱাৰ অনাৰ লগতে বহুতৰে বাবে আদৰ্শৰ সৃষ্টি কৰিছে।

মাছ উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে অসমে বিগত সময়ছোৱাত বিশ্ববেংকৰ সাহায্য লৈছিল, অন্যান্য ঠাইৰ লগতে গোৱালপাৰাৰ উৰপদ বিলতো কামত হাত দিছিল আৰু তেনে পৰিস্থিতিত স্বাভাৱিকতে বহুতে সুনীল বিপ্লৱৰ সপোনো দেখিছিল কিন্তু মূৰকত আঁচনি ক'ৰবাত থাকিল আৰু দুৰ্নীতিৰ প্ৰকোপত পুঁজিৰ অংশ মন্ত্ৰী, আমোলা আৰু ঠিকাদাৰৰ জেপতহে সোমাল। মন্ত্ৰীৰ পৰা আৰম্ভ কৰি আমাৰ মীন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ ক্ষেত্ৰখনৰ যোগাত্মক পৰিৱৰ্ত্তন সধাৰ কোনো আন্তৰিক প্ৰয়াস নাই যেন অনুভূত হয়। নামত মীন আইন আছে যদিও এনে আইন ৰূপায়নৰ প্ৰতি যেন কাৰো ভ্ৰূক্ষেপ নাই। সেয়ে কম পাঁহৰ আঠুৱা জাল গোটেই বছৰ অসমৰ মীন মহলত ব্যৱহাৰ কৰা হয়, গাভিনী মাছ, পোনা মাছ বজাৰত মুকলিকৈ বিক্ৰী হয়, ক্ষতিকৰ বিদেশী মাছ কেতবোৰো অসৰ্তকভাবে পালন কৰা হয়।

অসমৰ সামগ্ৰীক মীন উৎপাদনৰ বৃদ্ধিৰ বাবে শেহতীয়াকৈ দুই-এজন শিক্ষিত যুৱকে হেচাৰী স্থাপন, বৈজ্ঞানিক পদ্ধতিত মাছ প্ৰতিপালন, মিশ্ৰিত পাম স্থাপন, শুকান মাছৰ ব্যৱসায়, একুৱাৰিয়ামৰ ব্যৱসায় আদিত আত্মনিয়োগ কৰাটো ৰাজ্যখনৰ বাবে শুভলক্ষণ। বিচিত্ৰ আলংকৰিক মাছ অসম সহ উত্তৰ-পূৰ্বাঞ্চলত যথেষ্ট পৰিমানে পোৱা যায় আৰু ইয়াৰ এক লাভজনক আৰ্ন্তজাতিক বজাৰো আছে যদিও এই সুবিধাক বৃত্তিৰূপে আমি গ্ৰহণ কৰিব নোৱাৰাটো পৰিতাপৰ বিষয়। আনহাতে আশাৰ কথা অসমৰ মৎস্য ক্ষেত্ৰৰ উন্নয়ণৰ বাবে CIFRI, NBFGR, CIFA, NEC আদি অনুষ্ঠানসমূহেও আগবাঢ়ি আহিছে। কিছুসংখ্যক মহাবিদ্যালয়েও Industrial Fish & Fisheries পাঠ্যক্ৰমৰ যোগেদি সম্ভাৱনায়ময় মৎস্যপালন ক্ষেত্ৰৰ বাবে ছাত্ৰ-ছাত্ৰীক শিক্ষিত কৰাৰ বাবে ব্যৱস্থা লৈছে। অৱশ্যে আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে অসমৰ ৰহাস্থ মীন মহাবিদ্যালয়ৰ উপৰিও দেশৰ বিভিন্ন বিশ্ববিদ্যালয় / শিক্ষানুষ্ঠানত মৎস্যপালন আৰু আনুষংগিক বিষয়ত স্নাতক/স্নাতকোত্তৰ পাঠ্যক্ৰমত অধ্যয়ণ কৰাৰ সুবিধা ল'ব পাৰে। তদুপৰি ব্যৱসায়িক দৃষ্টিত মূল্যৱান মাছ, মিছামাছ, মুকুতা শামুক আদিৰ বিভিন্ন দিশ সামৰি CIFA, CIFE, CIFRI আদি অনুষ্ঠানে দিহা-পৰামৰ্শ দিয়াৰ বাহিৰেও প্ৰতিবছৰে হ্ৰস্বকালীন প্ৰশিক্ষণৰ কাৰ্য্যসূচী গ্ৰহণ কৰে। এইবোৰ সুবিধা গ্ৰহণ কৰিও আমাৰ যুৱক-যুৱতী সকলে নিজৰ সংস্থাপনৰ বাট মোকলোৱাৰ লগতে ৰাজ্যখনৰ অৰ্থনীতিক নতুন গতি দিব পাৰে। ❑

# ধৰ্ম

## আৰু

## ইয়াৰ প্ৰাসংগিকতা



*যিহেতু জীয়াই থকাৰ বাবেহে ধৰ্ম সেয়েহে আমি এনেকুৱা এটা মানসিকতা আনয়ন কৰা উচিত যিয়ে আমাৰ মাজত ভাতৃত্ববোধ পাৰস্পৰিক বুজাপৰা, একতা, শান্তিৰ জুমুঠিটো জ্বলি থকাত সহায় কৰে। ধৰ্ম হওঁক ঔচিত্য আৰু মঙ্গলৰ সমন্বয়।*

**হেমন্ত কলিতা**
**মুৰব্বী প্ৰৱক্তা, দৰ্শন বিভাগ**

বাৰ্টাণ্ড ৰাছেলে কৈছিল –"The life of man is a long march through the invisible foes, tortured by weariness and pain, towards a goal that few can hope to reach and where none may tarry long. অদৃশ্যমান কাঁইটেৰে দুখ জৰ্জৰিত জীৱনৰ বাটত নিজৰ ইপ্সিত উদ্দেশ্যত উপনীত হোৱাৰ দুৰন্ত প্ৰতিযোগিতাত আমি বৰ্তমান প্ৰত্যেকজনেই অত্যাসক্ত তথা অতৃপ্ত। সমাজত বাস কৰা মানেই কোনো সামাজিক আচাৰ ব্যৱহাৰৰ দ্বাৰা প্ৰাত্যহিক। আৰু এই প্ৰাত্যহিক কাৰ্য্যৰ ধাৰণাই ধৰ্ম। ধৰ্ম কি ধৰ্ম কাক বোলে বুলি কোৱাৰ লগে লগে আমাৰ মনত তাৎক্ষণিকভাবে কোনো নিৰ্দিষ্ট সংজ্ঞা দেখা নিদিয়ে তথাপিতো দূৰু দূৰু ভাৱে 'যি ধাৰণা কৰে সিয়ে ধৰ্ম' বুলি মনত ব্যাপ্ত হয়। অৰ্থাৎ ইয়াৰ দুটা মূল ধাৰণা ঃ (ক) যিয়ে ধৰি ৰাখে, (খ) যাক ধৰি ৰাখে। আগৰটোৰ প্ৰাসংগিকতা বিভিন্ন দাৰ্শনিকে বিভিন্ন ধৰণে দিলেও ইয়াৰ পৰিধি কেৱল ঈশ্বৰ, ভগৱান, আল্লা বা তেনেকুৱা কোনো পৰম নৈৰ্ব্যক্তিক সত্ত্বা অথবা কোনো সামাজিক বান্ধোনৰ লগত জড়িত। আনহাতে দ্বিতীয়টোৰ উপাদ্য হ'ব বিশ্বব্ৰহ্মাণ্ডৰ সমস্ত জড়জগত আৰু উদ্ভিদ জগত। ধাৰক আৰু ধাৰণাই হৈছে ধৰ্ম। অৱশ্যে যদিও ধৰ্মৰ ধাৰণা পৰমসত্ত্বা বা সামাজিক বান্ধোন আৰু বিশ্বব্ৰহ্মাণ্ডৰ লগত জড়িত, কাৰ্য্যক্ষেত্ৰত বিস্তৃত আলোচনা কেৱল মানুহৰ মনত ঠাই পোৱা অলৌকিক শক্তিৰ ওপৰত থকা বিশ্বাস, ভয় আৰু তাৰেই প্ৰকৃতিগত আচৰণৰ দ্বাৰা বৌদ্ধিক সত্ত্বাৰ অনুৰণিত হোৱা বিভিন্ন গুঞ্জন। এই বিশ্বাস বা নীতি-নিয়ম কোনে কেনেদৰে গ্ৰহণ কৰিছে বা ইয়াৰ শিপা কিমান দূৰলৈ বিয়পিব পাৰে তাৰ কোনো নিৰ্দ্ধাৰিত ব্যাখ্যা নাই। ধৰ্ম মানুহৰ অঙ্গাঙ্গী। সেয়ে ধাৰ্মিক ব্যক্তিৰ লগত ঈশ্বৰ বিশ্বাস বা অবিশ্বাসৰ কোনো ধৰা বন্ধা নিয়ম নাই।

অৱশ্যে আনুষ্ঠানিক ধৰ্মৰ ব্যাখ্যাত মানুহৰ অস্তিত্বতকৈ অলৌকিক সত্ত্বাৰ অস্তিত্বৰ ওপৰত অধিক গুৰুত্ব দিছে যাৰ ফলত মানুহৰ স্থান লাহে লাহে ইতৰ প্ৰাণীলৈকে অৱৰোহণ হৈছে। ধৰ্ম যেন এটা অৱশ্যাম্ভাৱী অদ্ভূত সত্ত্বা যাৰ আচৰণবিধিত মানুহৰ ব্যক্তিসত্বাৰ আধ্যাত্মিক উৎকৰ্ষ-সাধন হোৱাৰ বিপৰীতে আসুৰিক প্ৰবৃত্তিৰ জিঘাংসাহে প্ৰকট হৈ উঠিছে। ধৰ্ম্মৰ গতানুগতিক ব্যাখ্যাই কেৱল আনুষ্ঠানিক ধৰ্মৰ স্বভাৱ আৰু পৰিসৰৰ ভিতৰতেই আবদ্ধ থাকে। ব্যক্তি ধৰ্মৰ লগত [illegible] ভাৱে সাৰ্বজনীন ধৰ্মৰ



কোনো সম্পৰ্ক নাথাকিলেও ইয়াৰ উদ্যোগত গঢ় লৈ উঠা পাৰস্পৰিক বুজাপৰা আৰু ভাতৃত্ববোধ সাৰ্বজনীন ধৰ্মৰ উপাদান হ'ব পাৰে। সেয়েহে শ্ৰুত ধৰ্ম আৰু প্ৰকাশিত ধৰ্মৰ শৈক্ষিক দিশ আৰু প্ৰয়োজনীয়তা বিশ্বমানৱৰ কল্যাণমুখী ধৰ্মৰ লগত সামগ্ৰিকভাবে আলোচনা কৰা নহয়। আনকি এইবোৰ আনুষ্ঠানিক ধৰ্মৰ বিষয়বস্তুৰ প্ৰতি আমাৰ বিশেষ ক'ব লগা নাই।

" আমাৰ পূজা আজ সমাপ্ত হ'ল
দেৱলোক থেকে মানৱ লোক ।"

ধৰ্ম বিষয়ক লিখনি কেইটামান শাৰীৰ ভিতৰতে আবদ্ধ কৰিব পৰা নাযায়। ইয়াৰ পৰিসৰ আৰু প্ৰয়োজনীয়তা সবিশেষ ভাবে বিশ্লেষন ইয়াত সম্ভৱ নহয়। তথাপিতো সীমিত পৰিসৰৰ ভিতৰত যি বিষয়ত আলোকপাত কৰা হৈছে সেইটো হ'ল- "বৰ্তমান পাৰিপাৰ্শ্বিক অৱস্থাত ধৰ্মৰ প্ৰাসঙ্গিকতা"। ধৰ্মৰ বিভিন্ন সংজ্ঞাত প্ৰতিফলিত হোৱা আৰু আমি আগতে ব্যাখ্যা কৰা ধাৰণাই এইটোকে সুচায় যে ধৰ্ম হৈছে একতা, শান্তি আৰু প্ৰগতিৰ সুত্ৰ। তত্ৰাচ কিছুমান অসাধু ব্যক্তিৰ অযৌক্তিক ধাৰণাৰ পৃষ্ঠপোষকতাত বিভিন্ন সম্প্ৰদায়ৰ মাজত বিভেদৰ বীজ বোপন কৰি সভ্যতাৰ কাঠামোটোকে দোদুল্যমান কৰি তুলিছে।

Dr. S. Radhakrishnan ৰ এযাবি উদ্ধৃতিয়ে অধিক স্পষ্টভাৱে আমাক প্ৰতীয়মান কৰিছে যে -
" Religion as its very name connots, should be the binding force which deepens the solidarity of human society .... Religion therefore preaches not to live alone but to live nobly and unitedly."

জীয়াই থাকিবলৈহে ধৰ্মৰ প্ৰয়োজন। Origin of religion য়েও তাকেই সূচায়। আৰু এই অৰ্থতেই মানুহৰ বাবেহে ধৰ্ম, ধৰ্মৰ বাবে মানুহ নহয়। সেয়েহে ধৰ্মৰ স্বভাৱজাত আচৰণৰ দ্বাৰা পৰিপুষ্ট মানৱতাবাদত কোনো দেৱ-দেৱীৰ অৰ্চনা কৰা নহয়। বুদ্ধিৰ দ্বাৰা কৰ্ষিত পৱিত্ৰ ধাৰণা (Holy ideas) সমূহ অন্তৰাত্মাত উদ্ভাসিত কৰি মানুহৰেই জয়গান গাই এক স্বাভাৱিক মানৱ ধৰ্মৰ আৰ্হি প্ৰস্তুত কৰা আৰু তাৰেই পৃষ্ঠপোষকতাত আশ্ৰিত হৈ এক সনাতন সত্য প্ৰতিষ্ঠা কৰাই মানৱতাবাদৰ লক্ষ্য। J.H. Hick ৰ Philosophy of Religion নামৰ গ্ৰন্থখনতো তেওঁ উল্লেখ কৰিছে যে, " Humanity has been described as a natural religious animal, displaying an innate tendency to experience the environment as being religiously as well as naturally signifi cant and to feel required to live in it as such." সমাজৰ সৰ্বান্তকৰণে গা কৰি উঠা ধৰ্মীয় ব্যভিচাৰৰ দ্বাৰা সাধাৰণ জনগণ ত্ৰাসিত হৈপৰিছে। পবিত্ৰ স্থান জেৰুজালেমকলৈ ইজৰাইল আৰু পেলেস্তাইনৰ যুদ্ধ, বাবৰি মছজিদ আৰু অযোধ্যাকলৈ হিন্দু মুছলমানৰ সংঘাট, চিয়াচেনকলৈ খৃষ্টান পন্থী আৰু ইছলাম পন্থীৰ যুদ্ধ, কাশ্মীৰকলৈ ভাৰতবৰ্ষ আৰু পাকিস্থানৰ ছায়াযুদ্ধৰ উদাহৰণে ধৰ্মৰ বিভৎস ৰূপ ডাঙি ধৰে। এইকেইটা মাত্ৰ দেখা জলন্ত উদাহৰণহে। গোড়া মৌলবাদৰ দ্বাৰা পৰিচালিত জেহাদ অথবা শিলান্যাস স্থাপন প্ৰকৃত ধৰ্মৰ বিচাৰ্য্য বিষয়নে? বিশ্বসুন্দৰী প্ৰতিযোগীতাক লৈ নাইজেৰিয়াত সংঘটিত হোৱা হত্যাকাণ্ড ধৰ্মৰ লগত জড়িত হ'ব লগা হ'লনে? বাবৰি মছজিদ আৰু ৰাম জনমভূমিকলৈ হিন্দু মুছলমানৰ কাজিয়াখনো ধৰ্মৰ যুদ্ধনে? গোধ্ৰাত সাৱৰমতী এক্সপ্ৰেছত জুই লগাই জীৱন্তে বৃদ্ধৰ পৰা কেঁচুৱালৈকে অগ্নি দগ্ধ কৰাটোও ধৰ্মযুদ্ধ নে ধৰ্মীয় উগ্ৰবাদ ? এই পাঠটোৰ প্ৰধান বিচাৰ্য্য হৈছে ধৰ্মই কেনেকৈ মানুহৰ স্বাৰ্থৰ হৈ (আধ্যাত্মিক বিকাশৰ লগতে সাৰ্বজনীন কল্যাণ ) এক সত্ত্বাৰ অধীনত মানৱীয় প্ৰমুল্য সমূহক চিহ্নিত কৰিব পাৰে। ধৰ্মৰ লক্ষণ আৰু কাৰ্য্য সম্পৰ্কে দাৰ্শনিক জৰ্জ

গোড়া মৌলবাদৰ দ্বাৰা পৰিচালিত জেহাদ অথবা শিলান্যাস স্থাপন প্ৰকৃত ধৰ্মৰ বিচাৰ্য্য বিষয়নে? বিশ্বসুন্দৰী প্ৰতিযোগীতাক লৈ নাইজেৰিয়াত সংঘটিত হোৱা হত্যাকাণ্ড ধৰ্মৰ লগত জড়িত হ'ব লগা হ'লনে? বাবৰি মছজিদ আৰু ৰাম জনমভূমিকলৈ হিন্দু মুছলমানৰ কাজিয়াখনো ধৰ্মৰ যুদ্ধনে? গোধ্ৰাত সাৱৰমতী এক্সপ্ৰেছত জুঁই লগাই জীৱন্তেবৃদ্ধৰপৰা কেঁচুৱালৈকে অগ্নি দগ্ধ কৰাটোও ধৰ্মযুদ্ধ নে ধৰ্মীয় উগ্ৰবাদ ?

বৌদ্ধিক পটভূমিত আশ্ৰিত ধৰ্মইহে প্ৰকৃততে মানৱ ধৰ্মৰ যথাৰ্থতা আৰু গুৰুত্ব যথাৰ্থ ভাৱে আগবঢ়াব পাৰে। ঠিক এইভাৱে যদি ধৰ্মৰ ব্যাখ্যা আগবঢ়োৱা হয় তেনে নিশ্চয় সমাজৰ প্ৰচলিত ধৰ্মবিভেদ আৰু ধৰ্মোন্মাদ নাইকিয়া হ'ব আৰু বিশ্বজনীন মানৱ ধৰ্মৰ বাট উন্মুক্ত হৈ পৰিব।

শান্তায়ানাই তেওঁৰ Life of Reason গ্ৰন্থখনত এনেদৰে লেখিছে, আদৰ্শগতভাৱে ধৰ্ম আৰু সত্য একে, ই কেতিয়াও নৈতিকতাৰ বিৰুদ্ধ হ'ব নোৱাৰে কিয়নো নৈতিকতাই সত্য আৰু ধৰ্ম অঙ্গাঙ্গী । শান্তায়ানাই আকৌ কৈছে যে আদৰ্শগতভাৱে ধৰ্মই সমাজ, বিজ্ঞান নাইবা কলাতকৈও অধিক সচেতন আৰু প্ৰত্যক্ষভাৱে যৌক্তিক জীৱনক অনুসৰণ কৰে। সেয়েহে বৌদ্ধিক পটভূমিত আশ্ৰিত ধৰ্মইহে প্ৰকৃততে মানৱ ধৰ্মৰ যথাৰ্থতা আৰু গুৰুত্ব যথাৰ্থ ভাৱে আগবঢ়াব পাৰে। ঠিক এইভাৱে যদি ধৰ্মৰ ব্যাখ্যা আগবঢ়োৱা হয় তেনে নিশ্চয় সমাজৰ প্ৰচলিত ধৰ্মবিভেদ আৰু ধৰ্মোন্মাদ নাইকিয়া হ'ব আৰু বিশ্বজনীন মানৱ ধৰ্মৰ বাট উন্মুক্ত হৈ পৰিব। বৰ্তমান সমাজত গা কৰি উঠা তথাকথিত (আলোচিত হোৱা ধৰ্মৰ অৰ্থৰ লগত অমিল ) ধৰ্মৰ আচৰণে প্ৰত্যেকজন সচেতন ব্যক্তিকে চিন্তান্বিত কৰি তুলিছে। আনুষ্ঠানিক ধৰ্মৰ অন্তঃকলহে বিশ্ববাসীক সংকটাপন্ন কৰি তুলিছে তাত কোনো দ্বিমত নাই । আমি যিমানে উদাৰীকৰণৰ কথা নকওঁ কিয়, ধৰ্মৰ এই সংকীৰ্ণতাই আন্তৰিকভাৱে বিভেদৰ বিশাল ব্যৱধান সৃষ্টি কৰি আৰু ধৰ্মৰ নামত গঢ় লোৱা মনোমালিন্যই সমগ্ৰ মানৱ জাতিকে মৃত্যুৰ গৰাহলৈ লৈ যাব বিচাৰিছে।

এইটো কোৱা নহয় যে অমুক ধৰ্ম ভাল তমুক ধৰ্ম বেয়া কিয়নো প্ৰত্যেক ধৰ্মই মানৱীয় প্ৰমূল্যৰ ভেটিতে প্ৰতিষ্ঠিত হৈছে। লক্ষ্য কৰিলে দেখা যায় হিন্দুধৰ্মৰ উদাৰতা, ইছলাম ধৰ্মৰ শান্তি, খৃষ্টান ধৰ্মৰ একতা, বৌদ্ধ ধৰ্মৰ সত্য ধৰ্মীয় দৃষ্টিভঙ্গীত যথেষ্ট মহান আৰু প্ৰত্যেকৰে কাম্য। কিন্তু আজিৰ সমাজত মূৰ দাঙি উঠা ধৰ্মীয় উগ্ৰতাই তাৰ ধৰ্মীয় সন্ত্ৰাসে জৰ্জৰিত কৰা মানৱ সভ্যতা স্থবিৰ হৈ পৰিছে বুলি ক'লেও অত্যুক্তি কৰা নহয়। কবিগুৰুৱে মানুহক ব্ৰহ্ম, ভগৱান বুলি অভিহিত কৰিছিল; ভূপেন হাজৰিকাদেৱে গানত গাইছিল "মানুহে মানুহৰ বাবে যদিহে অকনো নাভাৱে কোনেনো ভাৱিব কোৱা সমনীয়া বুলি।" "The Religion of Man" গ্ৰন্থত অস্তিত্ববাদী দাৰ্শনিক কিৰ্কেগাৰ্ডৰ দৰে ৰবীন্দ্ৰ নাথ ঠাকুৰেও মানুহৰ সমস্ত ক্লেশ আৰু গ্লানিৰ পৰা মুক্তি বিচাৰিছিল। এই মানৱ প্ৰেমৰ আমোঘ বাণী ৫০০ বছৰ আগতে শ্ৰী চৈতন্যদেৱৰ বৈষ্ণৱ ধৰ্মতো শুনা গৈছিল আৰু তাৰেই বিচ্ছুৰণ ঘটিছিল চণ্ডীদাসৰ কাব্যত। " সবাৰ উপৰে মানুষ সত্য; তাহাৰ উপৰে নাই" । ৰবীন্দ্ৰনাথ ঠাকুৰে কোৱা 'মানৱ ব্ৰহ্মা' উপনিষদৰ 'ব্ৰহ্ম' নহয় অথবা এয়া কোনো ৰক্ত মাংসৰো মানুহ নহয়, এয়া হৈছে মানুহৰ শ্ৰেষ্ঠতম আদৰ্শ ; যি আদৰ্শ প্ৰত্যেক ব্যক্তি সত্বাতে নিহিত আছে। মানুহক বাদ দি আদৰ্শৰ কথা ভাবিবও নোৱাৰি। তেখেতৰ মানৱ ধৰ্ম প্ৰধানতঃ গভীৰ আধ্যাত্মিক উপলব্ধি আৰু সেই উদ্ভুত সত্য অনুৰণিত হৈছে এনেদৰে-

"আমি প্ৰাত্যঃ আমি মন্ত্ৰহীন
সকল মন্দিরের বাহিরে
আমাৰ পূজো আজ সমাপ্ত হ'ল
দেৱলোক থেকে মানৱলোক"

বছৰি বছৰি উলহ মালহেৰে উদ্‌যাপিত হোৱা পৱিত্ৰ বেথেলহামৰ খৃষ্টমাছ দিৱসৰ স্থগিতকৰণে কি সূচায় (29-11-02 , The Assam Tribune)? এনেকৈ উপৰ্য্যুপৰি প্ৰশ্নৰ অৱতাৰণা হ'লেও ইয়াৰ প্ৰকৃত ব্যাখ্যা মৌলবাদীৰ কাণত নপৰে। তেওঁলোকৰ অন্তৰাত্মা কঁপাই তুলিবলৈ কোনো ব্ৰহ্মাস্ত্ৰও নাই যে এক আল্লা, এক ঈশ্বৰ, এক যিচুৰ এই মানৱ সন্তান। মহাত্মা গান্ধীয়ে কৈছিল, "I Cannot find God apart from the rest of humanity"

হিন্দুধৰ্মৰ উদাৰতা, ইছলাম ধৰ্মৰ শান্তি, খৃষ্টান ধৰ্মৰ একতা , বৌদ্ধ ধৰ্মৰ সত্য ধৰ্মীয় দৃষ্টিভঙ্গীত যথেষ্ট মহান আৰু প্ৰত্যেকৰে কাম্য। কিন্তু আজিৰ সমাজত মূৰ দাঙি উঠা ধৰ্মীয় উগ্ৰতাই তাৰ ধৰ্মীয় সন্ত্ৰাসে জৰ্জৰিত কৰা মানৱ সভ্যতা স্থবিৰ হৈ পৰিছে বুলি ক'লেও অত্যুক্তি কৰা নহয়।



কোনো ধৰ্মকে নিন্দা কৰা উচিত নহয় বা কোনো ধৰ্ম নিন্দনীয় নহয়। নিন্দনীয় কেৱল ধৰ্মৰ নামত চলা জঘন্য অপৰাধমূলক কাৰ্য্য, ধৰ্মীয় সন্ত্ৰাস।

ঈশ্বৰ আল্লাই ধৰ্ম নহয় বা বক্তৃতাৰ ফুলজাৰিৰে সাম্প্ৰদায়িক চেতনাক উদগাই দিয়া জানো ধাৰ্মিক নহয়। মনৰ পৱিত্ৰতা নাথাকিলে কোনো ব্যক্তি ধাৰ্মিক হ'ব নোৱাৰে। Rhdulf Otto কৈছিল যে ধৰ্ম আৰু সাম্ৰাজ্যলৈ নগৈ সামান্যকণ উপলব্ধি থাকিলেও পৱিত্ৰতাই ধৰ্মক মহত্বৰ পৰা মহত্বতম পৰ্য্যায়লৈ লৈ যোৱাৰ পথ প্ৰশস্ত কৰি তোলে, সেইকথা তেনেই অনুমেয় হৈ পৰে । ধৰ্মৰ গূঢ়াৰ্থ (Essence of Religion) ধৰ্মভেদে বেলেগ বেলেগ হ'ব নোৱাৰে । সেই সহজ সৰল ধাৰণাকে বৌদ্ধিক চিন্তাৰ দ্বাৰা হৃদয়ঙ্গম কৰিব নোৱাৰিলে 'ধৰ্ম' বহুক্ষেত্ৰত আৱেগিক চিন্তাৰ প্ৰাণকেন্দ্ৰ হৈ পৰে। আৰু ই সমাজত অতিকৈ স্পৰ্শকাতৰ বিষয় হৈ পৰে । প্ৰকৃত শিক্ষিত অথবা জ্ঞানী লোকে কিছু তৎপৰতাৰে যদি বিষয়টো সমাজত উত্থাপন নকৰে তেতিয়া হ'লে ইয়ে নিশ্চিত ভাবে সমাজৰ কাৰণে, সমগ্ৰ মানৱ জাতিৰ কাৰণে অভিশাপ হৈ পৰে। ধৰ্মৰ ইতিহাসৰ পৰা আমি এই মত পোষণ কৰিব পাৰো যে ধৰ্ম মানুহৰ সৃষ্ট ধাৰণা; কোনো আৰোপিত ধাৰণা নহয়। যিহেতু জীয়াই থকাৰ বাবেহে ধৰ্ম সেয়েহে আমি এনেকুৱা এটা মানসিকতা আনয়ন কৰা উচিত যিয়ে আমাৰ মাজত ভাতৃত্ববোধ, পাৰস্পৰিক বুজাপৰা, একতা, শান্তিৰ জুমুঠিটো, জ্বলি থকাত সহায় কৰে। ধৰ্ম হওঁক ঔচিত্য আৰু মঙ্গলৰ সমন্বয়। সমাপ্তিত বাৰ্ট্ৰাণ্ড ৰাছেলৰ আন এযাৰি উদ্ধৃতিৰ প্ৰাসঙ্গিকতা অনুভৱ নকৰি নোৱাৰিলো, "Man creates God all powerfull and all good the mystic unity of what is and what should be". ❑



নাওঁ মোৰ নিজান ঘাটত,
হৃদয় শলিতা জ্বলে অপেক্ষাৰ অন্ধকাৰত

# কোচ-ৰাজবংশী লোক-সংস্কৃতিত বিহু

*আজিকালি পশ্চিমীয়া সংস্কৃতিৰ আগ্ৰাসনত সংস্কৃতি অপ-সংস্কৃতিৰ বুকুত জাহ যাবলৈ আৰম্ভ কৰিছে। সভ্যতা জীয়াই থাকে সংস্কৃতি-কৃষ্টিৰ জীৱন ৰেখাত। এইবোৰৰ ধ্বংস বা অব্যৱহাৰে সমূহ জাতিটোকে অস্তিত্ব বিলীন কৰিব বুলি আশংকা হয়।*

**যশোবন্ত ৰায়**
**প্ৰৱক্তা, বুৰঞ্জী বিভাগ**

বৃহত্তৰ অসমীয়া সংস্কৃতিৰ মেৰুদণ্ড স্বৰূপ হ'ল বিহু। এই সংস্কৃতি অসমত বাস কৰি থকা নানা জাতি-উপজাতিৰ বিভিন্ন সংস্কৃতিৰ সমষ্টি। সংস্কৃতি হ'ল সভ্যতাৰ বাহক। কোনো নিৰ্দ্দিষ্ট মানব গোষ্ঠীয়ে সামূহিক ভাবে জীয়াই থাকি ক্ৰমশঃ বৃদ্ধি পোৱাৰ উদ্দেশ্যত যেতিয়া তেওঁলোকৰ স্বকীয়তা আৰু ভাবাদৰ্শ, ৰীতি-নীতি, কাৰ্য্য পদ্ধতি পৰিপোষনৰ বাবে নিৰ্দিষ্ট আদৰ্শক চালিকা শক্তি ৰূপে অনুসৰণ কৰি ঐক্যবদ্ধ হৈ জীৱন নিৰ্বাহ কৰে তাকেই প্ৰকৃতাৰ্থত সংস্কৃতি আখ্যা দিয়া হয়। বিহু তাৰেই ফলশ্ৰুতি। ৰাজবংশী সকলেও অতীজৰে পৰা অসমত বাস কৰি আহিছে। ৰামায়নৰ পৰা আধুনিক ইতিহাসে সাঙুৰি লোৱা কাললৈকে কোচ শব্দই নিৰ্দ্দেশ দিয়া এই জাতিটোৰ অন্তৰ্গত সু-প্ৰাচীন লোক গোষ্ঠীক এটি মহাজাতি বুলি অভিহিত কৰিব পাৰি। নানা পৰিবৰ্ত্তনৰ মাজেদি পৃথিৱীৰ বুকুত কোচ-ৰাজবংশী গোষ্ঠীয়েও নিজস্ব স্বকীয়তা বজাই ৰাখি নিজকে সামাজিক ভাবে জনগোষ্ঠী ৰূপে চিহ্নিত কৰি আছে আৰু বৃহত্তৰ অসমীয়া সমাজ গঠনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে। ৰাজবংশী সকলৰ মাজত ব্যৱহৃত হৈ থকা লোকাচাৰ, লোকগীত, লোকনৃত্য, তন্ত্ৰ-মন্ত্ৰ, খাদ্যাভ্যাস, বিভিন্ন তিথি-প্ৰক্ৰিয়া, ভাষা-উপভাষা, পদ্ধতি আদি বৃহত্তৰ অসমীয়া সংস্কৃতিৰ বাহক ৰূপে ভূমিকা লৈ আহিছে তাত দ্বিমত নাই।

কৃষিজীৱী অসমীয়া জন-জীৱনত বিহুৰ যিদৰে তাৎপৰ্য্য আছে ঠিক সেইদৰে ৰাজবংশী জন-জীৱনতো বিহুৰ সমানে গুৰুত্ব আছে। তিনিওটা অসমীয়া জাতীয় উৎসৱ (বিহু) যেনে - ভোগালী, ৰঙালী আৰু কাতি বিহুক তাৎপৰ্য্য সহকাৰে পৰিপালন, পোষন কৰি আহিছে । কিন্তু নিজস্ব স্বকীয়তাৰে তাৰেই এটি অৱলোকন এই চমু প্ৰৱন্ধৰ জৰিয়তে দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

ভোগালী বিহুক ৰাজবংশী জনগোষ্ঠীয়ে 'পুযোনা' বুলি পালন কৰে। (অৱশ্যে অঞ্চল ভেদে ই পৰিবৰ্ত্তিত ৰূপ গ্ৰহণ কৰিব পাৰে) পুহ মাহৰ সংক্ৰান্তি অৰ্থাৎ মাহৰ শেষ দিনৰ পৰা আৰম্ভ হৈ মাঘ মাহৰ দুই/তিনি দিনলৈ ই চলি থাকে বিভিন্ন কাৰ্য্যসূচী সম্বলিত ভাবে। এই বিহুত মুনিহ-তিৰোতা, ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ী সকলোৱে সমানে উলহ-মালহৰে অংশ গ্ৰহণ কৰে। উল্লেখযোগ্য যে পুহ মাহটোক ৰাজবংশী উপ-ভাষাত 'পৌষ' বুলি জনা যায় আৰু এই পৌষৰ পৰাই 'পুযোনাৰ' প্ৰচলন হৈছে। এই বিহুত উৰুকাৰ কেইদিনমান আগৰ পৰাই কৃষি চপোৱা কাম সাং কৰি ওচৰৰ পাহাৰলৈ গৈ বাৰীৰ পৰা বাহৰ মুৰা উভালি, ধানৰ খেৰৰ দ্বাৰা উৰুকাৰ ৰাতিৰ বাবে 'ভেলাঘৰ' সাজি ৰাতি 'লাখল ভাত' খাই ৰং ৰহইচেৰে গোটেই ৰাতিটো উজাগৰে থাকি চল পুৱাতে গা-পা ধুই ভেলাঘৰত জুঁই লগাই দিয়ে। ভেলা ঘৰ বা মেজি ঘৰৰ আকাশ স্পৰ্শী জুঁইৰ শিখাই বলিষ্ঠ জাতিৰেই ইঙ্গিত দিয়ে। উল্লেখযোগ্য যে কিছুমান অঞ্চলত ভেলাঘৰ জ্বলাই দিয়া দহ/বাৰ দিন পাছত লাখল ভাত (লোকভাত বা আজিকালি ভোজভাত খায়। লোক বিশ্বাস যে ভেলাঘৰৰ জুঁইৰ লগে লগে কৰা বাহৰ শব্দত কৃষকৰ বছৰ জুৰি ভোগ কৰি থকা দুখ-দুৰ্দ্দশা, বেমাৰ-আজাৰ আদি পলাই পত্ৰং দিয়ে। টোপোলা ভাত ভোগালী বিহুৰ অন্যতম আকৰ্ষণ। গুড় পিঠা দৈৰ লগতে এই ভাতৰো বিশেষ তাৎপৰ্য্য ৰাজবংশী সংস্কৃতিয়ে বহন কৰি আহিছে। বড়া চাউল, কলপাতেৰে সৰু সৰু টোপোলা কৰি চহাই লৈ এই ভাত তৈয়াৰ কৰা হয়। ইয়াক 'সিমা ভাত' বুলিও কোৱা হয়। সিজা টোপোলাবোৰ ঠাণ্ডা হোৱাৰ পাছত বিশেষ স্বাদ যুক্ত হৈ পৰে আৰু ইয়াক ডেকা-গাভৰু সকলোৱে গ্ৰহণ কৰে।

গৰু বিহুৰ দিনা গৰু বিলাকক গা ধুঁৱাই তেল সনাৰ পাছত ফুলৰ মালা, ফোট পিন্ধাই বিশেষ নিমখীয়া পিঠা খুওৱাৰ ব্যৱস্থা কৰা হয়।

'আঠকড়াই'ৰ ব্যৱহাৰ ৰাজবংশী জনগোষ্ঠীৰ পুযোনা বা ভোগালী বিহুত বিশেষ ভূমিকা গ্ৰহণ। অৱশ্যে কামৰূপ আৰু আজিকালিৰ গোৱালপাৰা জিলাত ইয়াৰ প্ৰয়োগ বহাগ বিহুতহে কৰা দেখা যায়। আঠ বিধ মাহৰ দ্বাৰা ভাজি লৈ প্ৰস্তুত কৰা এই বিধ কড়াই ৰাজবংশী জনগোষ্ঠীৰ ভোগালী বিহুৰ অন্য এক স্বকীয়তা ।

পুযোনা বা ভোগালীৰ পিছতে আহে বিশুৱা (বহাগ বিহু)। এই বিহুৰ প্ৰথম দিনা ৰাতিপুৱাতে গা-ধুই বেতৰ পাত, বিষ ঢেকীয়া পাত, বাসকতিতাৰ পাত (বাস্কা তিতা) বিষ কুটুলিৰ পাত, কান সিচা (দ্ৰোণ) ভেট মালিৰ পাত, দীঘলতীৰ পাত আদি একেলগ কৰি তাৰ পানী গোটেই ঘৰ বিলাকত চটিয়াই দি প্ৰত্যেক ঘৰৰ দুৱাৰৰ ওপৰত ওলোমাই ৰখা হয় যাতে মানুহৰ তথা বেয়া ৰোগ বীজানুৰ পৰা পৰিয়াল, গৰু-ম'হ ইত্যাদি ৰক্ষা পৰে। দুপৰীয়া সাজত আকৌ সাত বিধৰ শাক-পাচলি গোটাই আঞ্জা কৰি খোৱা হয়। অৰ্থাৎ নতুন বছৰৰ আৰম্ভনীতে গোটেই বছৰটোৰ বাবে যাতে কোনো এটা বস্তু বাদ পৰি নাযায় তাৰ বাবে ব্যৱস্থা কৰা হয়। তাল পাতৰ বিছনী, খেতিয়কৰ নাঙল-যুঁৱলী আদি কৰি কৃষিৰ সা-সৰঞ্জাম সমূহক ধুই নিকা কৰি কলপাতৰ ওপৰত ৰাখি ৰ'দত শুকোৱাৰ প্ৰথা এই গোষ্ঠীৰ বিশুৱাৰ অন্যতম বৈশিষ্ট্য। আনহাতে গৰু হালক গা-ধুৱাই উপযুক্ত খাদ্যৰ যোগান ধৰা হয়।

কাতি বিহু বা কঙালী বিহুৰ দোমাহীৰ দিনা তুলসী গছৰ গুড়িত বন্তি জ্বলোৱাৰ উপৰিও খেতি পথাৰত কৃষকে আকাশ বন্তি জ্বলাই দুডাল লোহাৰ মাৰিৰে শব্দ কৰি এই বুলি গায় —

দৌল দৌল
আনৰ ধান আউল বাউল
আমাৰ ধান গোটা চাউল ।
আকৌ -
আনৰ ভাণ্ডাৰ লৰে চৰে
আমাৰ ভাণ্ডাৰ ঠাইতে ভৰে ।।

ইয়াৰ দ্বাৰা ইয়াকে বুজা যায় যে- তেওঁলোকে (খেতিয়কে) আনৰ খেতিত কৈ নিজৰ খেতি ভাল হোৱা আশা কৰে আৰু ইয়াতে গাৱলীয়া কৃষকে বিচাৰি পায় নিজৰ কৰ্মৰ সন্তুষ্টি আৰু প্ৰেৰণা তথা পৰম শান্তি।

এইদৰে দেখা যায় যে অসমত বিশেষ পশ্চিম প্ৰান্তৰ (অবিভক্ত গোৱালপাৰা জিলাৰ) প্ৰায় সকলো ঠাইতে ৰাজবংশী জনগোষ্ঠীয়ে বিহুবোৰ নিজস্ব ভঙ্গীমাত পালন কৰি বৃহত্তৰ অসমীয়া সাংস্কৃতিক জন-জীৱনত বিশেষ ভূমিকা পালন কৰি আহিছে।

কিন্তু পৰিতাপৰ বিষয় এই যে আজিকালি পশ্চিমীয়া সংস্কৃতিৰ আগ্ৰাসনত সংস্কৃতি অপ-সংস্কৃতিৰ বুকুত জাহ যাবলৈ আৰম্ভ কৰিছে। সভ্যতা জীয়াই থাকে সংস্কৃতি-কৃষ্টিৰ জীৱন ৰেখাত। এইবোৰৰ ধ্বংস বা অব্যৱহাৰে সমূহ জাতিটোৱে অস্তিত্ব বিলীন কৰিব বুলি আশংকা হয়। নিজক হে'ৰুৱাই আনক সন্তুষ্ট কৰিব গ'লেই এনে বিপদ আহে। শেষত এজন মহাপুৰুষৰ উক্তিৰে সামৰিছো।

Do never die
nor cause death
but resist death
to death. ❑

# পায়নিয়াৰ সাঁথৰ

পায়নিয়াৰ সাঁথৰ এতিয়া জ্যোৰ্তি বিজ্ঞানত এটা অতি গুৰুত্বপূৰ্ণ গৱেষণাৰ বিষয়। ইজৰাইলৰ ৱাইজমেন গৱেষণা কেন্দ্ৰৰ অধ্যাপক ম'ৰডেহাই মিলগ্ৰোমৰ নেতৃত্বত এদল বিজ্ঞানীয়ে যুক্তি আগবঢ়াইছে যে পায়নিয়াৰ সাঁথৰৰ উত্তৰ পাবলৈ হ'লে সম্ভৱতঃ আমি নিউটনৰ গতিৰ সূত্ৰ আৰু মহাকৰ্ষণৰ সূত্ৰ পৰিৱৰ্তন কৰিব লাগিব। পদাৰ্থ বিজ্ঞানৰ এই ধাৰাটোক মন্দ MOND (Modified Newtonian Dynamics) বুলি কোৱা হয়।

**ৰঞ্জিত চৌধুৰী**
**প্ৰৱক্তা, পদাৰ্থ বিজ্ঞান**

আমি আটায়ে জানো যে ১৯৭২ চনৰ ২ মাৰ্চ আৰু ১৯৭৩ চনৰ ৪ ডিচেম্বৰত পৃথিৱীৰ পৰা মহাকাশলৈ পায়নিয়াৰ-১০ আৰু পায়নিয়াৰ-১১ নামৰ দুখন মহাকাশযান পঠিওৱা হৈছিল। এই মহাকাশযান দুখন পঠিওৱাৰ আঁচনিটো কৰিছিল বিখ্যাত বিজ্ঞানী আৰু জনপ্ৰিয় লেখক কাৰ্ল চেগানে। গণিত, জ্যামিতিক চিত্ৰ আৰু মানৱ শৰীৰৰ ছবিৰ জৰিয়তে পৃথিৱী আৰু মানৱ সভ্যতাৰ বিষয়ে বিভিন্ন তথ্য মহাকাশযান দুখনৰ বেৰত বাহিৰফালে আঁকি দিয়া হৈছিল। ইন্ধন হিচাপে ব্যৱহাৰ কৰা হৈছিল তেজষ্ক্ৰিয় প্লুট'নিয়াম। এই অভিযান দুটা এই আশা কৰিয়েই কৰা হৈছিল যে বিশাল মহাকাশত কোনো ভিন গ্ৰহৰ জীৱে কিবাপ্ৰকাৰে যদি এই যান দুখন লগ পায়, তেন্তে তেওঁলোকে পৃথিৱীবাসীৰ বিষয়ে বহু কথা জানিব পাৰিব আৰু ইয়াৰ জৰিয়তে তেওঁলোকৰ সৈতে পৃথিৱীবাসীৰ এক সম্পৰ্ক স্থাপন হ'ব পাৰে। বহিঃবিশ্বত প্ৰাণীৰ সন্ধানত এয়া আছিল যথেষ্ট অভিলাসী আঁচনি।

পায়'নিয়াৰ-১০ হ'ল প্ৰথম মহাকাশযান যিয়ে বৃহস্পতি গ্ৰহৰ ওচৰেৰে পাৰ হৈ গৈছে। আৰু বৃহস্পতি আৰু শনি দুয়োটা গ্ৰহৰ ওচৰেৰে পাৰ হৈ যোৱা প্ৰথমখন মহাকাশযান হ'ল পায়'নিয়াৰ-১১। দুয়োখন যানেই ইতিমধ্যে আমাৰ সৌৰজগতৰ সীমা পাৰ হৈ গৈছে। ১৯৯৫ চনৰ পৰা 'নাছা'ই যান দুখনৰ সৈতে সম্পৰ্ক বাদ দিছে আৰু তেনেকুৱা আশাকৰা ধৰণৰ কোনো খবৰ আমি পোৱা নাই। কিন্তু সম্পূৰ্ণ বেলেগ কাৰণত বৰ্তমানে এই যান দুখনে বিজ্ঞান মহলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। 'নাছা'ই সংগ্ৰহ কৰা তথ্য অনুযায়ী এই মহাকাশযান দুখনে গাণিতিক হিচাপমতে যিমান বেগত গৈ থাকিব লাগিছিল তাতকৈ কম বেগত গৈ আছে। এই হিচাপ মতে বৰ্তমান পায়'নিয়াৰ-১০ মহাকাশ যানখন য'ত থাকিব লাগিছিল তাতকৈ প্ৰায় ৪ লাখ কিঃ মিঃ পিছুৱাই আছে। ইউৰেনাছ আৰু নেপচুনৰ মাজত থকা সময়তেই আচলতে পায়নিয়াৰ-১০ যানখনৰ গণনা মতে হ'বলগীয়া অৱস্থান আৰু প্ৰকৃত অৱস্থানৰ মাজত পাৰ্থক্য স্পষ্ট হৈ পৰিছিল।



পায়নিয়াৰ সাঁথৰ এতিয়া জ্যোৰ্তি বিজ্ঞানত এটা অতি গুৰুত্বপূৰ্ণ গৱেষণাৰ বিষয়। ইজৰাইলৰ ৱাইজমেন গৱেষণা কেন্দ্ৰৰ অধ্যাপক ম'ৰডেহাই মিলগ্ৰোমৰ নেতৃত্বত এদল বিজ্ঞানীয়ে যুক্তি আগবঢ়াইছে যে পায়নিয়াৰ সাঁথৰৰ উত্তৰ পাবলৈ হ'লে সম্ভৱতঃ আমি নিউটনৰ গতিৰ সূত্ৰ আৰু মহাকৰ্ষণৰ সূত্ৰ পৰিৱৰ্তন কৰিব লাগিব। পদাৰ্থ বিজ্ঞানৰ এই ধাৰাটোক 'মন্দ' MOND(Modified Newtonian Dynamics) বুলি কোৱা হয়। প্ৰচলিত নিউটনীয় ধাৰণামতে কোনো এটা বস্তুৰ বেগৰ পৰিৱৰ্তনৰ হাৰটো লক্ষ্য কৰি আমি তাৰ ওপৰত প্ৰয়োগ হৈ থকা বলৰ পৰিমাণটো উলিয়াব পাৰোঁ। এটা বস্তুৰ ভৰ যদি 'm' হয় আৰু তাৰ ত্বৰণ (বেগৰ পৰিৱৰ্তনৰ হাৰ) যদি 'a' হয়, নিউটনীয় বিজ্ঞান মতে বস্তুটোৰ ওপৰত প্ৰয়োগ হৈ থকা বল হ'ব 'm x a'। কিন্তু মিলগ্ৰোমৰ ধাৰণামতে এই নিউটনীয় তত্ত্ব এটা নিৰ্দিষ্ট সীমালৈহে শুদ্ধ। সূৰ্যৰ পৰা বহু নিলগত, প্ৰায় $১৫ \times ১০^{১১}$ কিঃ মিঃ নিলগত, য'ত সূৰ্যৰ মহাকৰ্ষণ বল যথেষ্ট কম, তেনেকুৱা ক্ষেত্ৰত বস্তুটোৰ ত্বৰণ লক্ষ্য কৰি বস্তুটোৰ ওপৰত প্ৰয়োগ হৈ থকা বল উলিয়াবলৈ হ'লে সংশোধিত নিউটনীয় ধাৰণাহে প্ৰয়োগ কৰিব লাগিব। এই ধাৰণামতে তেনেকুৱা অৱস্থাত 'm' ভৰৰ বস্তু এটাৰ ত্বৰণ যদি '$a_1$' হয়, তেন্তে তাৰ ওপৰত প্ৰয়োগ হৈ থকা বল হ'ল '$m \times a \times a_1$'। সূৰ্যৰ ওচৰত থাকোতে পায়নিয়াৰ যান দুখনৰ বেগ নিউটনীয় গতি তত্ত্বৰ জৰিয়তে গণনা কৰিব পাৰি। কিন্তু সূৰ্যৰ পৰা বহু নিলগত (সৌৰজগতৰ সীমাৰ ওচৰত) যান দুখনৰ বেগ আৰু তাৰ ওপৰত প্ৰয়োগ হৈ থকা মহাকৰ্ষণিক বল সংশোধিত নিউটনীয় গতিতত্ত্ব MOND ৰ জৰিয়তেহে গণনা কৰিব পাৰিব। ইয়াৰ ফলত যানদুখনে পিছফালে একোটা অতিৰিক্ত টান অনুভৱ কৰে। অৱশ্যে একমাত্ৰ 'পায়নিয়াৰ সাঁথৰ'ক উদ্দেশ্য কৰিয়েই মন্দ সৃষ্টি হোৱা নাই, জ্যোতিৰ্বিজ্ঞানৰ আন কিছুমান ক্ষেত্ৰতো ই প্ৰৱেশ কৰাৰ চেষ্টা কৰিছে। উদাহৰণ স্বৰূপে বহুচৰ্চিত 'Dark matter' ৰ ধাৰণাটো অস্বীকাৰ কৰিছে।

MOND ৰ ধাৰণা আকৰ্ষণীয় হ'লেও সমালোচনা মুক্ত নহয়। বিজ্ঞানীসকলে আন ধৰণেও এই সাঁথৰ ভাঙিবলৈ চেষ্টা কৰিছে। সম্প্ৰতি বিজ্ঞানীৰ দুটা দলে পৃথক পৃথকভাৱে কৰা পৰীক্ষাৰ দ্বাৰা দাবী কৰিছে যে আমাৰ বিশ্বব্ৰহ্মাণ্ডখনৰ প্ৰতিটো তাৰকাপুঞ্জ এটা আনটোৰ পৰা ত্বৰিৎ গতিত (অৰ্থাৎ ক্ৰমাৎ বেছি বেছি বেগত) আঁতৰি গৈ আছে। (প্ৰচলিত ধাৰণামতে বিশ্বব্ৰহ্মাণ্ড মন্থৰিত গতিত প্ৰসাৰিত হৈ আছে)। বহুতে পায়নিয়াৰ সাঁথৰক বিশ্বব্ৰহ্মাণ্ডৰ ত্বৰিত প্ৰসাৰণৰ সৈতে সম্পৰ্ক থকা বুলি ভাবে।

পায়নিয়াৰ ৰহস্য ভেদ কৰাৰ কাৰণে কালিফ'ৰ্ণিয়াৰ পদাৰ্থ বিজ্ঞান আৰু জ্যোতিৰ্বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী বাৰ্ণাড হেইশ্বৰ নেতৃত্বত এদল বিজ্ঞানীয়ে আগবঢ়োৱা তত্বটো হ'ল 'জড়তা হ্ৰাস'ৰ তত্ব। প্ৰচলিত বিজ্ঞানৰ ধাৰণামতে জড়তা হ'ল পদাৰ্থৰ এনেকুৱা এটা অন্তৰ্নিহিত গুণ যিটোৰ কাৰণে ই নিজৰ অৱস্থাৰ পৰিৱৰ্তন কৰিব নিবিচাৰে (উদাহৰণ স্বৰূপে ৰৈ থকা বস্তু এটাই ৰৈ থাকিব বিচাৰে)। কিন্তু বাৰ্ণাড হেইশ্বৰ মতে জড়তা বস্তুৰ অন্তৰ্নিহিত গুণ নহয়। কোৱান্টাম বলবিদ্যা মতে আমি পাওঁ যে সম্পূৰ্ণ খালী ঠাই (Vaccuam) বুলি কোনো বস্তু নাই। সেই খালী ঠাই বিলাকত আচলতে কণা আৰু প্ৰতি কণা (Particle and Anti-particle) ঠাহ খাই থাকে। কণা আৰু প্ৰতিকণাই এটাই আনটোৰ প্ৰভাৱ নোহোৱা কৰি ৰাখে কাৰণে আমি সিঁহতৰ অস্তিত্ব অনুভৱ নকৰো। বাৰ্ণাড হেইশ্বৰ মতে বস্তুৰ জড়তা প্ৰকৃততে এই কণা-প্ৰতিকণা বিলাকৰ মহাকৰ্ষণিক বলৰেই প্ৰকাশ। ভিন্ন অৱস্থাত এই কণা-প্ৰতিকণা বিলাকৰ মহাকৰ্ষণ বল সলনি হয় কাৰণে বস্তুৰ জড়তাৰো সলনি হ'ব পাৰে। এই জড়তাৰ পৰিৱৰ্তনৰ কাৰণেই পায়নিয়াৰ যান দুখন যিটো বেগত গৈ থাকিব লাগিছিল তাতকে কম বেগত গৈ আছে।

এই তত্ববোৰৰ উপৰিও পদাৰ্থ বিজ্ঞানৰ আধুনিক ধাৰণাৰ আধাৰত আৰু গাণিতিকভাৱে জটিল কিছুমান তত্ত্বৰ ওপৰত ভিত্তি কৰিও 'পায়নিয়াৰ সাঁথৰ'ৰ ৰহস্য ভেদ কৰাৰ চেষ্টা চলিছে। কিন্তু কোনোটো তত্বই সম্পূৰ্ণৰূপে সমস্যামুক্ত নহয়। আগত দিনত এই ৰহস্যৰ সমাধানে হয়তো বিশ্বব্ৰহ্মাণ্ডৰ নীতি-নিয়মৰ নতুন দিশ উন্মোচন কৰিব। ❑

'Dark matter' ৰ ধাৰণাটো এনেকুৱা ধৰণৰ। ধৰি লোৱা হওঁক পৃথিৱীৰ ওপৰত থিয় দি আমি শিল এটা ওপৰলৈ দলি মাৰি দিছো। কি বেগত শিলটো তললৈ উভতি আহিব নিউটনৰ মহাকৰ্ষণ সূত্ৰৰ জৰিয়তে আমি তাক গণনা কৰিব পাৰো। কিন্তু শিলটো যদি আমি গণনা কৰা বেগতকৈ বেছি বেগত আহি মাটিত পৰে তাৰ ব্যাখ্যা আমি কেনেদৰে দিম? প্ৰচলিত নিউটনীয় ধাৰণামতে আমি ক'ম যে পৃথিৱীৰ দৃশ্যমান ভৰৰ লগতে কিছু অদৃশ্যমান ভৰো আছে। গতিকে পৃথিৱীৰ মুঠ ভৰ আমাৰ দৃশ্যমান ভৰতকৈ বেছি আৰু সেইবাবে শিলটোৰ ওপৰত পৃথিৱীৰ মহাকৰ্ষণ বল আমি হিচাপ কৰা মহাকৰ্ষণ বলতকৈ বেছি, যাৰ ফলত শিলটো বেছি বেগত আহি মটিত পৰিছে। এই অদৃশ্যমান ভৰখিনিয়েই হ'ল 'Dark matter'। কিন্তু 'MOND' ধাৰণা মতে আমি যদি নিউটনৰ মহাকৰ্ষণৰ সূত্ৰ আৰু গতিৰ সূত্ৰ অলপ সংশোধন কৰি লওঁ তেতিয়া 'Dark matter' ধাৰণাৰ আশ্ৰয় নোলোৱাকৈও আমি শিলটোৰ বৰ্দ্ধিত বেগৰ ব্যাখ্যা দিব পাৰিম।

কোনো এটা ৰাগ শিকাৰ
আগতে তাত ব্যৱহাৰ হোৱা স্বৰ সমূহ
যথেষ্ট পৰিমানে গাব লাগে। প্ৰথমতে,
স্বৰ সমূহ লাহে লাহে গাব লাগে তাৰ
পিছত স্বৰ সমূহ খৰকৈ গাব লাগে।
স্বৰ সংগতি সুন্দৰ ভাৱে কৰিব লাগে।
কোনো অসুবিধা নোহোৱাকৈ যাতে
আমি স্বৰ সমূহ সুন্দৰভাৱে কণ্ঠত
লগাব পাৰো তাৰ কাৰণে আমি স্বৰৰ
ওপৰত গুৰুত্ব দিব লাগে।

---


জয়শ্ৰী দেৱী
স্নাতক দ্বিতীয় বৰ্ষ (কলা)




বাবে সাধনাৰ অতি দৰকাৰ হয়। সাধনাৰ অবিহনে কোনো কলাই সম্পূৰ্ণ আৰু নিপুণ নহয়।

সঙ্গীত গুৰুমুখী শিক্ষা আৰু গুৰু অবিহনে সঙ্গীত হ'ব নোৱাৰে। এজন উপযুক্ত গুৰুৱে এজন ছাত্ৰৰ উপযুক্ত শিক্ষা দি তেওঁক সুন্দৰভাৱে গঢ় দিব পাৰে। গুৰু শিষ্যৰ সম্পৰ্ক অতি মধুৰ হ'ব লাগে। সঙ্গীত সাধনাৰ বাবে প্ৰথমতে কণ্ঠ সাধনা কৰিব লাগিব। কণ্ঠৰ যদি সাধনা কৰা নহয় তেতিয়াহ'লে সঙ্গীত সাধনা কৰা নহয়। কণ্ঠ সাধনাৰ বাবে প্ৰথমতে আমি স্বৰ সাধনা কৰিব লাগে। কিছুমান ৰাগত বাৰটা স্বৰেই লাগে। যেনে- ৰাগ 'পিলু'। কিছুমান ৰাগত সাতটা আৰু কিছুমানত পাঁচটা স্বৰ লাগে। যি ৰাগত যিমানটা স্বৰ লাগে সেই স্বৰকেইটা ভালদৰে আয়ত্ব কৰিব লাগে। স্বৰখিনি সম্পূৰ্ণভাৱে কণ্ঠত অহাৰ পিছত সা-পা স্বৰ দুটা একেলগে বজাই স্বৰ সাধনা কৰিব লাগে। কাৰণ সদায় হাৰমনিয়াম বজাই স্বৰ সাধনা কৰিলে সম্পূৰ্ণভাৱে হাৰমনিয়ামৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিবলগীয়া হয়, তেতিয়া হাৰমনিয়াম নহ'লে গান গাবই নোৱাৰা হৈ পৰে। সদায় হাৰমনিয়াম বজাই স্বৰ অভ্যাস কৰিলে কণ্ঠত মীড়, গমক আদি নাহে। কণ্ঠত বহুতো সৰু-সুৰা ক্ৰটি ৰৈ যায়। সেইকাৰণে কণ্ঠত সম্পূৰ্ণকৈ স্বৰখিনি অহাৰ পিছত তানপুৰা বা হাৰমনিয়ামৰ সা-পা বা সা-মা স্বৰ দুটা ব্যৱহাৰ কৰি সাধনা কৰিব লাগে।

'সা' স্বৰটোৰ ওপৰত প্ৰথমতে গুৰুত্ব দিব লাগে। 'সা'-স্বৰটোক যিমান পাৰি সিমান দীঘলকৈ গাব লাগে।

লগাব পাৰো তাৰ কাৰণে আমি স্বৰৰ ওপৰত গুৰুত্ব দিব লাগে। স্বৰখিনি কণ্ঠত অহাৰ পিছতহে আমি বড়া খেয়াল, ছোটা খেয়াল, তাৰানা আদি গাব লাগে।

সঙ্গীত ইতিহাসত পোৱা যায় ভাৰতীয় শাস্ত্ৰীয় সঙ্গীত বৈদিক কালৰ পৰাই সংস্কৃত শ্লোকৰ মাধ্যমেৰে আৰম্ভ হৈছিল। প্ৰাচীন কালত শাস্ত্ৰীয় সঙ্গীত 'ধ্ৰুপদ' বা 'ধ্ৰুৱপদ' প্ৰধান আছিল। মহা মহা গুণী সকলৰ দ্বাৰা ই প্ৰচাৰলৈ আহিছিল। ক্ৰমান্বয়ে সময়ৰ গতিত মধ্যকালত ৰাগ, ৰাগিনী আৰু আধুনিক কালত ঠাট্-ৰাগৰ সৃষ্টি হয়। বৰ্ত্তমান ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতত দুটি পদ্ধতি প্ৰচলিত যেনে-উত্তৰী সঙ্গীত বা ভাটখাণ্ডে পদ্ধতি আৰু দক্ষিণী সঙ্গীত বা কৰ্ণাটকী পদ্ধতি। ভাৰতৰ দুয়োটি পদ্ধতিয়ে মহত্বপূৰ্ণ । সঙ্গীত সাধনা একান্ত মনে অৰ্থাৎ যেনেদৰে ঈশ্বৰৰ আৰাধনা কৰা হয় তেনেদৰে নিয়মিতভাৱে স্বৰ সাধনাৰ লগতো ৰাগৰ অভ্যাস কৰা অতি প্ৰয়োজন।

সঙ্গীতত তালৰ গুৰুত্ব অধিক। তাল অবিহনে সঙ্গীত কেতিয়াও পূৰ্ণ নহয়। এটা ৰাগত ব্যৱহাৰ হোৱা তালৰ বিষয়ে যদি সঙ্গীত শিকাৰুৰ সম্যক জ্ঞান নাথাকে তেতিয়া তেনে শিক্ষাৰ্থীয়ে কোনো দিনে সঙ্গীত শিকিব নোৱাৰে। তেনে শিক্ষাৰ্থীৰ সঙ্গীত শিক্ষা আধৰুৱা হয়।

তালৰ দৰে লয়ৰো গুৰুত্ব আছে সঙ্গীতত। লয়ৰ হীন-দেঢ়ি হ'লে সঙ্গীতত তাৰ মাধুৰ্যতা নোহোৱা হয়। লয় তিনি প্ৰকাৰৰ। যেনে- বিলম্বিত, মধ্য আৰু দ্ৰুত। বিলম্বিত মানে অতি ধীৰ, মধ্য লয় মানে মাজত আৰু দ্ৰুত মানে খৰ

কণ্ঠক সুন্দৰভাৱে সঙ্গীত উপযোগী কৰিব লাগে। নিয়মিত সাধনা নাথাকিলে কণ্ঠ সুৰলা হ'লেও মধুৰতা আনিব নোৱাৰি। আনহাতে সাধনাৰ দ্বাৰা অসুৰলা কণ্ঠকো সঙ্গীত উপযোগী কৰি তুলিব পাৰি। সঙ্গীত সাধনা সদায় পূজা কৰাৰ দৰে কৰিব লাগে। পূজা কৰিলে সাধাৰণতে আমি গা-পা ধুই, পৱিত্ৰ আৰু ভক্তিমনেৰে যেনেদৰে কৰো ঠিক তেনেদৰে সঙ্গীত সাধনাকো আমি ভক্তি মনেৰে কৰিব লাগে। ক'ৰবালৈ যোৱাৰ আগতে গান গোৱাৰ কৰ্ত্তব্যটো কোনোমতে ডাঙৰৰ গালিৰ পৰা ৰক্ষা পৰাৰ কাৰণে সঙ্গীত সাধনা কৰিলে তাৰপৰা কোনো ফল পোৱা নাযায়। তেনেলোকে কেতিয়াও সঙ্গীতক শ্ৰদ্ধা নকৰে। তেওঁলোকেও সঙ্গীতক একো নিদিয়ে আৰু সঙ্গীতেও

---

কণ্ঠৰ মানদণ্ড নিৰ্ভৰ কৰে সাধনাৰ ওপৰত।
কণ্ঠৰ স্বৰ সাধনাৰ দ্বাৰা আমি আমাৰ কণ্ঠক সুন্দৰভাৱে
সঙ্গীত উপযোগী কৰিব লাগে। নিয়মিত সাধনা
নাথাকিলে কণ্ঠ সুৰলা হ'লেও মধুৰতা আনিব
নোৱাৰি। আনহাতে সাধনাৰদ্বাৰা অসুৰলা কণ্ঠকো
সঙ্গীত উপযোগী কৰি তুলিব পাৰি। সঙ্গীত সাধনা
সদায় পূজা কৰাৰ দৰে কৰিব লাগে।

তেওঁলোকক একো নিদিয়ে।

গতিকে এই সঙ্গীতৰ কাৰণে সাধনাৰ অতি প্ৰয়োজন আছে। এই সাধনা নহ'লে সঙ্গীতৰ বিকাশ নহয়। উপযুক্ত গুৰুৰ অধীনত সঙ্গীতৰ শিক্ষা লৈ কঠিন সাধনাত ব্ৰতী হৈ সফল কলাকাৰ হোৱাৰ বাটত আগবাঢ়িব পাৰি। ভাৰতীয় সঙ্গীত সাধক সকলৰ ভিতৰত তানসেন, হৰিদাস, বৈজু বাৱৰা আদি গুণীজন সকলৰ নাম প্ৰাতঃস্মৰণীয়। কিন্তু আজিকালিৰ যুগত এই সাধনাৰ মূল্য বেছিভাগেই নুবুজে। সকলোৱে কেৱল কেইটামান ৰাগ শিকি পৰীক্ষাত পাছ কৰি ডিগ্ৰী লোৱাই হৈছে মূল উদ্দেশ্য। তাকো পৰীক্ষাত যিমান ৰাগ লাগিব তাৰ আধা ৰাগহে শিকে। কোনটো ৰাগত কি স্বৰ লাগে, সেই ৰাগটোৰ লগত আন এটা ৰাগৰ কি সামঞ্জস্য, কোন সময়ত কি ৰাগ গাব লাগে, ৰাগটোৰ স্বৰ সংগতি কেনে ধৰণৰ, কোন স্বৰৰ ওপৰত বেছি গুৰুত্ব দিব লাগে, কোনটোৰ ওপৰত সিমান বেছি জোৰ দিব নালাগে, আদিবোৰ বহুতো নাজানে, গতিকে এনে পৰিস্থিতিত সঙ্গীত আৰু সঙ্গীত শিকাৰুৰ কোনো উন্নতি হ'ব নোৱাৰে।

সঙ্গীতৰ দ্বাৰা আমি আনন্দ পাওঁ। আমি আমাৰ বিৰক্তিকৰ মূহুৰ্ত্ত, দুখ লগা সময় এই সঙ্গীত শ্ৰৱণৰ দ্বাৰা আঁতৰ কৰিব পাৰো। সঙ্গীতৰ ভিতৰতে আমি আমাৰ জীয়াই থকাৰ ৰস বিচাৰি উলিয়াব লাগিব, আমাৰ সৰ্বত্ৰতে বিৰাজমান সঙ্গীতৰ উৎসবোৰৰ পৰা নিজৰ ভালপোৱাখিনি উপভোগ কৰিব জানিলে সঙ্গীতৰ জড়িয়তে জীৱনৰ আমনি লগা মূৰ্হুত্তবোৰ আনন্দময় কৰিব পাৰি। ❑

- শিল্প-কলাই মানুহৰ সংস্কৃতিৰ জগতখন নিৰ্মাণ কৰিছে। সংস্কৃতিক অৰ্থনৈতিক উৎপাদনৰ পৰা পৃথক কৰিব নোৱাৰি। ই অৰ্থনীতি জাত। শ্ৰম বিভাজনৰ বিষমতাই সাংস্কৃতিক উন্নতিৰ সূচাংক নিৰ্ণয় কৰে। মানুহ আচলতে শিল্প কলাত জড়িত হয় স্বাধীনতা বিচাৰি। অৰ্থনৈতিক জগতত মানুহৰ স্বাধীনতা নাথাকে। সেয়ে মানুহে স্বাধীনতা বিচাৰি যায় সাংস্কৃতিক জগতত। স্বাধীনতা আচলতে নিহিত থাকে সামাজিক সচেতনতাত। মানুহে যেতিয়া অন্ধ প্ৰবৃত্তিৰ পৰা নিজকে মুক্ত কৰিব পাৰিব তেতিয়াহে তেওঁ স্বাধীন হ'ব পাৰিব। মুক্ত হোৱা মানে অনিবাৰ্যতাৰ পৰা হাত সৰা।

- ড° গিৰীশ বৰুৱাৰ প্ৰবন্ধ ক্ৰিষ্টফাৰ কড্‌ৱেলৰ দৃষ্টিত শিল্প আৰু কলাৰ পৰা।

* * * * *

- আমাৰ ব্যক্তি আৰু সামাজিক জীৱনত জ্যোতিপ্ৰসাদে পূৰ্ণতাৰ সপোন দেখিছিল আৰু তাৰে সাধনা নিজৰ জীৱনেৰে কৰিছিল। সীমাবদ্ধতাৰ ভিতৰতে অনুভূতিৰ সূক্ষ্মতা, চিন্তাৰ গভীৰতা, মনীষাৰ প্ৰখৰতা, উপলব্ধিৰ নিবিড়তা, বিশ্বাসৰ উদাৰতা আৰু দায়িত্ববোধৰ আন্তৰিকতাই তেওঁৰ ব্যক্তিত্বক এনে এক সম্পূৰ্ণতা দিছে যাৰ মাজত আমি বিচাৰি পাইছোঁ স্থায়িত্বৰ প্ৰত্যয় আৰু প্ৰগতিৰ অঙ্গীকাৰ — এই সম্পূৰ্ণতাৰ আভাস মাত্ৰ বিদ্যমান জ্যোতিপ্ৰসাদৰ কলা-সৃষ্টিত।

- ড° বীৰেন্দ্ৰনাথ দত্ত



# গল্পৰ মজলিছ



# মৰিশালি





ঋষৱৰ নাথ
স্নাতক প্ৰথম বৰ্ষ (কলা)


*কাপোৰৰ মেৰৰ মাজত কোঁ কোঁৱাই থকা*
*সদ্যজাত কেঁচুৱাটোৰ কথা ভাবি ভাবি তাই পাৰ পোৱা নাছিল,*
*কিম্ভুত কিমাকাৰ বস্তুটোৱে বোলে কন্দা নাছিল ভূমিষ্ঠ হোৱাৰ সময়ত।*
*শুকান মজিয়াত পৰি ফাটি যোৱা ফুলটো সামৰিবলৈ তত্ পোৱা নাছিল বোলে*
*শাহুৱেকে আৰু হৈছিলে কি,*
*কেঁচুৱাটোৰ মূৰ্ত্তি দেখি ধাইজনীৰ চুৰ্ত্তি হেৰাইছিল*
*আৰু নাড়ডাল কাটিবলৈ গৈ হাত কপোঁতে বাঁহৰ চোঁচডালেৰে*
*মৰা ৰেপটোৱে বাওঁহাতৰ তৰ্জনী আঙুলিটোও কাটিলে।*
*ধাইৰ তেজ, আইৰ তেজেৰে ৰক্তাক্ত শিশুটো .........*
*উস, কেনেকুৱা যে এটা পৰিস্থিতি!*

চকু নাম মাত্ৰ লাগিছিলেহে মেনকাৰ, কেঁচুৱাটোৰ কান্দোনত আক' খোল খালে। কেঁচা টোপনি ভঙাৰ বিৰক্তিৰে লালটিখিনি ভিতৰলৈ টানি তাই সেইটোৰ গাত হাত দিলে। মুহূৰ্ত্তলৈ শিহৰি উঠিল তাই আৰু কাঁচুলি উদঙাই পিয়াহ এটা মুখত লগাই দিলে তাৰ। শিৰশিৰাই যোৱা অনুভূতি এটাৰ মাদকতাত চকু দুটা আধাকৈ মুদখাই আছিল তাইৰ আৰু তেনেকৈয়ে চিলমিলিয়া টোপনিত দেখা সপোনটো পাগুলিবলৈ ধৰিলে, নিশ্চিন্তে যেন শুই আছিলে। ৰাতি আৰু কাযৰ টুলখনত প্লেটেৰে ঢাকি থোৱা পানীৰ মগটোৰ গাত লাগো নালাগোকৈ জ্বলি আছিল মমবাতি এটা। বেশভেতো বতাহ ছাটি দুৱাৰৰ ওপৰৰ জালিকটা হাদলাখনৰ ফাঁকেৰে সোমাই আহি শিখাটো কঁপাই তুলিছিল। কাযৰ বিচনাখনতহে চাগে বিমল শুই আছিল আৰু বিমলৰ বাগৰ ঘূৰোঁতে কৰত্-কৰ পালেঙৰ শব্দত তাই সাৰ পাই উঠিল; উঠি যেতিয়া বাগৰ সলাই কেঁচুৱাটোৰ পিনে মুখ কৰিলে মমৰ সেইকণ চকাচন্দা পোহৰতে অস্পষ্টকৈ দেখা পালে কেঁচুৱাটোৰ ঠাইত

ভূত এটা শুই আছে। দীঘল দীঘল দাঁত, হাতীৰ দৰে কাণ, এখন আনখন নাই; চকু এটা মুদা- দুটা আঙুলিৰে ক্ষীণ হাতখন আৰু ভৰিখন ...... আতংকত থৰ থৰকৈ কঁপি উঠিল মেনকা। চিঞৰেহে চিঞৰে ডিঙিৰ শব্দ নোলায়, আৰু ঠিক তেতিয়াই কেঁচুৱাটো কান্দি উঠাত তাই সাৰ পায়। দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি তাই জুমি চালে কেঁচুৱাটোলৈ; একো দেখা নাযায়। বাহিৰত কৃষ্ণপক্ষৰ গাঢ় আন্ধাৰ, ভিতৰতো। চপক চপককৈ সি গাখীৰ খাইছে। সিৰামূৰিৰ অনুভূতি এটা যেন তাইৰ বুকুৰ পৰা মূৰলৈ আৰু মূৰৰপৰা উৰুসন্ধিলৈ বিয়পি পৰিছে; - কেঁচুৱাটোৰে দুটা আঙুলিৰ হাতখনেৰে মেনকাৰ কুঁচ এটাৰ মুখত চেঁপি ধৰিছে। তাই জোৰকৈ চকু দুটা মুদি ধৰিলে।



*মমৰ সেইক'ণ চকাচন্দা পোহৰতে অস্পষ্টকৈ দেখা পালে কেঁচুৱাটোৰ ঠাইত ভূত এটা শুই আছে। দীঘল দীঘল দাঁত, হাতীৰ দৰে কাণ এখন আনখন নাই; চকু এটা মুদা- দুটা আঙুলিৰে ক্ষীণ হাতখন আৰু ভৰিখন ......... আতংকত থৰ থৰ কঁপি উঠিল মেনকা।*

এটা সময়ত তাই অনুভৱ কৰিলে টিপাটো যেন ক্ৰমাত তীব্ৰ হৈ আহিছে। ফুলশয্যাৰ ৰাতি বিমলে তাইৰ বুকুত হাত দিওঁতে অসহায়ভাৱে যেনেকুৱা কৰিছিল ঠিক তেনেকুৱাকৈয়ে মূৰটো গাৰু আৰু চুলিটাৰিৰ ওপৰত জোৰকৈ ঘঁহি পিছুৱাই নিলে, কোঁৱাৰি দুটা টান হৈ আহিল। আক' অনুভৱ হ'ল বাঁহৰ জোং কিছুমানেৰে যেন বুকুত কোনোবাই খুঁচি আছে তাইক। চকামকাকৈ সপোনত দেখা দাঁতুৱা ভুতটোলৈ তাইৰ মনত পৰিল নে সেইটোৱে তাইৰ বুকুখন চোবাই আছে।

দিয়াচলাইৰ কাঠি এটা ফোঁ ফোঁ কৈ জ্বলি উঠিল। মুহূৰ্ত্তলৈ তাই চঁক খাই গ'ল। টেবুল লেম্পটো জ্বলাই বিমল তাইৰ কাষলৈ আহিল; 'কি হৈছে ? চিঞৰিছা যে ?'

'হঁ'- কেতিয়া চিঞৰিলে গমেই নাপালে তাই, কি ক'ব কি নক'বকৈ ক'লে - 'এনেয়ে'

'এনেয়ে মানে ? ৰাতিখন কোনোবাই এনেয়ে চিঞৰেনে ?'

'একো নহয়, সপোন এটা দেখিছিলোঁ। বেয়া সপোন'।

'অ' সপোন এটা ময়ো দোখাছলোঁ কিন্তু'

মেনকাই হা-হুকাৰ নিদিয়া দেখি সিয়েই ক'লে - 'কি দেখিছিলোঁ জানা সপোনত ? মই এটা ভুত পোৱালিৰ লগত শুই আছোঁ।

মেনকাই ট-ট কৈ চালে বিমলৰ পিনে। সিও খুব চোকা দৃষ্টিৰে নিৰ্মোহভাৱে চাইছে তাইলৈ। চকু ঘূৰাই তাই কেঁচুৱাটোলৈ চালে। বিমলেও চালে সেই কিম্ভুত কিমাকাৰ মাংসপিণ্ডটোলৈ। - চকু এটা নাই, তাৰ ঠাইত উঠঙা মাংসপিণ্ড এটুকুৰা - ঠিক হনুটোৰ দৰে। দুটা হনুহে যেন। কাণ এখন নাই। দুটা আঙুলিৰ হাতখন পেটৰ ওপৰত নিধান্দাই থৈ ঘুমটি আহিছে সেইটো। ডিঙিৰপৰা ওলাইছে উঁশাহ নিশাহৰ খচ্ খচ্ শব্দ। সোমাই যোৱা বুকুখন উঠা নমা কৰিছে ঈষৎ, কিবা যেন এক গভীৰ ৰহস্য খুন্দা খাই আছে তাৰ ভিতৰত। বিমল শিহঁৰি উঠে। দুটা আঙুলিৰ হাতখন যেন ক্ৰমাৎ দীঘল হৈ আহিছে - নেলুটিপা দিবলৈ। তাৰ ডিঙিটো সেপশূণ্য হৈ আহিল। সুৰসুৰকৈ কাহ এটাই আমনি কৰিবলৈ ধৰিলে। মেনকাইও অস্বস্তি বোধ কৰিছে। ৰহস্যই যেন সিহঁতক আবৰি ধৰিছে। বেয়া সপোন এটাই যেন দিঠক হৈ ভেঙুচালি কৰিবহে এনে লাগিল তাইৰ। অকস্মাৎ হোৱা শব্দটোত সঁচকিত হৈ ঘুৰি চালে, -- একো নাই, বিমলে চুৰট জ্বলাইছে। মোকোৰা মোকৰে ফুকুলা ধোঁৱাবোৰ ঘূৰ্ণায়মান বেগেৰে ওপৰলৈ উঠি গ'ল আৰু মেঘ হৈ চিলিঙত ওপঙি থাকিল।

চিন্তাক্লিষ্ট মুখখন দেখি বিমলৰ সেই দিনাৰ চেহেৰাটোলৈ মেনকাৰ মনত পৰিল। কাপোৰৰ মেৰৰ মাজত কোঁ কোঁৱাই থকা সদ্যজাত কেঁচুৱাটোৰ কথা ভাবি ভাবি তাই পাৰ পোৱা নাছিল, কিম্ভুত কিমাকাৰ বস্তুটোৱে বোলে কন্দা নাছিল ভূমিষ্ঠ হোৱাৰ সময়ত। শুকান মজিয়াত পৰি ফাটি যোৱা ফুলটো সামৰিবলৈ তত্ পোৱা নাছিল বোলে শাহুৱেকে আৰু হৈছিলে কি, কেঁচুৱাটোৰ মূৰ্ত্তি দেখি ধাইজনীৰ চুৰ্ত্তি হেৰাইছিল আৰু নাড়ডাল কাটিবলৈ গৈ হাত কঁপোতে বাঁহৰ চোঁচডালেৰে মৰা ৰেপটোৱে বাওঁহাতৰ





*মেনকাইও কান্দিছিল, কান্দি কান্দি গাৰু তিয়াই দিছিল 'আয়ে কৈছে জাৰণিত পেলাই আহিবলৈ, কি কৰিম ?' একো নকৈ মেনকাই কেঁচুৱাটোৰ বুকুত হাতখন ৰাখিছিল আৰু চিৎকাৰ কৰি উঠিছিল, 'ই এতিয়াও উঁশাহ লৈ আছে বিমল, কেনেকৈ' ....*

তৰ্জনী আঙুলিটোও কাটিলে। ধাইৰ তেজ আইৰ তেজেৰে ৰক্তাক্ত শিশুটো ......... উস, কেনেকুৱা যে এটা পৰিস্থিতি ! মেনকাৰ আমঠুটো কোঁচ খাই যায় ভাবিলে সেইবোৰ মুহূৰ্ত্তৰ কথা। খবৰ দিয়া হৈছিল বিমলক আৰু কাম-কাজ ঠাইতে এৰি সি দৌৰি আহিছিল ঘৰলৈ। উদ্ভট কথাবোৰ শুনি সি উচুপিছিল আৰু উচুপি উচুপিয়েই সোমাই আহিছিল প্ৰসূতি গৃহলৈ; আহি মেনকাৰ মূৰত হাত বুলাই বুলাই কৈছিল ঃ 'কি পাপ কৰিছিলোঁ আমি অ' মিনু, এনেবোৰ হ'ল যে - কোনোবাই কৈছে এয়া বোলে পাপৰ ফল। কোনোৱে কৈছে ই গৰ্ভত থাকোঁতে তুমি নিশ্চয়কৈ কণী ভাঙিছিলা নাইবা বেং গছকিছিলা, - মিনু অ" মেনকাইও কান্দিছিল, কান্দি কান্দি গাৰু তিয়াই দিছিল 'আয়ে কৈছে জাৰণিত পেলাই আহিবলৈ, কি কৰিম ?' একো নকৈ মেনকাই কেঁচুৱাটোৰ বুকুত হাতখন ৰাখিছিল আৰু চিৎকাৰ কৰি উঠিছিল, 'ই এতিয়াও উঁশাহ লৈ আছে বিমল, কেনেকৈ ....'

বিমলে মাত্ৰ উচুপিছিল, একো কোৱা নাছিল হা - না। ধাইৰ কথাখিনি শুনি বিমলে মৰ্মান্তিক দুখ পাইছিল। টকা ৰাচোঁতে কম হ'ল বোলে মাননি, যা তা বলকিলে তাই - 'হতশ্ৰী তিৰোতা, ভুত পোৱালিটো জন্মাওতে কমখন কষ্ট হ'লনে চেলা। ডাইনীজনীয়ে মোৰ ৰক্ত পৰ্যন্ত চুঁহিলে এতিয়া একিটা মাত্ৰ টকা দিয়ে হুঁ। উদ্ধাৰ নাই ইহঁতৰ, পাপিষ্ঠৰ জাত।'

মেনকাৰ চকু ভৰি আহিল। আঁচলৰ আগটো কোঁচাই আনি মুচিলে, মুচি বিমললৈ চালে। বিমলে ইতিমধ্যে চুৰট হুঁপি শেষ কৰিছে আৰু গোৰোহাৰে মোহাৰি অৱশিষ্টখিনি চেপেটা কৰিছে। এবাৰ বিচনাৰ কাষলৈ আহি ক'লে- 'মিনু, আয়ে ৰাতিপুৱা তোক ডাইনী বুলিছিল'। মেনকাই চালে বিমলৰ চকুলৈ। পোহৰৰ শিখাটো পিছ দি থকা কাৰণে বহু কষ্ট কৰি দেখা যায়। সেইকণ কাণিমুনি পোহৰতে তাই বিমলৰ সজল চকুযোৰত দৃঢ়তাৰ দীপ্তি দেখিলে। মুহূৰ্ত্তলৈ ভয় খাই গ'ল তাই - ইমান কঠোৰ সেই দৃষ্টি ! তাই যেন বিৰাট এটা সিদ্ধান্ত কৰি পেলালে; 'অ' মই ডাইনী, ডাইনীয়েই মই'।

কিছুক্ষণ তন্ময় হৈ থকাৰ পাছত অকস্মাত বিমলে খেদি গৈ গাৰ জোৰে মেনকাক সাবটি ধৰিলে; 'কিন্তু মই জানো মিনু, মই ভালকৈয়ে জানো তই ডাইনী নহয়'।

শুকাই যোৱা দুচকুৰ গুৰিয়েদি মেনকাৰ তপত চকুলো বৈ গ'ল- বুজাবলৈ ব্যৰ্থ চেষ্টা কৰি; খুক্ খুককৈ কান্দি উঠিল বিমল - 'কোন জনমৰ পাপ মিনু, এয়া কোন জনমৰ পাপ'। মেনকাই একো নকৈ উচুপি উঠিল। কঁপি থকা ওঠ দুখনেৰে বিমলে মেনকাৰ ওঁঠ দুখনক কামুৰি ধৰিলে - বিমলৰ বুকুৰ বেদনা সেই সংযোগেদি তাইৰ বুকুলৈ বাগৰি বৈ গ'ল।

কেঁচুৱাটোৰ ডিঙিৰ গোঁ গোঁৱনি শুনি মেনকাই গম পালে তাৰ পিয়াহ লাগিছে। বিমলেও বুজিলে। মেনকাৰ বুকুৰ গাখীৰে দুই তিনি তৰপ কাপোৰ তিয়াই তুলিলে। আনুভূতিক আতিশয্যত তাই অধৈৰ্য হৈ পৰিল। এৰি নিদিওঁ বুলি ভাবিও অসতৰ্ক এটা ক্ষণত এৰি মোকোলাই দিলে তাইক আৰু বিচনাখন এৰি আহি চকীত বহি পৰিল; আৰু এটা চুৰট জ্বলাই ল'লে বিমলে।

কথাটো তাই বিমলক কওঁ বুলি এবাৰ ভাবিও পাছ মুহূৰ্ততে সলাই পেলালে সিদ্ধান্তটো। কটা ঘাত চেঙা তেল দিয়াৰ দৰে হ'ব ক'লে, যে কলিতাৰ জীয়েক মুনমী আহিছিল ৰাতিপুৱা। অলপ আগতে মাত্ৰ বিমল ওলাই গৈছে। দহমান বাজিব পায় তথাপি ৰ'দ ওলোৱা নাই। বতৰটো গোমা হৈ আছে। মেঘৰ মাজেদি জৰি জৰি সৰকি পৰা ৰ'দ চেৰেঙা গাত পেলাই থকা পাৰ ........... উৰুৱাই বতাহত উৰাদি উৰি আহিছিল। বৰ স্ফুৰ্ত্তি , বৰমাৰ মইনাক চাম। মৰম কৰিম, কোলাত ল'ম আৰু বহু কিবাকিবি মনতে পাঙি। জন্মাৰ দিনধৰি অহা নাছিল তাই কিয়বা, সেইকাৰণে দেখাও নাছিল। অলপমান মাত্ৰ আগতে মেনকাই গৰম পানীৰে গা তিয়াই তুঁহজুইত ফুঁ দিছিল। অকস্মাৎ চিঞৰ শুনা গ'ল কাৰোবাৰ ঠিক মেনকাইঁতৰ শোৱা কোঠালীত, সেয়া মুনমীৰ চিঞৰ বুলি বুজিব পাৰি মেনকাই কিবা এটা ভাবি

দৌৰি গ'ল। হয়, যি ভাবিছিল সেয়াই। কাপোৰৰ মেৰবোৰ মোকোলাই থোৱা আপচু উদং মাংসপিণ্ডটোৰ কাষত সেইটোলৈ পিঠি দি মুনমীয়ে পাৰেমানে জোৰে আটাহ পাৰিছে। কি কৰিব, কি নকৰিব ভাবি মেনকাই পোনতে কেঁচুৱাটোৰ উঠা নমা কৰি থকা চেপেটা বুকুখন চাদৰেৰে ঢাকি দিলে। ইতিমধ্যে



কলিতানীও আহি পাইছিল; মুনমীৰ চিঞৰ তেওঁ আখলঘৰৰ পৰাই শুনিছিল আৰু যৰে কাম ততে পেলাই থৈ দৌৰি আহিছিল। 'চুপ' বুলি দবিয়াই তেওঁ মুনমীক কাণটিপা দিলে আৰু ভোৰভোৰালে - 'মানা কৰিছিলোঁ নহয় আহিবলৈ মই, কিয় আহিছিলি ? আচৰিত উৎপতীয়া এইজনী। ব'ল এতিয়া'

বিকল যেন হৈ পৰা ভৰি দুখন চোঁচোৰাই চোঁচোৰাই তাই মাকৰ পিছে পিছে গুছি গ'ল; তেতিয়া শাহুৱেকে মুনমীৰ মাকক মেনকাইও শুনাকৈ চিঞৰি ক'লে-

'সোমাৰু বুঢ়ীৰ তাত নি কোঁচ এডালি গুঠাই দিয়াবি ঐ শুনিছ' নহ'লে তাই সপোন পাব ৰাতি, ভয় খাব' শাহুৱেকে নুশুনাকৈ মেনকাই উচুপিছিল।

খেয়ালতে বিমলে এবাৰ শুনিলে কলিতাৰ ঘৰত হৈ চৈ। টিভিত কিবা ভাল প্ৰ'গ্ৰেম দিছে চাগে' এবাৰ ভাবিলে; নাইবা- এনেকুৱাওতো হ'ব পাৰে যে মুনমীয়ে সপোন পাই চিঞৰি উঠিছে। হ'বও পাৰে, কাৰণ ইমান ৰাতিকৈ তেওঁলোকে যে টিভি চাই আছে সেয়া অনুমান কৰা ঠিক নহ'ব। না, সেয়া তেওঁৰ ভ্ৰম!

'মিনু, আজি বোলে মুনমীয়ে -'

'অ'- বিমলৰ প্ৰশ্ন শেষ নৌহওঁতেই মেনকাই উত্তৰ দিলে। একো নকৈ বিমলে দীঘলীয়া হোঁপা এটা মাৰিলে চুৰটটোত।

'আ -'

'কি হ'ল ?'

'কামুৰিছে ই'

খঙত ভমককৈ জ্বলি উঠিল বিমল,

*'নেলাগে মোক তেনে সন্তান; হাত এখন যদি অচল হৈ যায় তাকো মই বোজা কৰি নাৰাখি কাটি পেলাম চাল্লা, পিতৃত্ব বোলে গৌৰৱৰ বস্তু, আশীৰ্বাদৰ বস্তু; মোৰ ক্ষেত্ৰত আক' অভিশাপহে সি। পাপিষ্ঠ যদি মই তাৰ জন্ম যদি পাপৰ ফল হয় তেন্তে তাৰ মৰণত আৰু এটা পাপ হওক - মোৰ আপত্তি নাই; কিন্তু মই এইবোৰ সহ্য কৰিব নোৱাৰিছোঁ।'*

'ইয়াক মই মাৰি পেলাম চাল্লা, আজি কামুৰিছে কালি খাই পেলাব বুকুখন তোৰ নহ'লে।' অশ্ৰুসিক্ত চকুদুটাৰে বৰ কৰুণভাবে চালে মেনকাই বিমললৈ। খন্তেকলৈ অপ্ৰস্তুত হ'ল বিমল।

'আজি বজাৰলৈ যাওঁতে গধূলি কলিতাক লগ পাইছিলোঁ - তেওঁ ক'লে কি "বেয়া নাপাব দাস। মুনমীয়ে, মানে কি কম আৰু। সৰু ছোৱালীতো, একো তলকিব পৰা নাছিলে চাগে'। তেনেকুৱা কেঁচুৱা আগতে দেখা নাছিলে তো।'

'উস্ তেনেকুৱা কেঁচুৱা তেনেকুৱা কেঁচুৱা - অসহ্য লাগিছে মোৰ মিনু অসহ্য লাগিছে ইয়াক লৈ। ইয়াৰ জন্মটো মোৰ মূৰত যেন এটা বোজা যিটো দূভাগ্যবশতঃ বহুদিন কঢ়িয়াব লাগিব মই'

'কিন্তু ই যে সন্তান আমাৰ, আপোনাৰো মোৰো'।

'নেলাগে মোক তেনে সন্তান; হাত এখন যদি অচল হৈ যায় তাকো মই বোজা কৰি নাৰাখি কাটি পেলাম চাল্লা, পিতৃত্ব বোলে গৌৰৱৰ বস্তু, আৰ্শীবাদৰ বস্তু; মোৰ ক্ষেত্ৰত আক' অভিশাপহে সি। পাপিষ্ঠ যদি মই, তাৰ জন্ম যদি পাপৰ ফল হয় তেন্তে তাৰ মৰণত মোৰ আৰু এটা পাপ হওক মোৰ আপত্তি নাই; কিন্তু মই এইবোৰ সহ্য কৰিব নোৱাৰিছোঁ। অফিচৰ মানুহবোৰে মোক দেখিলে সমবেদনা জনোৱা যেন কৰে, মৰামুৱা কৰা মুখবোৰে মোলৈ চায়, কোনো কোনোৱে কান্ধত হাত ৰাখি সান্ত্বনা দিব বিচাৰে;





চাহৰ আব্দাৰ নকৰে মোৰ পিতৃত্ব প্ৰাপ্তি উপলক্ষে, ৰং ৰহইচ নকৰে, নাহাঁহে - এই বোৰ মোৰ সহ্য নহয় মিনু, মোক ক্ষমা কৰা'। খুক্ খুককৈ কান্দিলে বিমলে। মেনকাই আঁচলেৰে চকুপানী মোহাৰিলে।

ৰাতি গভীৰ হৈ আহিল, উঁই চিৰিঙাৰ শব্দবোৰ তীখাল হৈ আহিল আৰু মেঘৰ গুমগুমনি শুনা গ'ল। কেনেকৈ বা মমৰ শিখাটো দপ্ কৰে নুমাই থাকিল। হুমুনিয়াহ এটাৰ স'তে বিমল বিচনাত উঠিল আৰু শুই থাকিল নিথৰ হৈ। কেঁচুৱাটোৰে ভৰি হাত জোঁকাৰিলে এনেয়ে। তলত পাৰি দিয়া প্লাষ্টিক পেপাৰখন খৰমৰাই উঠিল। ৰুদ্ধশ্বাসে মেনকাই ওপৰলৈ চাই থাকিল। বহু কিবাকিবি ভাবি তাইৰ মনটো থৌকি-বাথৌ লগালে। বিমল আৰু তাইৰ মাজত অকণমানি মাংসপিণ্ড এটা শুই আছে যিটো জীৱন্ত সদ্যহতে। পাপ পূণ্যৰ বিচাৰ কৰিব পৰাকৈ মেনকাহঁত দেৱতা নহয়। দুয়ো সাধাৰণ মানুহ যি পাপ আৰু পূণ্যৰ দোকোল-টকা বিলত জীৱনৰ সাঁকোৱেদি ইপাৰৰ পৰা সিপাৰলৈ গৈ আছে। যাত্ৰা সিহঁতৰ জন্মৰ পৰা মৃত্যুলৈ। সিঁহতে কিবাকৈ পাপিষ্ঠ হ'লেও শিশুটো নিস্পাপ - মেনকাৰ মনে কয়; সকলোতকৈ ডাঙৰ কথা সেইটো সন্তান তাইৰ। তাই মাক তাৰ। নাকৰপৰা তাৰ খচ্ খচ্ শব্দ ওলাইছে - সি উশাহ লৈছে। তাইৰ কলিজাৰ বাজ হোৱা অকমানি টুকুৰাটোৱে যে স্বতন্ত্ৰ ভাৱে উশাহ নিশাহ ল'ব পাৰে কথাটো ভাবি আনন্দিত হয় তাই; সেই আনন্দই জানো মাতৃত্ব, তিৰোতা জীৱনৰ এটা অনিৰ্বাচনীয় আশীৰ্বাদ! - তেন্তে সকলোৱে কিয় কৈছে সেয়া অভিশাপ তাইৰ বাবে ? মূৰটো এতিয়া ফাটি যাব তাইৰ, আশীৰ্বাদ অভিশাপৰ বাচ বিচাৰ কৰিব খোজা নাই তাই বৰ্তমান। জীৱনৰ কাৰণে মাতৃত্বক জলাঞ্জলি দিবলৈ মনস্থ তাই কৰিব পৰা নাই।

*বিমল আৰু তইৰ মাজত অকণমানি মাংসপিণ্ড এটা শুই আছে যিটো জীৱন্ত সদ্যহতেও। পাপ পূণ্যৰ বিচাৰ কৰিব পৰাকৈ মেনকাহঁত দেৱতা নহয়। দুয়ো সাধাৰণ মানুহ যি পাপ আৰু পূণ্যৰ দোকোল-টকা বিলত জীৱনৰ সাঁকোৱেদি ইপাৰৰ পৰা সিপাৰলৈ গৈ আছে যাত্ৰা সিহঁতৰ জন্মৰ পৰা মৃত্যুলৈ। সিঁহতে কিবাকৈ পাপিষ্ঠ হ'লেও শিশুটো নিস্পাপ - মেনকাৰ মনে কয়; সকলোতকৈ ডাঙৰ কথা সেইটো সন্তান তাইৰ, তাই মাক তাৰ।*

ঔচিত্যবোধৰ চাকনৈয়াত পৰি তাই হাবুডুবু খাইছে। সকলো ধুঁৱলী-কুঁৱলী। মাত্ৰ তাই আক' এবাৰ অনুভৱ কৰিব খোজে তাইৰ কলিজাৰ টুকুৰাটোৰ প্ৰাণস্পন্দন - হাতখন আগবঢ়াই দিলে তাই কেঁচুৱাটো ৰ নাকৰ ওপৰলৈ। হয় সি উশাহ লৈছে, মন তাইৰ প্ৰশান্তিৰে ভৰি পৰিল, সি উশাহ লৈছে। গভীৰ মমত্বত তাইৰ বুকু ফুলি উঠিল। গাখীৰেৰে কঠিন হৈ পৰা স্তন দুটাৰ মুখেৰে তাইৰ ওপচি পৰা অনুভূতি কল কলাই বৈ গ'ল। ওঁঠ দুখন চেঁপি তাই চকু দুটা মুদি দিলে। দুচকুৰে চকুপানীৰ সোঁত বৈ গ'ল আৰু ঘৰ্মাক্ত চুলিকোঁচা তিতি তিতি নিতিতা হ'ল। হঠাৎ তাইৰ চকু মেল খাই যেন বিস্ফোৰিত হৈ গ'ল। তাইৰ হাতখন টানকৈ চেঁপি ধৰিছে বিমলৰ হাতখনে। হাতখন তাই উলিয়াই আনিব বিচাৰিলে কিন্তু বিমলৰ বলিষ্ঠ হাতৰ কঠোৰ আঙুলিবোৰে অসাৰ কৰি পেলালে তাইৰ হাতখন। সিৰা মূৰিটো ক্ৰমাৎ উজাই গৈ তাইৰ মূৰ পালে আৰু এটা সময়ত তাই অজ্ঞান হৈ পৰিল। অজ্ঞান হোৱাৰ আগতে তাই কেঁচুৱাটোৰ ডিঙিৰ গোঁ-গোঁৱনি শুনিলে আৰু অজ্ঞান হোৱাৰ পিছত সপোনত দেখিলে মৃত কেঁচুৱা এটা মাজত লৈ সিঁহত মৰিশালিত শুই আছে। তাই আৰু বিমল দুয়ো মৰিশালিত ............। ●



# এ ট্ৰিবিউত টু মিষ্টাৰ আনচাৰি

জিন্টু বেজবৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ

কুঁৱলী ধূসৰ ৰাতিপুৱা এটা চিনিয়ৰ হাউচৰ প্ৰতিটো কোঠাতে হোষ্টেল চুপাৰৰ বিকট্ চিঞৰত অনাদিহঁত সাৰপাই উঠিল।

আজি ডিচেম্বৰ মাহৰ কোনোবা এটা ৰবিবাৰ। মেইন এণ্ট্ৰেন্সৰ দেৱাল ঘড়ীটোৱে বৈ বৈ পাঁচবজাৰ সংকেত দিছে। এই তামিল চুপাৰজনক খাতিৰ নকৰো বুলিও কৰিবলগীয়া হয় সিঁহতে, তেওঁৰ এল.টি.টি.ই চকুযুৰিৰ বাবে। তথাপি আন ৰবিবাৰবোৰৰ দৰে হোৱাহেঁতেন এই চিঞৰকো কোনেও পাত্তায় নিদিলেহেঁতেন, কিন্তু আজিৰ কথাটো অলপ বেলেগ।

আজি আনচাৰি চাৰে তেওঁৰ আঠাইশ বছৰীয়া চাকৰি জীৱন সমাপ্ত কৰি স্কুলখন একেবাৰে এৰি যাব। স্কুলৰ প্ৰথা মতে স্কুলবাচখনে চাৰ আৰু চাৰৰ পৰিয়ালক বস্তু-বাহানিৰে সৈতে বঙাইগাওঁ ৰেল আস্থানলৈ থৈ আহিব। বাচখন স্কুল গেটৰ বাহিৰত বৈ থাকিব। স্কুল বিল্ডিংটোৰ পৰা গেইটলৈ এই দুই কিলোমিটাৰ পথৰ দুয়োকাষে গোটেই স্কুলখনৰ ষ্টুডেণ্ট থিয় হৈ ৰ'ব শাৰী শাৰীকৈ আৰু চাৰে পাৰে মানে সকলোবোৰৰ লগত হাতমিলাই যাব! যেন এটি শেষ স্পৰ্শন। কথাবোৰ ভাবি থাকে নিৰ্লিপ্তভাৱে অনাদিয়ে লেপৰ তলৰ পৰা।



"থিংক ফৰ্ দ্যা পিপ্‌ল হু আৰ স্পেণ্ডিং দেয়াৰ টুডে ফৰ্ ইয়ৰ্ বেটাৰ টুমৰ" যোৱাকালি চাৰৰ সন্মানাৰ্থে আয়োজিত ৰেজিমেন্টেল ডিনাৰৰ পিছত চাৰে দিয়া ভাষণৰ অৰ্ন্তভূক্ত বাক্যশাৰী ৰিণি ৰিণিকৈ বাজি উঠে অনাদিৰ কাণত। সি উশাহ নসলোৱাকৈয়ে লেপ, কম্বল সকলোবোৰ আঁতৰাই বিচনাৰ পৰা নামি মাটিত ভৰি দিয়ে। ভৰিৰ তলুৱাত সি পকীৰ চেঁচাখিনি অনুভৱ কৰে আৰু নাকত চিগাৰেটৰ ধোঁৱাৰ ঘ্ৰাণ পায়। সি অনুমান কৰে কাষৰ বিছনাৰ ঋতমে চিগাৰেট জ্বলাইছে। হাতত টুথ্‌ব্ৰাছ লৈ সি লাহে লাহে পেষ্ট লগায়। কাষৰ ৰুমৰ জুনিয়ৰ ল'ৰা এটাক সি তাৰ বাল্টি দুটাত পানী ভৰাব দিব বুলি ভাবিও শেষত নিজেই ধীৰে-সুস্থিৰে ভৰায় আৰু গা-ধুবলৈ যায়। ঠাণ্ডাৰ দিনত ৰাতিপুৱা গা-ধোৱাটো তাৰ ৰুটিনৰ ভিতৰত নপৰে কিন্তু কিছুমান বিশেষ বুলি ভবা দিনত সি দেহৰ শুদ্ধিৰ প্ৰয়োজনীয়তাও অনুভৱ কৰে।

ব্ৰেকফাষ্টলৈ যোৱাৰ আগে আগে আলমে তাৰ ডিগনিফাইড্ ধ্বনিৰে শেষ বাক্যশাৰী এৰে - 'চ' দ্যা হিটলাৰ ইজ গোয়িং।"

ডাইনিং হ'লত চামুচেৰে টুং টাং আৰু আন তৰংগৰ আৰে আৰে হিটলাৰ, তেলু আদি চাৰৰ বিভিন্ন ছদ্মনামবোৰ ভাহি থাকিল। চাৰে এদিন কিবা প্ৰসংগত কৈছিল আমাৰ সমাজত লিখিত নিয়মবোৰ মানি চলা আৰু সময়মতে নিজৰ কামবোৰ নিয়াৰিকৈ কৰা মানুহবোৰক তেলু বুলি কোৱা হয়।

অনাদিৰ এতিয়াও মনত আছে সি ষষ্ঠ শ্ৰেণীত স্কুলখনলৈ পঢ়িবলৈ আহোতে আনচাৰি চাৰে লোৱা প্ৰথমটো ক্লাছত নিজৰ চিনাকী পাতল সেউজীয়া ৰঙৰ মাৰ্বল পাথৰৰ বোৰ্ডখনত দিছিল। নিজৰ নামটোৰ তলত তেওঁ দুশাৰীমান কিবা কিবি লিখিছিল। তাৰে মাজৰ এম.এচ.চি. এব্ৰিভিয়েছনটোহে তেতিয়া সি বুজিব পাৰিছিল। পিছলৈ সি সেই দুশাৰীৰ মানে বুজি উঠিলেও বুজিব নোৱাৰিছিল



*... সি অনুমান কৰে কাষৰ বিছনাৰ ঋতমে চিগাৰেট জ্বলাইছে। হাতত টুথ্‌ব্ৰাছ লৈ সি লাহে লাহে পেষ্ট লগায়। কাষৰ ৰুমৰ জুনিয়ৰ ল'ৰা এটাক সি তাৰ বাল্টি দুটাত পানী ভৰাব দিব বুলি ভাবিও শেষত নিজেই ধীৰে-সুস্থিৰে ভৰায় আৰু গা-ধুবলৈ যায়। ঠাণ্ডাৰ দিনত ৰাতিপুৱা গা-ধোৱাটো তাৰ ৰুটিনৰ ভিতৰত নপৰে কিন্তু কিছুমান বিশেষ বুলি ভবা দিনত সি দেহৰ শুদ্ধিৰ প্ৰয়োজনীয়তাও অনুভৱ কৰে।*

গা-পা ধুই ৰুমলৈ আহি অনাদিয়ে দেখে তাৰ লগৰ বেছিভাগে উঠি ড্ৰেচ কৰাত লাগিছে। আঠুৱাবোৰ খুলি দিয়াত ৰুমটো অলপ আগতকৈ বহল হোৱা যেন লাগে তাৰ। লগৰবোৰে সেই সদায় পতাৰ দৰে একেবোৰ টপিকে উলিয়াইছে, পামেলা এণ্ডাৰচন, টকীজত পিপিংটম লগাইছে .......। 'অনাদি এই মৰ ঠাণ্ডাত পুৱা পুৱাই গা-পা ধুলি যে ৰাতি কিবা .......।' বুলি ৰনদ্বীপে তাৰ ফালে এটা অশ্লীল হাঁহি দলিয়াই দিয়ে আৰু লগে লগে গোটেই সোপাই একেলগে। সি অলপ বিব্ৰত হ'ল। কথাটোৰ বাবে নহয়, এই গতানুগতিকতাৰ বাবেহে। ইয়াৰপৰা ফালৰি কাটি সি শুনিব বিচাৰে আনচাৰি চাৰৰ কথা। সি শুনি থাকে সিঁহতৰ কথাবোৰ মনে মনে আৰু একদম অধৈৰ্য্য হৈ যোৱাৰ আগতে সিঁহতে অৱশেষত চাৰৰ কথা উলিয়ায়। সিঁহতে কৈ যায় চাৰৰ লগত জড়িত বিভিন্ন কথাবোৰ। জোতা পালিচ কৰি থাকোতে, ব্ৰেজাৰবোৰ ব্ৰাছেৰে চাফা কৰোতে আৰু টাইৰ নট্ ঠিক কৰোতেও। সিহঁতে কৈ যায় চাৰৰ কথা আৰু শেষত কিয় ইমান অগাধ ডিগ্ৰীধাৰী মানুহজনে সাধাৰণ শিক্ষকৰ চাকৰি কৰিছে। ইয়াৰ আঁৰৰ কাহিনী সি আৰ তাৰ পৰা শুনিছিল। চাৰে হেনো দুই এটা ডাঙৰ পদত অধিষ্ঠিত হৈ চিষ্টেমটোৰ খলা-বমাবোৰৰ লগত আত্মীয়তা গঢ়ি তুলিব নোৱাৰি এৰি দিছিল চাকৰিবোৰ।

ব্ৰেকফাষ্টৰ পৰা উভতি আহি থাকোতে কোনোবাই চাৰৰ চকু দলিওৱা কথাটো উলিয়ায়। তাৰো মনত পৰি যায় চাৰৰ সেই শিশুসুলভ স্বভাৱটোৰ কথা। ইমান গাম্ভীৰ্য্যপূৰ্ণ মানুহজনে শ্ৰেণীত পঢ়াই থাকোতে শেষ হৈ অহা চকমাটিৰ শেষাংশ কোণৰ ডাষ্টবিনটোত দূৰৰ পৰাই দলিয়াই সুমুৱাব পাৰিলে এক আচৰিত সুখানুভূতি বুটলিছিল। এই বিষয়টোক সিহঁতে পৃথিৱীৰ অষ্টম আশ্চৰ্য্য বুলি কৈছিল। কথাবোৰ ভাবি ভাবি অনাদি কেতিয়া লগৰ সোপাতকৈ আগলৈ গুচি আহিল সি ক'বই নোৱাৰিলে। অকলশৰীয়া হৈ সি অনুভৱ কৰিলে

চাৰিওকাষৰ সেউজীয়াখিনিত কুঁৱলীৰ পৰশ লাগি এক জলজ নিস্তব্দতাই চানি ধৰিছে। স্কুল বিল্ডিংটোৰ কাষ পায় মানে সি শুনিবলৈ পালে এগালমান নেভি ব্লু ব্লেজাৰ আৰু গ্ৰে পেন্ট পিন্ধা ল'ৰাৰ কোলাহল। বৰুৱা চাৰে তাক দেখা পাই চিক্স চেভেনৰ ল'ৰাবোৰক লাইনত থিয় কৰাবলৈ ক'লে। সি সিহঁতৰ কাষলৈ গৈ থাকোতে কাষেৰে মিলিটেৰী সেউজীয়া ৰঙৰ স্কুল বাছখন, ওপৰত চাৰৰ বেডিং-পত্ৰ আৰু আন আন বস্তু লৈ পাৰ হৈ গ'ল।

তাৰ পিছৰ ঘটনাখিনি অনাদিয়ে ভবাতকৈ বেছি ক্ষীপ্ৰতাৰে ঘটিল। সি লাইনবোৰ ঠিক কৰি কৰি বহুদূৰ গৈ ঘূৰি আহি দেখা পালে চাৰে মিচেচ আনচাৰী আৰু সৰু নেপালী ল'ৰাটোক লগত লৈ এফালৰ পৰা হাত মিলাই মিলাই আহি আছে। ছয় ফুটৰ উৰ্দ্ধৰ মানুহজনে চিক্সৰ সৰুবোৰৰ পৰা বিভিন্ন ৰঙৰ গ্লাচ পেপাৰবোৰেৰে মেৰিওৱা বুকবোৰ লওঁতে বেছিকৈ হালিবলগীয়া হৈছে। তেওঁৰ মুখত এটা অচিনাকী হাঁহি বিৰিঙি আছিল। মাজে মাজে তেওঁ অকল 'হেপী ষ্টে, হেপী ষ্টে' বুলি কৈ গৈছিল। চাৰৰ ল'ৰা-ছোৱালী নাছিল বাবে দূৰ্ঘটনাত পতিত হোৱা স্কুলৰ নেপালী চকিদাৰৰ একমাত্ৰ ল'ৰাটোকে তুলি লৈছিল। এই স্পৰ্শকাতৰ বিষয়টোক লৈ দত্ত চাৰে এদিন "দ্যা ষ্ট্ৰং মেন হেচ্ এ বেদ অৰগেন' বুলি নিৰ্ল্লজ্জ কৌতুক কৰিছিল। এইখিনি সময়তে চাৰে আহি কেতিয়া অনাদিৰ কাষ পালে সি তৰকিবই নোৱাৰিলে। অচিনাকী পৰিৱেশৰ ডাইমেনচনত সি কেৱল খালী চকুযুৰিৰে তেওঁলৈ চাই থাকিল নিৰ্লিপ্ত ভাবে। তেওঁ তালৈ চাই জোৰকৈ হঁহা যেন কৰি বাহুত মৃদু চাপ দি আগুৱাই গ'ল। স্কুল বাচখন যাবলৈ ধৰাতহে সি গম পালে যে সি তেওঁৰ লগত হাত মিলাবলৈকো পাহৰিলে।

সি ঘুৰি যেতিয়া ওলোটা খোজ দিলে তেতিয়ালৈ প্ৰায়বোৰ ল'ৰাই হোষ্টেললৈ বেগাই খোজ দিছে। এনেকুৱা চেন্ট্ৰেল স্কুলবোৰৰ এটা ৰবিবাৰৰ মহত্ব সিঁহতে জানে। এই যে আনচাৰী চাৰ গুচি গ'ল ইয়াৰ বাবে সিঁহতে বন্ধৰ দিনটো উপভোগ নকৰাকৈ থাকিব নোৱাৰে। কিনো হ'ল গ'ল গ'ল। তেওঁৰ ঠাইত আন এজন আহিব। এই যে কিছুমান মানুহৰ বাবে বায়নোমিয়েল থিওৰেম উজু হৈ যায়, ইংৰাজী উচ্চাৰণ শুদ্ধ হৈ যায়, ক্লাচত শোৱা বদ অভ্যাস নোহোৱা হৈ যায়

*••• সেউজীয়া বোৰ্ডখনৰ কোনে-চোনে মচা নোযোৱা দুই এটা আখৰৰ অৱশেষ ৰৈ গৈছে। সি সেইবোৰৰ ওপৰে ওপৰে হাত ফুৰাওঁতে হাতত চক মাটিৰ বগা লাগি আহিল। হাতত চকমাটি দেখি তাৰ চাৰে চক্ দলিওৱা কথাটো মনত পৰি গ'ল। সি ঘুৰি ডাষ্টবিনটোলৈ চালে।*

আৰু আটাইতকৈ ডাঙৰ কথা তেনেকুৱা মানুহৰ নিস্বাৰ্থ কৰ্ত্তব্যৰ সোৱাদ জীৱনৰ প্ৰতিটো ক্ষণতে প্ৰয়োজন হয়, এই সকলোবোৰ ভিত্তিহীন হৈ পৰে তেতিয়া যেতিয়া তেওঁৰেই বিদায় সভাত বহি জমাই থকা হয়। এয়াই আজিৰ আধুনিক চামৰ আবেগহীন মানসিকতা। কিন্তু ইমানেই প্ৰয়োজন নাইনে আবেগৰ? প্ৰশ্নটি দুলি থাকিল অনাদিৰ মনত।

সি গৈ যেতিয়া দ্বিতীয় ফ্ল'ৰৰ সিহঁতৰ ক্লাচৰুমটোৰ কাষ পালে তেতিয়াহে গ'ম পালে যে তাৰ উশাহ ঘন ঘন হৈছে। বন্ধ ক্লাচৰুমটো খুলি ভিতৰলৈ সোমাই যোৱাত অথনি পোৱা চাৰৰ গাৰ গোন্ধটো পোৱা যেন লাগিল। যোৱাকালি এই ক্লাচটোতে আনচাৰি চাৰে সিহঁতৰ শেষৰ ক্লাচটো লৈছিল। সি টিছাৰছ ডেস্কখনত চাৰৰ অদৃশ্য চাপৰ অস্তিত্ব অনুভৱ কৰিলে। শেষৰ দিনাখনো চাৰে চল্লিশ মিনিট পূৰা পঢ়াই শেষত অকল হেপী ষ্টে বুলি ওলাই গৈছিল। সেউজীয়া বোৰ্ডখনৰ কোনে-চোনে মচা নোযোৱা দুই এটা আখৰৰ অৱশেষ ৰৈ গৈছে। সি সেইবোৰৰ ওপৰে ওপৰে হাত ফুৰাওঁতে হাতত চক মাটিৰ বগা লাগি আহিল। হাতত চকমাটি দেখি তাৰ চাৰে চক্ দলিওৱা কথাটো মনত পৰি গ'ল। সি ঘুৰি ডাষ্টবিনটোলৈ চালে। এতিয়াও তাৰপৰা জাবৰবোৰ পেলোৱা হোৱা নাই। তাৰ মনত এটা বিজুলী সোঁত বৈ গ'ল। সি ততাতৈয়াকৈ ডাষ্টবিনটো মজিয়াত ওলোটাই দিলে। এসোপামান গুটখাৰ পেকেট, এফ.চি. পেপাৰ, কলমৰ সাফৰ, ৰিফিল ধুলিৰ লগত ওলাই আহিল। মজিয়াত পৰা বস্তুবোৰৰ মাজৰ পৰা চক্ কেইটুকুৰা বাচি বাচি তাৰ ৰুমালখনত লৈ সি ওলাই আহিল ক্লাচটোৰ পৰা। সি ওলাই আহে মানে দ্বিতীয় ফ্ল'ৰৰ গাতে লাগি থকা ইউকেলিপটাচ্ দুডালৰ মাজেৰে ৰ'দৰ চিটিকনি দীঘল কৰিডৰটোত পৰিছেহি। ৰ'দৰ চিটিকনিৰ ওপৰেৰে খোজ পেলাওঁতে তাৰ চকুত অশ্ৰুকণাই ভৰ কৰিছিলহি। ●






# অসম বন্ধ

*"ভোট দিয়ক, ভোট দিয়ক ....."।*
*"ভোট দিবেন কোন খানে ...."*
*- শ্লোগানেৰে পৰিৱেশটো ৰজন জনাই গৈছে।*
*কিন্তু ক'ত ভোট দিব কৈছে অস্পষ্ট। বাছেৰে এনেদৰে টেটুফালি চিঞৰি যোৱা মানুহবোৰক দেখি ওঁঠ চেপিলে গাখীৰ ওলোৱা ল'ৰা-ছোৱালী জাকেও চিঞৰিছে "ভোট দিয়ক, ভোট দিয়ক, মোৰ মুৰত ভোট দিয়ক ........।"*

-মাহমুদা খাটুন
প্ৰাক্তন ছাত্ৰী

গাওঁখনত ভোটৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছে। ল'ৰাৰ পৰা, আদহীয়া বুঢ়ালৈকে ভোটক লৈ লেথাৰি নিচিগা কথাই মুখ ভৰি পৰিছে - আনকি গাৱঁৰ নামতী, আয়তীহঁতেও তিলটোকে তালটো কৰি ভোটৰ কথা আলোচনা কৰিছে নৈৰ ঘাটত। মুঠতে ভোট বোলা ভূতটোৰ প্ৰভাৱ গাওঁখনৰ ঘৰে ঘৰে। গাওঁখনৰ কেইঘৰমান ধনী মানুহৰ বাহিৰে গোটেইখিনিয়েই সৰ্বহাৰা শ্ৰেণীৰ লোক। কথাতে কয় বোলে - "সৰ্বহাৰা হ'ল নিৰ্বাচনৰ ৰথ" - এই কথাশাৰী বহুত পৰিমানে শুদ্ধ বুলি যেন এই গাওঁবোৰেই পতিয়ন নিয়াইছে।

সৌ নৈ পৰিয়া বীৰেন বোলাটোৰে বোৱাৰী পুৱাতে ওলাই যায় - ঘৰত ল'ৰা-তিৰোতাই কিবা খাইছে নে নাই, সি ত'তকে ধৰিব নোৱাৰে ভোটৰ দাহত পৰি।

গাওঁখনত ৰেডিঅ' বোলা মেচিনটোও হওতে আঙুলিৰ মূৰত গণিব পৰা বিধৰ। গোটেই দিনটোৰ খবৰ শুনাৰ বাবে ডেকা-বুঢ়াৰ আড্ডা বহে ৰেডিঅ' থকা গিৰিঘৰত সন্ধিয়াৰ নাম প্ৰসংগৰ পিচতে ৰেডিঅ'ত বাতৰিৰ ফুলজাৰি পৰে।

হিমাদ্ৰীহঁতৰ ঘৰতো ইয়াৰ প্ৰভাৱ নপৰাকৈ থকা নাই। অৱশ্যে তেওঁলোকৰ কথা বেলেগ, গুৰু-গোসাঁই নামানি ছোৱালীক কলেজত পঢ়োৱা মানুহ! গধুলি হোৱাৰ পিছত হিমাদ্ৰীহঁতৰ ঘৰত ৰেডিঅ' বাজিল। হিমাদ্ৰীৰ দেউতাক বাতৰিৰ মাজতে কথা কোৱা স্বভাৱৰ মানুহ, তেওঁ কৈ উঠিল - 'চাল্লা এই বাতৰি শুনিবই নালাগে, শুনবি মিনি গণহত্যা, ধৰ্ষণ, তাৰ বাহিৰে আৰো একো নাই ......।' বাতৰি চলি থাকিল। হিমাদ্ৰীৰ ডাঙৰ ককায়েকে কাণ দিছে, ক'ত সি কৰা পাৰ্টিটোৱে ৰাইজৰ আস্থা পাবলৈ সক্ষম হৈছে ... এনেবোৰ কথা। কিন্তু ইয়াৰ এটা বাতৰিয়ে হিমাদ্ৰীক উত্তেজিত কৰি পেলালে ... 'অসমত হোৱা সঘন গণহত্যাৰ প্ৰতিবাদত নিষিদ্ধ ঘোষিত কেইটামান সংগঠনে চৌব্বিশ ঘন্টীয়া অসম বন্ধৰ আহ্বান দিছে।' বাতৰিটো শুনাৰ লগে লগে হিমাদ্ৰী বিচনাখনতে ঢলি পৰিল। অহাকালি তাইৰ 'কম্পিউটাৰ'ৰ পৰীক্ষা আছে। তাইৰ মনত পৰিল সেই নিৰ্দেশাৱলীৰ কথা - "যদি কোনোৱে পৰীক্ষাত উপস্থিত নাথাকে, তেন্তে ৫০ শতাংশ নম্বৰ কটা হ'ব।" হিমাদ্ৰীয়ে মুহূৰ্ততেই জথৰ হোৱা যেন অনুভৱ কৰিলে, কাইলৈ অসম বন্ধৰ বাবে গাড়ী নচলিব আৰু তাই কোনো পধ্যেই চহৰত পৰীক্ষা দিব যাব নোৱাৰিব। তাইৰ কি কৰিম-কি নকৰিম লাগিল। তাই ডাঙৰ ককায়েকক ক'লে - 'দাদা কালি মোক কলেজত থৈ আহিব পাৰিবিনে ?' ককায়েকৰ পৰা কোনো উত্তৰ নাহিল, যেন সি জন্ম-জন্মান্তৰৰ পৰা কলা হে ...! উপায় নাপায় তাই মাজু ককায়েকক ক'লে

# কবিতা

## সন্ধান

মাধৱ দাস
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)

লক্ষ্য বিহীন ভাবে দৌৰি আছোঁ মই
তুমিয়েই লক্ষ্য
কেনেকৈ ক'ম ?
বাট চাই ৰওঁ মই
সেই মায়াবী মুহূৰ্ত্তলৈ,
ভাবি থওঁ, দেখা পালেই তোমাক
অনুসৰণ কৰিম।
মায়াজাল ভাঙি যেতিয়া ওলাই আহা
স্তব্ধ হৈ যায় মোৰ গতি,
নিথৰ হৈ ৰওঁ মই।
এনেদৰেই পাৰ হৈ যায় সময়বোৰ
ঘূৰি আহো বাস্তৱলৈ পুনৰ
কিন্তু তেতিয়া হয়তো
বহুত পলম হয়।
বিচাৰি হাবাথুৰি খাওঁ মই;
মায়াবী যাদুৰে তুমি অদৃশ্য হৈ যোৱা।
আকৌ দৌৰো মই
লক্ষ্যবিহীন ভাবে মোৰ লক্ষ্যলৈ
কিন্তু যামেই বা ক'লৈ
তোমাৰ যে ঠিকনাও নাজানো।
মেলি থৈ যোৱা মাথোঁ
তোমাৰ মায়াজাল
য'ত স্তব্ধ হয় মোৰ গতি।
নিথৰ হৈ বহি পৰো মই
তোমাৰ ঠিকনা বিচাৰি।



## স্মৃতি

মঃ মোস্তাফিজুৰ ৰহমান
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

অস্তগামী সুৰুযৰ হেঙুলী আভাই
আকাশ আৰু নৈৰ বুকুত
সমানে ৰহন সানিছে
নৈৰ কোবাল সোঁতত
ফেনে-ফোটোকাৰে বয় যৌৱনৰ গীত
তোমাৰ তেজাল গাল দুখনেৰে
মোৰ প্ৰেমৰ মুকুলবোৰ
বৈ অহা দেখো
তোমাৰ দুচকুৰ ভাষাবোৰ
কেতিয়াবা বুজোঁ
অথচ মই স্থবিৰ ............ ।

একান্ত অনিচ্ছা স্বত্ত্বেও ব্যৰ্থতাৰ বুকুত
নিৰৱে সঁপি দিওঁ, মোৰ অনুভৱ,
স্মৃতিত জ্বলি জ্বলি বুজাব নোৱাৰোঁ
মোৰ প্ৰেমৰ অনুভূতিক
মই যে কত যুগ ৰৈ আছোঁ
তোমাৰ বাবে,
এপাহি তৰাফুল লৈ ............ ।





## সেই একেটাই ঠিকনা

নিলোৎপল ৰাভা
উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান)

মোৰ বুকুত
অনুভূতিৰ পাহাৰ,
স্মৃতিৰ শিল
এয়া চোৱা —
কেনেকৈ ধৰি ৰাখিছো মই
এবুকু নীলা।

তুমি অহাৰ কথা আছিল কেতিয়াবাই
এতিয়াও আহিব পাৰা।

একেই ঠিকনা

দুখৰ চুবুৰী
মোৰ ঘৰটোৰেই আটাইতকৈ পুৰণি,
দূবৰি গজা পদূলি
সদায় মেল খাই থকা জপনা এখনি ..................



# এটা নীলা কবিতা

নৰেন্দু পাঠক
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

মাজনিশা
থম-থমকৈ বহি আছো
তোমাৰ কাষত,
তোমাৰ নীলা ঢৌবোৰ ওপচে,
পাৰ ভাঙি খেদি আহে;
তোমাৰ এটা পৰশতে মোৰ
অনুভূতিৰ গভীৰতালৈ বিয়পে চেঁচা।

মোৰ দেহৰ ভাঁজে ভাঁজে
তোমাৰ ঢৌবোৰৰ অস্তিত্ব।
মই তিতি যাওঁ,
মোৰ জেকা দেহত তোমাৰ নীলা ঘৰ্ষণ,
খলা-বমা বাগৰি সৰি পৰে
এমুঠি কোলাহল।

অদূৰত তোমাৰ বুকুৰ পৰ্বত চূড়া;
ভেজা দি উঠি আহে কোমল বেলি,
দুটোপাল ছিটিকি জিলিকি উঠে
খলা-বমা;
উত্তাপে মচি দিয়ে সমস্ত নীলা।





# হৃদয়ত যে তোমাৰেই প্ৰতিচ্ছবি

নিতুল নাথ
স্নাতক প্ৰথম বৰ্ষ (কলা)

নিঃসঙ্গতাত যে তোমাৰেই ছবি আঁকিছিলো,
প্ৰেমৰ ৰঙেৰে বোলাই,
হৃদয় মোৰ চিত্ৰপট।
তোমাৰ বুকুত আঁকি দিব খুজিছিলো,
এটি কোমল ৰং,
এটি ভালপোৱাৰ ৰং।
তুমি নিৰৱে শুই পৰিছিলা,
সেই ঘাঁহনিডৰাত,
য'ত মোৰ প্ৰেমে, তোমাৰ সৈতে
লুকাভাকু খেলে।

......... তুমি আকৌ আহিছিলা,
মোৰ চিত্ৰপটত
নিজকে বিলাই দিবলৈ।
তোমাৰ বুকুত আঁকি দিব খুজিছিলো,
মোৰ হৃদয়ৰ ৰং!

তুমি নীৰৱে গুচি গৈছিলা ............
মই যে এতিয়া কি ৰঙেৰে বোলাও,
তোমাৰ বুকু;
মোৰ হৃদয়ত যে তোমাৰেই প্ৰতিচ্ছবি!
অকল তোমাৰেই।



# হিয়াৰ বতৰা

হৰিদাস ৰাভা
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

বাৰিষাৰ বতৰ,
সেউজ বচাত নিয়োজিত
দেহ-মন
মোৰ শইচৰ পথাৰ
শিতানত গৰজি থকা
কজলা মেঘমালাৰ আঁৰত
পাওঁহি দ্যুতিৰ সন্ধান।

এনেহেন বতৰত
নাহিবা সোঁৰৰণী
পাহুৱাল হালোৱাৰ
টঙালী খহাবলে
আউলী-বাউলী হ'ব
আজলী ৰোৱণী
লাজত শুকাব মোৰ
সময় গীতৰ
সুৰৰ লহৰ!
পৰি ৰ'ব চন
মোৰ সাৰুৱা মাটি ..........

আঘোনৰ ৰ'দালিত
সোণালী হ'লে
মোৰ শইচৰ পথাৰ
সোণত সুৱগা চৰিবলে'
আনিবা সোঁৰৰণী তুমি
প্ৰিয়তমাৰ হিয়াৰ বতৰা।





# বন্দুক বনাম কলম

(এক অন্তহীন যুঁজ ...)

মিচ্ নিৰ্মালি পাঠক
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)

এয়াই জানো
কুৰি শতিকাৰ মহাৰথী ?
যাৰ ৰথত উঠি সকলোৱে
স্বৰ্গাৰোহণ কৰিব বিচাৰিছিল;
ৰথখন ভালদৰে চলিয়েই আছিল
কিন্তু সন্ধিক্ষণতে যে ইয়াৰ বিপত্তি
কোনে জানে .............. ??

দুস্কৃতিকাৰীৰ নিলাজ হাতৰ চেকাত
সকলো শেষ হৈ গ'ল;
এতিয়া মাথোঁ চাৰিওফালে এন্ধাৰ
আৰু এন্ধাৰ।

পূৰ্ণিমাৰ ৰাতিৰ প্ৰহৰীও আজি
সকলোৱে বাবে নিস্প্ৰভ;
কিন্তু ইয়াতে জানো আমি আমাৰ
সংগ্ৰাম শেষ কৰিম ?
নাই কেতিয়াও নহয়।
আমি যুঁজিছোঁ, যুঁজি আছোঁ আৰু
যুঁজিয়েই যাম,
বন্দুকৰ বিৰুদ্ধে কলমেৰে অন্তহীন ভাৱে ........।



## অজানিতে প্ৰেমবোৰ

জ্যোতিৰঞ্জন বৰ্মণ
প্ৰাক্তন ছাত্ৰ

নদীখন গৰ্ভৱতী হওঁতেই কথা দিছিলা
তুমি আহিবা বুলি
যিদৰে কপৌ ফুলাৰ বতৰত বহাগ আহে।
যোৱাটো বসন্তৰ কথা ...........
তুমি তেতিয়া পাট-গাভৰু হৈ এটি মিঠা সুৰেৰে
ওপচাই পেলাইছিলা মোৰ সমস্ত হৃদয়,
উতলা ফাগুনত তুমি পছোৱা হৈ
আৰু বৰদৈচিলাৰ দৰেই বসন্তত অহাৰ
প্ৰতিশ্ৰুতিৰে ...........
সুহুৰিয়াই যোৱা আবেলিটোৰ বুকুত বান্ধি দিছিলা
প্ৰেমৰ গুণ গুণ মালিতা..........
দোপালপিটা বৰষুণত বান্ধি দিছিলা
শইচ সোণোৱালী প্ৰেমৰ বতৰা,



শূণ্যতাৰ মাপকাঠিৰ মাজত তোমাৰ আৰু মোৰ
অলিখিত চুক্তিৰে
এতিয়াও মনৰ চিকুন কোণত সযতনে সাঁচি ৰাখিছো,
আমাৰ কথোপকথন আৰু প্ৰতিশ্ৰুতিবোৰ .........
এতিয়া তুমি সহজেই অস্বীকাৰ কৰা প্ৰেমৰ কথা
তেজৰঙা গোলাপৰ বুকুত সঞ্চিত বতৰা,
তথাপি মোৰ প্ৰেম তোমাৰ বাবে এবুকু অহাহুও
আকাংক্ষাৰ ঢল ..........
উজাগৰী নিশাৰ এটি উদাস হুমুনিয়াত .......
অদুৰত হঠাতে শেষ হৈ যোৱা এটি চিনাকী মিঠা
বাঁহীৰ সুৰ .........
অথবা এজাক সুখৰ ধুমুহা ........।



## সন্ধান

মিচ্ নিভাৰাণী নাথ
প্ৰাক্তন ছাত্ৰী

বহুদিনৰ পৰাই মই তোমাক বিচাৰি আছোঁ
আধৰুৱা কথাখিনি শুনিবলৈ তোমাৰ জানো সময় হ'ব ?
উভতি নহাৰ প্ৰত্যয়েৰে তুমি যে গুচি গ'লা
কুণ্ডলি পকাই ছানি ধৰিছে মোৰ আকাশখন
বুকুত অহৰহ জাপি থৈছোঁ তোমাৰেই নাম,
তুমি যেন দুখৰেই মালিতা
কেনেকৈ পাহৰোঁ, তোমাৰ হৃদয়ৰ আলাপ কৰা দিনবোৰ।
চকুমুদি অনুভৱ কৰোঁ ছন্দহীন অভ্যস্ত জীৱন।
কুশলে আছানে অসীম তুমি ?
মাজে সময়ে মোৰ বুকুখনেদি ধপ ধপাই উৰি যায় শৰালি এজাক
তোমাৰ মূৰত ক্ৰিকেটৰ বেটেৰে আঘাত পোৱা কথাটো ভাবিলে।
কেলেণ্ডাৰৰ তাৰিখৰ দৰে তুমিতো মোৰ লগতেই আছা
ভেনিটি বেগটো খুচৰিলেও পাওঁ তোমাৰেই কবিতা
এবাৰ মাথোঁ আহি যোৱা অসীম।
শীতৰ কুঁৱলীৰ ফাঁকেৰে কঁপি থকা কাঁচি জোনটোৰ দৰে
তোমাৰ হাঁহিৰ অনুৰণন ৰোমন্থন কৰিছোঁ মই বাৰে বাৰে।
তুমি যোৱাৰে পৰা দীঘল খট্‌খটিৰে অহা এন্ধাৰটোৱে
মোক খেদি ফুৰিছে।
এতিয়া মই দিশহাৰা হৈছো
পৰেনে মনত অসীম, আবেলিৰ বিদায় পৰত
গহীন এন্ধাৰে ঢকা সীমাহীন সাগৰৰ পাৰটো ?
তুমি জানো নাভাবা, যে তোমাৰ প্ৰেমেৰে যদি
চহাই পেলাব পাৰোঁ মোৰ মাটি
কিমান দিন দিবা বাৰু প্ৰেমক যাতনা
তুমি যোৱাৰ পিছত শূন্যতাক সাৱটি বিষণ্ণতাৰ ছায়াকেই আগুৰি আছোঁ,
আশাবোৰেও যেন ফালৰি কাটিব খোজে
বুকুৰ বোকাতো যে বাঢ়িছে 'তুমি' নামৰ এটি বিষ
মই আজি দিগন্তকে সীমা বুলি কিদৰে ঘূৰি ফুৰিম বাৰু ?

## সমন্বয়

খনীন্দ্ৰ চন্দ্ৰ নাথ
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

*"Nature teach you............*
*what your mother can not."*

ৰজনীগন্ধাৰ স্নিগ্ধ গোন্ধত
টোপনি ভাঙি
উৰা মাৰে ভাবৰ হিল্লোলে
সৌৰ্য্য ৰাজ্যৰ ৰাজকাৰেঙৰ সন্ধানত .............. !

যি আলিঙ্গনত সৰি পৰে
প্ৰকৃতি বৈচিত্ৰৰ সাৰ্থকতা –
সেউজীয়াখিনি সিঁচৰিত হয় যাৰ পৰা,
জাক জাক মৌচুমী প্ৰব্ৰজন ঘটে য'ৰ পৰা,
য'ৰ পৰা সৃষ্টি হয় মলয়াৰ মৃদুল হিল্লোল,
তাৰেপৰাই সংযোজিত হয় দাবানল,

শাসনৰ কঠোৰতাত উলংগ হয় প্ৰকৃতি,
আৰু এতিয়া ই এখন কুঞ্জকানন।
এয়াইতো সৌন্দৰ্য্যৰ সমন্বয়।





## প্ৰসংগঃ বিস্ফোৰণ, আহত, নিহত ইত্যাদি

হিৰণ্য নাথ
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান শাখা)

প্ৰতিবাৰে বিস্ফোৰণত আহত হয় আমাৰ কলিজাৰ এফাল।
কাৰোবাৰ অন্তৰত নিহত হ'লে মানবীয়তা
বিস্ফোৰিত হয় একোটা বোমা,
স্তব্ধ হৈ পৰে আকাশ,
আত্মাক ঢাকি বয় তেজৰ নৈ, নিশ্বাসত বাৰুদৰ আতংক
যেনিয়ে তেনিয়ে উৰা মাৰে চৰাই
কপি উঠে শিল, গছ আৰু ঘৰ
উদাস হৈ পৰে সৰিয়হ বাগিছা

বিস্ফোৰণে নাজানে আহত আৰু নিহতজনৰ ঠিকনা
তথাপিও
বিস্ফোৰণত নিহত হয় নৰ-নাৰী, আহত হয় শিশু
ইচ্ছা আছিল জীয়াই থাকিবলৈ, প্ৰবল ইচ্ছা আছিল।
সপোনৰ কোনোবা এটা বাটেৰে গৈ থাকোতে
হেৰালে মাত, হেৰালে বতাহ আৰু চেতনা,
ভুল আছিল সেই বাট।

সম্প্ৰতিঃ
নিহত আৰু আহতৰ তালিকাৰ শীৰ্ষত ঈশ্বৰ।
সেয়েহে আকৌ বিস্ফোৰিত হ'ব বোমা
যেনিয়ে তেনিয়ে চিটিকি পৰিব
নৰ-নাৰী আৰু শিশুৰ খণ্ড বিখণ্ড তেজ মঙহৰ টুকুৰা
গুড়ি হ'ব হাড় আৰু
কাযত পৰি ৰব ঈশ্বৰৰ নিথৰ দেহ।



# দাগ

ৰীতা দেৱী
স্নাতক তৃতীয় বৰ্ষ

শতাব্দীৰ নিস্তব্ধতা ভেদি
ঠিক এইখিনিয়েদি
বৈ গৈছিল তাই।
পাহাৰখনৰ গাত
ভেজা দিয়েই নাচি বাগি
ফুৰিছিল তাই।

যৌৱনৰ উত্তাল তৰংগত
তাইৰ বুকুত .................
উটি ভাঁহি ফুৰিছিল
ৰাতিৰ তৰাজাক!

নিলাজ আকাশখনেও যেন
নিজৰ প্ৰতিবিম্ব চাইছিল
তাইৰ দুচকুত।
আৰু ডাৱৰবোৰ..............
ডাৱৰবোৰেও চোন একো
প্ৰতিবাদ কৰা নাছিল !

পিছে যৌৱনৰ চঞ্চলতাত
পাহাৰখনক প্ৰতাৰণা কৰি
গতি সলালে তাই।
নিস্তব্ধতাত হেৰাই গ'ল
পাহাৰখনৰ স্তব্ধ হৃদয়।



অলৰ-অচৰ, কংকৃট হৃদয়ৰ
বুঢ়া পাহাৰখনে
আকাশৰ চকুলৈ চাই
আজিও চিঞৰি কয় —
'ঠিক এইখিনিতে আছিল তাই
মোৰ বুকুত চিৰাচিৰ হৈ থকা
এই যে ক'লা দাগটো
ঠিক এইখিনিতে ............. !
এইখিনিতে
আছিল তাই ................।



# সময়ৰ শুকুলা অশ্ৰু

মাহমুদা খাতুন
প্ৰাক্তন ছাত্ৰী

সময়ৰ সোঁত
আজি বহুত বছৰ হ'ল ?
খৰিকাজাঁই জোপা নিশ্চিহ্ন হোৱা
তেওঁ আৰু মোৰ মিলনৰ ব্ৰহ্মমূহূৰ্ততেই নেকি ৰোৱা হৈছিল মোৰ পদুলিত
এতিয়া, তোমাৰ আৰু মোৰ মাজত থকা জেওৰাখন
দুৰ্লঙ্ঘ্য বেৰ হ'ল,
তোমাৰ টাইলচ্ লগোৱা শৌচাগাৰ, স্নানাগাৰ .......
মোৰ অলস জীৱনৰ স্বৰ্গস্বপ্নৰ আলফুল তন্দ্ৰা
সুচিন্তিত, বিলাসবিধৌত শয্যা কক্ষ, মোৰ হৃদয়ৰ মুকুতা
মণি, মধুচন্দ্ৰিকা
বন্ধু, ......... তুমি সুখীনে ?
সেই যে ভোকাতুৰ বিহীন পৃথিৱীখনৰ কল্পনা কৰা দিনবোৰ
কনকচম্পা ফুলৰ ৰাগিণী আৰু কলুসবিহীন পৰিকল্পনা
সুস্বাদু ব্যঞ্জনৰ অন্নাবৃত বহল থালখন সযতনে ৰাখিছানে ?
মনত পৰেনে ৰূপোৱালী নৈৰ কাচোনমতী গান
নীড়মুখী চৰাইৰ সান্ধ্য ভ্ৰমণ, চেনেহীৰ সোণোৱালী আদ্ৰতাত
কলং নৈৰ চকুপানী আৰু সেই যে
গাভৰু জাকৰ খল-খলনি
সিঁহত জাক থিক তেনেদৰেই আছে .................
আমাৰহে পাৰ্থক্য আছিল ............. !!



## বেঁকা চক্ৰ

সৌৰভ পাটগিৰী

এজাক ক্ৰুৰ শেন চৰাইৰ
নিৰ্মম আঘাতত
ক্ষত-বিক্ষত মই ।

ভয়াল এন্ধাৰৰ আঁৰত
এজাক ফেঁচাৰ
বিকট্ চিঞৰ ।

তথাপি,
মানৱ সভ্যতাৰ
আদিম পুৰাৰ
গ্ৰীক বীৰ মইয়ে।
মইয়ে প্ৰামিথুছ ।

যুগৰ শেন চৰাইৰ
বেঁকা ঠোঁটত
ওলমি থকা
ৰক্তিম মঙহ ডোখৰ
মোৰ কলিজাৰ।

তথাপি, মই প্ৰমিথুছ
সূৰ্য্যৰ তীব্ৰ পোহৰত
মোৰ ভগা কলিজাক
গঢ়ি লওঁ।

ঠিক যেন
গুলীবিদ্ধ বিকলাঙ্গ
যুঁজাৰু সৈনিক জন।





# অন্য ভাষাৰ মাণিক বুটলি



বড়ো কবিতা

## আংগীথি

ভূপেন্দ্র নাৰায়ণ বসুমতাৰী
প্ৰাক্তন ছাত্ৰ



আংখৌ লৌগী মৌনন্না জেৰৈ নোং দোগো-মোগো জায়ৌ
বিব্দিনৌ নোংখৌ নুন্না আংবৌ আছুং-আবুং মৌনৌ
মানৌদি জৌং ছানৈবৌ এছেবাং ছাছু-মাছু ...... !

আংনি মেগনাও জেৰৈ নোং নোংনি মোহৰ বেৰখাংনায় নুয়ৌ
বিব্দিনৌ নোংনি নৌজৌৰাও আংবৌ আংগী দেংখৌ মৌন্দাঙৌ
অন্নাবৌ জৌং ছানৈবৌ মানৌদি এছেবাং গৌনৌ-গৌথৌ ...... !

আংনি থাখায় জেৰৈ নোং হাংমা-হাংছানি আৰোনাই দ্বায়ৌ
বিব্দিনৌ নোংনি মিজিংক্নি আংবৌ ছমৱা-ছমব্ৰি খন্থায় ৰনছায়ৌ
থেওবৌ জৌং ছানৈবৌ মানৌদি এছেবাং গলো-গথো ......... !

আংনি নিদানাও জেৰৈ নোং আৰোজ গাবৌ
বিব্দিনৌ নোংনি গাহাম আংবৌ অৰায় হাছথায়ৌ
নাথায় জৌং ছানৈবৌ মানৌদি এছেবাং আওয়া-ফাওয়া .... !

জেনো জৌং ছানৈবৌ দৌংছে লামানিনৌ দাওবায়াৰি
ছানৈবৌ ছানৈনি বিবায়াৰি।

## আংনি হাবিলা

অমৰজিত বসুমতাৰী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান)

আংনী মৌনচে মিনিছুলুনায় নাংগী
যায় নৌংনি গুপ্তিনিক্ৰায় সৌমজিয়ৌ।

আংনী মৌনচে গীজৌন বাৰ নাংগৌ
যায় নৌংনি ছেৰনিক্ৰায় বাৰবৌয়ৌ।
আংনী মৌনচে বৈসুমৈ দেংখৌ নাংগৌ
যায় নৌংনি গাৰাংনিক্ৰায় ঔংখাৰবৌয়ৌ ।

আংনী মৌনচে গীজৌন হ'ৰ নাংগৌ
জেৰাও নৌং আংজৌং থাফায়ৌ ।
আংনী মৌনচে গীজৌন সিমাং নাংগৌ
জেৰাও নৌং আংনি শৌলেৰখৌ বিলিৰফৈয়ৌ ।

বেনৌ জাগৌন আংনি জীউনি
বয়নিখুবৈ দেৰছ্নি গীজৌন্নায় ।





ৰাভা কবিতা

## ব্ৰিচায়......

ভাগ্যৰতী ৰাভা
স্নাতক তৃতীয় বৰ্ষ

চানিনি নায়বায়ান
কামানে ৰা'
হান্দাৰবায় দংচা

সময় তংপাকেয়ান
খাপাক কীচুঙে ৰা'
মানো অ'গনদংচে ব্ৰিচায় —

বাৰংগিৰি ৰংগিৰি
দুম্‌দাক বাহুৱালি
চাপীক পিথাৰপাকে
খাৰ মনিনি নায়কায় কামনা
পাৰগি পূজাঁ, নেকেনিনি নৌকৃচি খুঁথাৰে —



## পানচুপাৰ

মুবীন ৰাভা
স্নাতক তৃতীয় বৰ্ষ

আক্‌কায় খীৰানকায় ৰাংখোপ বিজান
নৌক্‌দামিতা আঙা
নিংগিনা ক্রিক্‌চাকায় ৰাম্পাৰি

উছি নাঙি ঠিকনা মানা

চাক্‌দাগাকায় ডালায়টি
ফাগুননি ৰং ....

ৰানকায়
ছিত্রাং চিকাঝৰায়
হাং চেং-ৰং কানি কাথাচাৰি
'তংচা তংচা ....'

নাং ঝাৰে ৰেংকায়
তাথেং চ্যাপি বু'ৰকায়
হান্দাৰ
তে' আং নুঙামানা .....









শ্বহীদ বেদীত বন্তি প্রজ্বলন কৰি থকা মূহুৰ্ত্তত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰেন্দ্র নাথ শৰ্মাদেৱ



মহাবিদ্যালয়ৰ উপাধ্যক্ষ এ. এছ. আৰ. আহমেদদেৱ এক কৰ্মব্যস্ত মূহুৰ্ত্তত

## সম্পাদনা সমিতি



বহি থকা বাওঁফালৰ পৰা ঃ
শ্ৰীযুত এ.এছ. আৰ. আহমেদ (উপাধ্য
ড° সুৰেন্দ্ৰ নাথ শৰ্মা (অধ্যক্ষ),
শ্ৰীযুত থানেশ্বৰ শৰ্মা (সদস্য)

থিয় হৈ থকা বাওঁফালৰ পৰা ঃ
শ্ৰীযুত ৰতন ভট্টাচাৰ্য্য (তত্ত্বাৱধায়ক),
ড° আব্দুল বাতেন আহমেদ (সদস্য),
শ্ৰী বিমনী মেধি (সম্পাদক)

অনুপস্থিত ঃ
শ্ৰীযুতা লনি বৰুৱা (সদস্যা),
শ্ৰীযুত শৈলেনজিৎ শৰ্মা (সদস্য)

## মহাবিদ্যালয় ছাত্ৰসন্থা

বহি থকা বাওঁফালৰ পৰা ঃ
চেলিমা খাতুন (সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা),
মফিদুল ইছলাম (সাঃ সম্পাদক),
দিপাঙ্কৰ কলিতা (সম্পাদক, বহিঃদ্বাৰ ক্ৰীড়া)

থিয় হৈ থকা বাওঁফালৰ পৰা ঃ
মোঃ ৰফিকুল হক চৌধুৰী (সম্পাদক, সমাজ সেৱা),
জয়ন্ত ভট্টাচাৰ্য্য (সম্পাদক, তৰ্ক আৰু
আলোচনা চক্ৰ), বিমনী মেধি (সম্পাদক, আলোচনী)

অনুপস্থিত ঃ
সৌৰভ কুমাৰ নাথ (উপসভাপতি),
আব্দুল মালিক আহমেদ (সহঃ সাঃ সম্পাদক),
মোঃ আক্ৰাম মিঞা (সম্পাদক, উৎসৱ),
জয়ন্ত ৰায় (সম্পাদক, সাংস্কৃতিক),
আশ্ৰাফুল হুছেইন (সম্পাদক, অন্তঃ দ্বাৰ ক্ৰীড়া),
ফজলুল হক (সম্পাদক, ফুটবল),
ৰাকেশ কুমাৰ দাস (সম্পাদক, ক্ৰিকেট),
অৰূপ জ্যোতি ৰাভা (সম্পাদক, ছাত্ৰ জিৰণী কোঠা)



## মহাবিদ্যালয় সপ্তাহৰ



জেমিমা বেগম
শ্ৰেষ্ঠা বহিঃদ্বাৰ খেলুৱৈ



ঋষৱ নাথ
শ্ৰেষ্ঠ সাহিত্যিক



অৰ্চনা বৈশ্য
শ্ৰেষ্ঠা গয়িকা



গায়ত্ৰী নাথ
শ্ৰেষ্ঠা তাৰ্কিক



অলকেশ ৰাভা
শ্ৰেষ্ঠ বহিঃ দ্বাৰ খেলুৱৈ



**মুবীন ৰাভা**
গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত
ফাইন আৰ্টত দুটা ৰূপৰ আৰু এটা ব্ৰঞ্জৰ পদক বিজেতা



**জয়শ্ৰী দেৱী**
গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত
ক্লাছিকেল ভ'কেল আৰু বৰগীতত সোণৰ পদক আৰু
লাইট ভ'কেলত ব্ৰঞ্জৰ পদক বিজেতা



**মহাবিদ্যালয়ৰ কাৰ্য্যালয়ৰ কৰ্মীবৃন্দ**

# ENGLISH SECTION



# GOOD VERSUS EVIL

**To be good is good for the humanity, for the whole world. But, to be evil is bad not only for the evil itself, but also for the whole of mankind.**

Kamini Mohan Sarma
Lecturer, Deptt. of Enlish.

On hearing the news of the assassination of Mahatma Gandhi, George Bernard Shaw expressed his feelings saying that it (the assassination) proved that it was dangerous to be good. On seeing the scene of the destruction of the twin 110-story towers in New York (The World Trade Centre & Pentagon housing US Defence Department) on TV set in the morning of September 12 one had to express one's feelings saying that it was more dangerous to be evil. For being good Mahatma Gandhi died ; but he saved a whole nation, ..... the humanity as a whole. His non-violence taught him to accept the sufferings and cause harm to none. He died for the people for whose freedom and well-being he worked. He died for his 'non-violence',- the Mantra, the instrument, the dogma the way that could save the humanity afflicted by racial conflict, religious hatred and intolerance and ideological and hegemonistic rivalry. So, on the next day of Gandhi's assassination the editoral of 'The Hindustan Standard' termed Mahatma Gandhi's assassination as the Second Crucifixion in the World.

To be good is good for the humanity, for the whole world. But, to be evil is bad not only for the evil itself, but also for the whole of mankind. When in December 1979 the troops of the then USSR entered Afganistan in support of the Communist Govt. there, America, in order to break the back of Communism and check its emergence as the sole super-power of the world, came forward to help the Afgan rebels. America then said that the Christians would help their Muslim brothers against the un-godly forces (communist forces) and called the Afgan War in the 1980's the War of the Muslims against the un-godly forces. American president Ronald Reagan then praised the Afgan and Arab Guerrillas calling them 'freedom fighters'. The US then launched a massive programme of militarising and indoctrinating the Muslim youths who were ready to fight the Soviet Union in Afganistan. The US then provided funds and arms including Stinger surface-to-air missiles to the so called freedom fighters. 'The US aid was channelled through Pakistan and given to the groups selected by Pakistan. America then knew well that some of those ragtag groups were Islamic fundamentalists. Still America helped them, because America was then thinking only about the cold war and the 'Reagan

Doctrine'. America then knew that Osama Bin Laden was then shaping his Al-Qaida terrorist network in Afganistan. Yet, America then landed Osama Bin Laden as a freedom fighter and gave him logistical and political support because of the cold war and the Reagan Doctrine. The effect on America's unholy act was not good. As was desired, the back of communism was broken but the evil that was helped by America to grow ultimately struck back and the September 11 tragedy occurred.

Mahatma Ganghi once said,'I am not likely to attain the result following from the worship of God by laying myself prosrate before satan . On prostrating before evil, America attained not the result following from the worship of God. America confessed that she commited an error in Afganistan in the 1980's and in order to ractify her errors, she was at war against the Taliban regime in Afganistan.

President Ronald Reagan's 'Muslim brother' and 'freedom fighter' - Osama Bin Laden became the number one enemy of President George Bush. In an interview to 'Time' magazine pubished in January 1999, Osama Bin Laden told ; "If the instigation for Jehad against the Jews and the Americans .... is considered a crime then late history be a witness that I am a criminal." The number one enemy of president Bush is still at large to do his Jehad and the Americans are still in the grip of fear. But surprisingly towards the end of 2002. President George Bush stopped to talk about Osama Bin Laden and started to talk about Iraqi President Saddam Hussain. Towards the beginning of 2003 Washington attempted to convince the world community that the world peace was at stake not because of the activities of Osama Bin Laden and his Al Qaida but because of Saddam Hussain and his weapons !

But, who gave Saddam Hussain the weapons ? When Iran and Iraq was at war from 1980-1988 the USA was worried that if Iraq was Defeated in the war then Iran would destabilize Kuwait, the Gulf states and even Saudi Arabia and thereby American oil supplies would be threatened. So, America did not desire that Iraq should not loss the war with Iran. So, then, the America diplomates started to refer Iraq as 'the good guys and Iran as the bad guys'- and America started to give aid to Iraq. American aid to Iraq in its war with Iran included intelligence sharing and supplying of cluster-bombs. America faciliated Iraq's acquisition of chemical and biological precursors. The administration of Ronald Reagan authorised the sale to Iraq of numerous items that had both military and civilian applications including poisonous chemicals and deadly biological viruses such as anthrax and bubonic plague. America then provided support to Saddam Hussain's to keep him in power. Washington then hoped that Hussains govt. would become less repressive and more responsible. And now in 2003, Washington thinks that Saddam Hussain has become more repressive and less responsible ! Really, it is more dangerous to be evil.

If, for the sake of peace, disarmament is a must, then all the seven countries (eight, if we count North-Korea) should be disarmed. □



# National Income and Economic Welfare



Sonali Kar
T.D.C.1st year (Arts)

The money value of all goods and services produced in a country or an economy during a specific period is known as National Income. Generally, this specific period is considered as one year. In other words total amount of income accruing in a country from economic activities in a year's time is known as national income.

Welfare is the state of the mind which reflects human happiness and satisfaction. A. C. Pigou regards individual welfare as the sum total of all satisfactions experienced by an individual; and social welfare as the sum total of individual welfares. He devides welfare into economic and non-economic welfares. Economic welfare is that part of social welfare which can directly or indirectly be measured in money.

**Relation between Economic Welfare and National Income :**

A. C. Pigou establishes a close relationship between economic welfare and national income, because both of them are measured in terms of money. When national income increases, total welfare also increases and vice-versa. But in some situations this statement does not hold good. The material performance and the welfare of a community are not always identical. If in a country, the production of a large number of consumable products is on the increase, it does imply that national income of the country also increases. But it is possible that there might have been at the same time a serious erosion of the consumption standards due to some other factors. The community, on the whole, may be materially more prosperous but it may be at the expense of the happiness or contentment of the people. The divergence between material performance and level of welfare cannot be properly accounted for by the mere income and product aggregates.

The effect of national income on economic welfare can be studied in two ways:

(i) by change in size of national income, and

(ii) by change in distribution of national income.

(i) The change in national income may be positive or negative. The positive change in the national income increases its volume, as a result people consume more of goods and services, which leads to increase in the economic welfare, whereas the negative change in national income results in reduction of its volume. People get lesser goods and services for consumption which leads to decrease in economic welfare. But this relation depends on a number of factors :

First, it is required to see if the change in national income is real or monetary. If the change in national income were due to change in prices, it would be difficult to measure the real change in economic welfare. For instance, when the national income increases as a result of increase in prices, the increase in economic welfare is not possible because it is probable that the output of goods and services may not have increased. It is more likely that the economic welfare would decline as a result of increase in prices because in that case people would then be able to consume lesser goods and services than before. This it is only the real increase in national income that increases economic welfare.

Secondly, it depends on the manner in which the increase in national income comes about. The economic welfare of the community is directly related to the amount of exertion involved in turning out a certain level of output or the leisure available to the society. The aggregate of national income or product simply indicates a particular level of material performance quite regardless of the fact whether that level of output had been obtained by subjecting the workers to a prolonged and strenuous schedule of work or had it been secured by working for shorter duration. This economic welfare cannot be said to have increased, if the increase in national income is due to exploitation of labour, e.g., to increase in production by workers working for longer hours or by paying them lesser wages. Thus forcing them to put their women and children to work in dangerous occupations and also not providing them with facilities of transport to and from the factories and of residence, and their residing slums.

Similarly, if the increase in national income has been obtained by introducing labour saving machinery throwing out a large number of workers out of employment, this growth in national income with the increase in unemployment cannot be called progress because it will decrease economic welfare.

Thirdly, the influence of increase in national income on economic welfare depends also on the method of spending adopted by the people. If, with the increase in income, people spend on such necessities and facilities which increase efficiency, the economic welfare will increase. But on the contrary, the expenditures on drinking, gambling etc. will result in decreasing economic welfare.

Fourthly, it will not be proper to make any hasty generalisation about the welfare: of a society simply because the aggregate income or output has increased. If the in



**The industrial growth and urbanisation create problems like the industrial slums, diseases and crimes.**

crease in national income is due to an increased production of war equipments and ammunition, such an increase in material performance will not be associated with any improvement, in the consumption standards of the people. In this situation, although aggregate output has increased, yet the shortage and inflationary pressures experienced presently will considerably depress the standard of living of the people and hence the economic welfare decreases.

Fifthly, if with the increase in total national income and per capita income, the rich are getting richer and poor are getting poorer, then this movement in national income cannot be said to prompt welfare. Professor Hicks rightly remarks "the national income only measures the total volume of goods and services at the disposal of the community during the year; it can tell us nothing, for example about the way in which the national income is divided up between rich and poor.

Sixthly, national income cannot be a reliable index of economic welfare, if per capita income is not born in mind. It is possible that with the increase in national income, the population may increase at the same pace and thus the per capita income may not increase at all. In such a situation, the increase in national income will not result in increase in economic welfare. It is for this reason that the estimates of living standards are based generally on per capita income, output or consumption rather than on aggregates of income, output or consumption.

Again national income and production are simply to the economic cost of producing goods and services which includes labour charges, value of raw materials and other factor inputs, allowance for capital consumption, indirect taxes and other levies. Such cost can be objective and readily measured. But the current productive activity imposes certain social costs which are not only subjective and intangible but also have a direct bearing upon the welfare of the community. With greater mechanisation and industrialisation, the fall out of industrial erosion engulfs agricultural fields, parks, playgrounds etc. The industrial growth and urbanisation create problems like the industrial slums, diseases and crimes. The damage to physical and social environments consequent upon the current level of productive activity clearly has an adverse effect upon the health and welfare of the community. Thus although there is an improvement in material performance and mechanisation it does not describe the exact line of welfare as it excludes immaterial consideration of life.

Lastly, the well-being of the people also depends upon the relative proportions of wage-goods ( necessities) and the luxuries in the consumption of mentional product. It may be that in a country luxuries are being produced in relatively greater quantities than the wage-goods.In that case while the few rich will be rolling in luxuries, the poor will be deprived of even sufficient quantities of necessities of life. Like wise,

national and per capita income do not accurately reflect improvements in quality of products. This is a short coming because improvement in the quality of products affects the economic welfare of the people as much as the increase in quantites of goods.

The change in the distribution of national income takes place in two ways: first by transfer of wealth from the poor to the rich and second, from the rich to the poor. When as a result of increase in national income, the transfer takes place in the former manner, the economic welfare decreases.

The actual relation between the distribution of national income and economic welfare concerns the latter form of transfer when wealth flows from the rich to the poor. The redistribution of wealth in favour of the poor is brought about by reducing the wealth of the rich and increasing the income of the poor. This possibly could be done by imposing progressive taxation on income, property etc, by imposing checks on monopoly, by nationalistion of social services, by levying duties on costly and foreign goods which are used by the rich and so on. And on the contrary giving more privileges to the poor section by increasing the production of goods used by poor, by fixing a minimum wage rate, by fixing the prices of goods, by granting financial assistance to the producers of these goods, by distributing the goods through co-operative stores and by providing free education, social security and low rent accomodation to the poor. When through these method the distribution of income takes place in favour of the poor, the economic welfare increases.

But it is not essential that equal distribution of national income would lead to increases in economic welfare. On the contrary, there is a greater possibility of the economic welfare decreasing if the policy towards rich is not rational. Heavy taxation and progressive taxes at high rates affect adversely the productive capacity, investment and capital formation, therby decreasing the national income. Similarly when through the efforts of the Government the income of the poor increases but if they spend that income on bad goods like drinking and gambling etc, rather than on essential goods or if their population increases, the economic welfare will not increase.

Thus national income and economic welfare can be two sides of same coin with different particular consideration. Thus we arrive at conclusion that as a result of the increase in national income, the economic welfare will increase provided that the income of the poor increases instead of decreasing and they improve their standard of living and that the income of the rich dicreases in such a way that their productive capacity, investment and capital accumulation do not decline. Only then national income can be considered as a good indicator of economic welfare of a society or a nation. □

*[ This paper was presented in a Seminar organised by the Economics department of the college]*



# NATIONAL CHILDRENS' SCIENCE CONGRESS

## DOWN THE MEMORY LANE

**Every participant was required to take up a project under a teacher's supervision.The topic of the project was to be linked with the local theme "Clean Up India". The project was required to highlight a certain problem, explaining all its aspects and suggestion for its redressal for which a certain area was to be selected for data collection and analysis, and the project report prepared.**

Meghna Choudhury
T.D.C. 1st year (Sc.)



Time, though passes away taking off all the incidents, yet some memories remain fresh in the heart for a life time. I still remember those old and happy school days, specially the time when we were slowly steping into adolescence from childhood. In those days, with the studies, participating in almost all kinds of extra curricular activities (other than sports for me ) had become a passion . I feel very happy to share my reminiscence of the totally wonderful experience of "National Childrens'Science Congress" (NCSC) .

If was the month of August in the year 1995 . I was reading in class VI. Summer vacation had just ended and there were huge showers almost everyday. One morning, suddenly in the assembly I came to know about NCSC. I felt very anxious about the event and to know more about it, I approached Arun Sharma sir (Former Lecturer, Dept. of Physics, Goalpara College; presenty Principal of Chaygaon College ).

He explained the matter very nicely. Assam Science Technology and Environment Council( ASTEC) in association with the Assam Company Ltd. had organised the state level convention of 3rd National Childrens' Science Congress, 1995 for the children under age group 10 -17 years. Every participant was required to take up a project under a teacher's supervision.The topic of the project was to be linked with the local theme "Clean Up India". The project was required to highlight a certain problem, explaining all its aspects and suggestion for its redressal for which a certain area was to be selected for data collection and analysis, and the project report prepared. For presenting the final report orally before the judges, charts, maps, models etc. were to be used. Lastly the judges and the audience would ask questions to the participant.

Hearing the entire process of project making. I just made up my mind to do something. Under the guidance of Mr. A. Sharma (our school teacher) I took up a project entitled "Indoor Pollution in Baladmari area of Goalpara town". I made my first presentation in the district level competition at Goalpara College in September, 1995. There I was selected for the state level along with 14 other participants of our district.

The state level convention was held at Darrang College, Tezpur from October 13-15. Our team performed well and we met people from all parts of Assam. Various types of activities like quizes, exhibitions, question and interaction hours with

> " Various types of activities like quizes, exhibitions, question and interaction hours with renouned scientists and educationists, cultural shows etc. were also organised along with the project presentation hours. We learned a great deal during those days along with fun making."

renouned scientists and educationists, cultural shows etc. were also organised along with the project presentation hours. We learned a great deal during those days along with fun making. At the prize distribution ceremony, I too won state level Child Scientist Award offered by the Assam Company Ltd. I also got selection in the state level team of Assam for the national convention. All my team- mates greeted me a lot.

After the school annual examination,I began my preparation for the Nationals.The natioal level congress was organised at the Assam Police Radio Organisation (APRO) campus (behind Assam Engg. College, Jalukbari, Guwahati). On December 21, the Assam team comprising of students from many parts of Assam reached the APRO campus. We all mixed up very quickly and began to live like a family. We had orientation camp in which experts prepared us for the congress. From Dec 25, participants from all parts of India began to reach there and as members of the host state we greeted them all.

On Dec 27, the national level congress, organised by National Council for Science and Technology Communication



(NCSTC) Network in association with Ministry of Human Resource and Devel-opment, Govt. of India and ASTEC,finally began with a grand ceremony. From Dec 27 to 30, all the participants presented their projects and took part in quizes, exhibitions, interaction with renowned personalities, local excursions and cultural shows. I interacted with many people from all over India and felt their eagerness and enthusiasm to know more about our state. I still remember the greetings which I received from them after my Bihu Nritya and Goalpariya Loka nritya. Everyday we enjoyed food items generally included in the culinary of different states of India but prepared by local chefs.

On Dec 31 morning, we all assembled at the auditorium of Don Bosco School. The last ceremony was organised there. It was a very heart throbing, totally overwhelming moment for me to receive the "National Youngest Child Scientist Award" from our then-Governor Hon'ble Loknath Mishra. The entire ceremony came to an end with the National Anthem.

With all the mirth and happiness , the tears, the achievements, smiles, gratitude and friendship we returned back home. NCSC has given me the love of lots of good people who occupy a special place in the core of my heart and an extended horizon of acquaintance to communicate. In this context, I express my heartiest gratitude to my teachers, my family , friends , all the people counected with my project and above all Arun Sharma sir for helping me in making my efforts fruitful. The sweet NCSC days ended but their freshness and fragrance still spread themselves upon my heart.NCSC has been a totally wonderful experience and it seems to be a very nostalgic feeling whenever I remember those green and beautiful days. ❑

To see a world in a Grain of sand
And a Heaven in a Wild Flower
Hold infinity in the palm of your hand.
And Eternity in an Hour.

- William Blake.

Our Writers and artists have their literary and art work to do, but their primary task is to understand people and know them well.

- Mao Tse Tung.

# THE EARLY UNIVERSE, THEOLOGY, SCIENCE etc.



Jyoti Medhi
T.D.C. 1st year (Sc.)

The question of the beginning of the universe has been generating tremendous interest since time immemorial. According to a number of early cosmological views and some religious traditions, the universe started at a finite time and that was not very distant past. Day to day experience says that any event of today has some past cause and any future event must have a present beginning. These made the people believe that there must be some 'First Cause' to the existence of the universe.

Philosopher Immanual Kant in his famous book 'Critique of Pure Reason' gave two contradictory but interesting arguments. His first argument was for believing that the universe had a beginning and second argument was for believing that the universe had existed forever. His first argument was that if there was not a beginning of the universe, there would be an infinite period of time before any event, which he called absurd. His second argument was that if the universe had a beginning there would be an infinite period of time before it. So according to his second argument he asked," Why the universe should select a particular time to begin ?" In giving his arguments, Kant mistakenly believed that time had existed forever.

In 1929, Edwin Hubble observed that the distant galaxies are moving away from us. Analysing his results he concluded that the universe is expanding and thus confirmed the theoretical prediction made by Alexander Friedman. From this, one can easily argue that at an earlier time all the matters of the universe were closed to each other and if we continue to go back to the past, we would have arrived at a moment when the entire universe was concentrated at a point. At this moment of point, universe is called 'big bang'. At the time of big bang the universe was infinitely dense. Since 'time' is a property of the universe, so big bang theory states that time did not exist before big bang, that is before the birth of the universe. Even if there were 'something' before big bang those something can in no way effect the post big bang events. Religion and theology were very much critical about the idea of 'big-bang', initially. But they had to compromise by believing that God must have created the universe at the time of big-bang. This compromise raised another troublesome questions, such as "What did God do before creating the universe ?"

This controversy reflects some basic differences between scientific and theological views, while science can boldly welcome some new ideas, theology has to live with some self contradictory postulates. Science does not invite God in exploring nature, because a Godless nature can provide better explanation of the sorrounding reality. But theology on the one hand speaks about the omnipotent God and on the other hand it has to agree with the fact that the omnipotent God is bound by some natural and regular laws. Theology is a closed sphere, one will have to manage everything inside that sphere. But science is always open to questions. For science a natural fact, which is unexplainable with the existing ideas may be the indication of some new set of ideas and negation of existing ideas. But theology. in such a situation will like to negate the natural fact in order to keep the existing ideas intact. History is full of such events.

Almost all people at the time of Aristotle believed that the universe was geometric where earth was considered to be the centre of the universe and the sun, the moon, the planets moved round the earth in circular orbits. Some of the observational facts did not fit with such a model of the universe. Copernicus proposed a heliocentric (where sun is considered to be the centre of the universe) solar system, which was later supported by Galileo, which could explain the observational facts better. But, since the Christian theologist believed on the geocentric idea of the universe, people like Copernicus, Galileo had to face the fury of the Christian Church.

History of science is not a smooth development, sometime it drew some conclusion, which later on proved to be wrong. But the important character of scientific philosophy is that it considers something to be true untill some new facts contradict it. If we want to know the nature we can not avoid this basic principle of scientific philosophy. ❑

*Source : Stephen Hawking* : A BRIEF HISTORY OF TIME.

## Lines in a Rainy Night

*Rhisav Nath*
T.D.C. 2nd year (Arts)

Flashes of lightning glow my window
Rains rush like soldiers at war.
The trees are waiting
and the ceaseless night covers
doors, windows, floors, vantilators.

Having finished the beer
I rush to open the door.

I sat in the door half closed
waiting for the night
Let her return, O my God !
My heart pines for her warm immortal kisses
In such cold night.

Drunken shall I slumber
till her return.
Shaking she shall awake me
and I'll collapse in her breast
like erosion by flood in a rainy night.



## My Mother

*Rabul Ahmed*
T.D.C. 2nd year (Sc.)

The first person who know me in advance
Nine months before I came in to this world
A great teacher who taught me at every glance
A good character to uphold.

Let it be any sickness
Cold, pain and fever
I felt her loving closeness
Alone I was left never.

I learned to walk holding her hand
She tought me to speak
Leading a life which was not so grand
She taught me to be meek.

Though she was a house wife
She gave her children a good career
Though not educated much in her life
She nourished us in knowledge to walk without fear

Even now she encourages and comforts me
With her love and courageous words
Not to be gloomy and walk forward happily
To fulfill the set goals

She is my dearest mother
Than her love nothing I found better
I wish even in my life later
For such a wonderful mother I'll praise my creator.

Life's but a walking shadow, a poor player
That struts and frets his hour upon the stage,
And then is heard no more; it is a tale
Told by an idiot, full of sound and fury
Signifying nothing.

*- William Shakespeare*
*[Macbeth 5]*

# বিবিধা



# গোৱালপাৰা মহাবিদ্যালয়ৰ শৈক্ষিক প্ৰতিফলন ঃ

২০০২ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ তালিকা -

| শাখা | মুঠ পৰীক্ষাৰ্থী | মুঠ উত্তীৰ্ণ | উত্তীৰ্ণৰ শতকৰা হাৰ |
|---|---|---|---|
| কলা | ৪৬৯ | ১৯৬ | ৪৭.৭৯ শতাংশ |
| বিজ্ঞান | ১৯৪ | ৬৯ | ৩৫.৫৬ শতাংশ |

কলা শাখাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকল ঃ
(প্ৰাপ্ত নম্বৰ আৰু শতাংশ সহ) ঃ

| নাম | প্ৰাপ্ত নম্বৰ (শতাংশ) |
|---|---|
| আনিচুল হক | ৩০৯ (৬১.৪) |
| চম্পক মেধী | ৩৪২ (৬৮.৪) |
| হৃষিকেশ দাস | ৩৫৪ (৭০.৮) |
| জুলফিকৰ ৰহমান জামান | ৩১১ (৬২.২) |
| নিতুল নাথ | ৩২৬ (৬৫.২) |
| সৌৰভ মণ্ডল | ৩১২ (৬২.৪) |
| ছুবাৰক আলি আহমেদ | ৩১৮ (৬২.৬) |
| অনামিকা মেধী | ৩৫৪ (৭০.৮) |
| অঙ্কিতা দাস | ৩৫৭ (৭১.৪) |
| বিজয়েতা সাহা | ৩৪৬ (৬৯.২) |
| হিমানী দাস | ৩২৪ (৬৪.৮) |
| মৃদুলা বৰুৱা | ৩০৪ (৬০.৮) |
| মিৰাটুন নেহাৰ | ৩২৩ (৬৪.৬) |
| ৰিজুৱানা হক | ৩১১ (৬২.২) |
| মিতালি শৰ্মা | ৩২৫ (৬৫) |
| চেলিমা খাতুন | ৩৫৭ (৭১.৪) |

বিজ্ঞান শাখাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকল
(প্ৰাপ্ত নম্বৰ আৰু শতাংশ সহ)ঃ

| নাম | প্ৰাপ্ত নম্বৰ (শতাংশ) |
|---|---|
| হৃষিকেশ কলিতা | ৩৬৫ (৭৩) |
| মছৰিণ চুলতানা | ৩১৩ (৬২.৬) |
| মেঘনা চৌধুৰী | ৩০৮ (৬১.৬) |
| লিপ্টু ঘোষ | ৩১৫ (৬৩) |
| সৌৰভ পাটগিৰি | ৩৪৩ (৬৮.৬) |
| মৌমিতা চক্ৰৱৰ্ত্তী | ৩০৪ (৬০.৮) |

২০০২ চনৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ তালিকা -

| শাখা | মুঠ পৰীক্ষাৰ্থী | মুঠ উত্তীৰ্ণ | উত্তীৰ্ণৰ শতকৰা হাৰ |
|---|---|---|---|
| কলা | ২৬৫ | ১৫৫ | ৫৮.৪৯ শতাংশ |
| বিজ্ঞান | ১৩৭ | ৭৩ | ৫৩.২৮ শতাংশ |

স্নাতক চূড়ান্ত পৰীক্ষাত বিজ্ঞান আৰু কলা শাখাত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকল
(গুৰু বিষয় আৰু প্ৰাপ্ত নম্বৰ শতাংশ সহ)

বিজ্ঞান শাখাত -

| নাম | গুৰু বিষয় | প্ৰাপ্ত নম্বৰ (শতাংশ) |
|---|---|---|
| দিগন্ত দাস | অংক | ৫৪৭ (৬০.৭৭) |
| জয়নাল আবেদিন ভূঞা | অংক | ৫৫২ (৬১.৩৩) |
| প্ৰসেনজিৎ সাহা | অংক | ৫৯০ (৬৫.৫৫) |
| দিপালী নাথ | অংক | ৫৪২ (৬০.২২) |
| আব্দুল হামিদ | অংক | ৫৭৭ (৬৪.১১) |
| দিব্যজ্যোতি চক্ৰৱৰ্ত্তী | প্ৰাণীবিদ্যা | ৫৫৮ (৬২) |
| এদিলা খানম | প্ৰাণীবিদ্যা | ৫৫৬ (৬১.৭৭) |

কলা শাখাত -

| নাম | গুৰু বিষয় | প্ৰাপ্ত নম্বৰ (শতাংশ) |
|---|---|---|
| জিলমিল হাজৰিকা | দৰ্শন | ৫৫৬ (৬১.৭৭) |

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ প্ৰাৰম্ভতে যি সকল মহান ব্যক্তিৰ ত্যাগ তথা শ্ৰমৰ ফলত শিক্ষাৰ এই উচ্চ মন্দিৰ গোৱালপাৰা মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল সেই মহান ব্যক্তি সকলক শত সহস্ৰ প্ৰণিপাত জনাইছো। যি সকল শ্বহীদে স্বজাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিলে সেই মহান শ্বহীদ সকললৈ মোৰ শত শত প্ৰণাম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। দ্বিতীয়তে যি সকল সহৃদয় গোৱালপৰীয়াৰ সহযোগীতা তথা উৎসাহ উদ্দীপনা শিৰোধাৰ্য কৰি মই গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে দায়িত্বপূৰ্ণ পদত নিৰ্বাচিত হ'লো সেই সকলৰ প্ৰতিও আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা নিবেদিছোঁ।

নামনি অসমৰ শৈক্ষিক আৰু বৌদ্ধিক চিন্তা চৰ্চাৰ অন্যতম কেন্দ্ৰ গোৱালপাৰা মহাবিদ্যালয় কেৱল জ্ঞান চৰ্চাৰ বা শিক্ষা গ্ৰহণৰ অনুষ্ঠানেই নহয় সুস্থ সবল সমাজ গঠনতো বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। এনে মহান আৰু ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানৰ ছাত্ৰসন্থাৰ সাধাৰণ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয়ৰ সমস্যা সমূহ বুজি লৈ মহাবিদ্যালয়ৰ ছাত্ৰসন্থাৰ পৰামৰ্শ মতে, মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক/অধ্যাপিকা আৰু ছাত্ৰ ছাত্ৰীৰ সহযোগীতাৰে মহাবিদ্যালয়ৰ বিভিন্ন দিশৰ উন্নয়ণৰ বাবে প্ৰচেষ্টা চলাইছিলো। এইবোৰৰ ভিতৰত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ উন্নত কৰাৰ বাবে নানা ব্যৱস্থা লোৱা; যেনে- পাঠদান চলি থকা সময়ত মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত মটৰ, বাইক সোমোৱা নিষেধ কৰা, ছাত্ৰ- ছাত্ৰীৰ বাবে ইউনিফমৰ ব্যৱস্থা কৰা, পৰিচয় পত্ৰ ধাৰণ কৰা বাধ্যতামূলক কৰা। মোৰ কাৰ্য্যকালত কলেজত দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে মহাবিদ্যালয় দুখীয়া পুঁজিৰ পৰা ধন মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰা, অতদিনে বন্ধ হৈ থকা মহাবিদ্যালয় ছাত্ৰাবাস পুনৰ মেৰামতি কৰি মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰা, মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ বিভিন্ন অসুবিধা সমূহ দূৰ কৰা। মহাবিদ্যালয়ৰ লাইব্ৰেৰী উন্নত কৰাৰ ব্যৱস্থা কৰা আৰু মহাবিদ্যালয় সপ্তাহ, নৱাগত আদৰণি সভা, সৰস্বতী পুজা, ফাতেহা- ই-দোৱাজ দহম, শ্ৰীমন্ত শংকৰ দেৱৰ তিথি, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস আদিও যথাবিহিত ভাৱে পালন কৰা হয়।

গোৱালপাৰা মহাবিদ্যালয়ৰ লেখীয়া এক বৃহৎ অনুষ্ঠানৰ সমস্যা সমূহ আমাৰ মাত্ৰ এবছৰীয়া কাৰ্য্যকালত সমাধান কৰা সম্ভৱপৰ নহয়। অৱশ্যে সামুহিক দায়বদ্ধতা আৰু ব্যক্তি প্ৰচেষ্টাৰে আমাৰ ওপৰত ন্যস্ত থকা দায়িত্ব পালনৰ ক্ষেত্ৰত আমি বিন্দু মাত্ৰ কৃপণালি কৰা নাছিলো। মই ঈশ্বৰৰ ওচৰত আশা ৰাখিছো যাতে আমাৰ পৰৱৰ্তী কাৰ্য্যনিৰ্বাহকে বিভিন্ন সমস্যা সমূহ সমাধানৰ ক্ষেত্ৰত আগভাগ লয় আৰু মই সমাধা কৰি যাব নোৱাৰা সমস্যা সমূহ সমাধান কৰাৰ বাবে আগভাগ লয়।

প্ৰতিবেদনৰ শেষত, গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰসন্থাৰ সাধাৰণ সম্পাদক হিচাবে কাৰ্য্য পৰিচালনা কৰাৰ সময়ত যি সকলে বিভিন্ন পৰামৰ্শ তথা শাৰিৰীক আৰু মানসিক শ্ৰমেৰে

আমাক সহায় সহযোগীতা আগবঢ়ালে সেইসকলৰ আন্তৰিকতাক কেতিয়াও পৰিশোধ কৰিব নোৱাৰিম। মাত্ৰ সেই সকলৰ সহায় সহযোগীতাক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ লগতে আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব চলাই নিয়াৰ সময়ত গঠনমূলক পৰামৰ্শ দিয়া মাননীয় অধ্যক্ষ ড° সুৰেন্দ্ৰ নাথ শৰ্মা, উপাধ্যক্ষ নন্দ দুলাল অধিকাৰী/ এ, এছ, আৰ আহমেদ, অধ্যাপক মন্টু কুমাৰ দাস, অধ্যাপক ৰফিক জামান ছাৰৰ লগতে অন্যান্য মাননীয় শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী বৃন্দৰ ওচৰত চিৰ কৃতজ্ঞ থাকিলো লগতে মোক সহায় কৰা খালিদ হুছেইন, ছানোৱাৰ আলম চৌধুৰী, মনোৱাৰ হুছেইন, আব্দুল হানিফ, ফাৰুক, ছফিকুল ইছলাম, ত্ৰিদীপ কলিতা (ৰাহুল) লগতে বন্ধু-বান্ধৱী ছাহিদুৰ ৰহমান, হাফিজ উদ্দিন আহমেদ, হায়দৰ আলী, শাহিদ-উল-ইছলাম, মিৰ্জা আফ্ৰিদি, জহিৰুল ইছলাম, ছাদেম আলী, সাহজান আলী, আব্দুল মতলেব, তাহেৰ আলী, ওৱাজদুৰ ৰহমান, মাণিক, নাজিৰ হুছেইন, আলতাফ, ৰাকেশ, মফিদুল, হামিদুল, ডিপু, ৰুবী, জেছমিনা, ৰিণা, ছালমা, ছেলিমা, ৰিমা, নুৰ ফাতেমা লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ।

সদৌ শেষত, মোৰ অনিচ্ছাকৃত ভাবে হোৱা সকলো প্ৰকাৰৰ ভুল ক্ৰুটিৰ বাবে আপোনালোকৰ পৰা ক্ষমা বিচাৰিলো। আমাৰ মহাবিদ্যালয়খন উন্নতিৰ জখলাৰে আগুৱাই ভৱিষ্যত প্ৰজন্মক জোনাকী বাটৰ সন্ধান দিব- এই কামনাৰে -

"জয় হিন্দ"

"জয়তু গোৱালপাৰা মহাবিদ্যালয়"

মফিদুল ইছলাম
সাধাৰণ সম্পাদক
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰসন্থা।

## সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণিতে যুগে যুগে অসমী আইৰ স্বাৰ্থ তথা অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণাহুতি দিয়া জ্ঞাত-অজ্ঞাত স্বদেশপ্ৰেমী বীৰ সকললৈ মোৰ শত শত প্ৰণাম আৰু শ্ৰদ্ধা নিবেদিছোঁ। জ্যেষ্ঠসকললৈ শ্ৰদ্ধা কনিষ্ঠ সকললৈ মৰম আৰু বন্ধু-বান্ধৱীলৈ মোৰ প্ৰীতি সম্ভাষণ থাকিল। যি সকল ছাত্ৰ-ছাত্ৰীয়ে ২০০১-২০০২ বৰ্ষৰ মহাবিদ্যালয়ৰ নিৰ্বাচনত সহঃসাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ দিলে, তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মই সহঃ সাধাৰণ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। বিশেষ কাৰণঃ বশত সাধাৰণ সম্পাদকে তেওঁৰ সকলো দায়িত্ব মোৰ হাতত অৰ্পণ কৰি গৈছিল। উক্ত মহাবিদ্যালয় সপ্তাহৰ সমূহ কাৰ্য্যসূচী বিভাগীয় সম্পাদক সকলৰ সহযোগত মই সুকলমে আৰু সুচাৰুৰূপে পৰিচালনা কৰিছিলো। গোৱালপাৰা মহাবিদ্যালয়ৰ সংবিধান অনুসৰি সহঃ সাধাৰণ সম্পাদকৰ নিজস্ব কোনো বাজেট নাই। সকলো সময়তে সাধাৰণ সম্পাদকৰ জৰিয়তে কাম কৰিবলগীয়া হয়। সেয়ে হ'লেও আশা কৰো মই পাৰ্য্যমানে যত্নৰ ক্ৰুটী কৰা নাছিলো। মহাবিদ্যালয়ত দৃষ্টিগোচৰ হোৱা যিকোনো সমস্যা সাধাৰণ সম্পাদকৰ জৰিয়তে সমাধান কৰিবলৈ চেষ্টা কৰিছিলো।

এই সুযোগতে মই গোৱালপাৰাবাসী সমূহ ৰাইজ, শিক্ষাগুৰু, অভিভাৱক, ছাত্ৰ- ছাত্ৰীকে গোৱালপাৰাৰ একমাত্ৰ উচ্চশিক্ষাৰ এই পৱিত্ৰ অনুষ্ঠানটিৰ শৈক্ষিক পৰিৱেশ কোনো ব্যক্তি; পক্ষৰ দ্বাৰা যাতে বিনষ্ট হ'ব নোৱাৰে তাৰ প্ৰতি চোকা দৃষ্টি ৰাখি বাস্তৱ পদক্ষেপ গ্ৰহণ কৰিবলৈ ইয়াৰে অনুৰোধ জনালোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত মোক বিভিন্ন দিহা পৰামৰ্শৰে সহায় কৰাৰ বাবে মাননীয় অধ্যক্ষ ড° সুৰেন্দ্ৰ নাথ শৰ্মা, সমূহ অধ্যাপক - অধ্যাপিকা তথা কৰ্মচাৰী বৃন্দৰ ওচৰত চিৰ কৃতজ্ঞতা জনোৱাৰ লগতে মোক সহায় কৰা ছাদেম আলী, ছাহজাহান আলী, আঃ মতলেব মৌল্লাহ, হাফিজ উদ্দিন আহমেদ, মুস্তাফিজুৰ (নানা) ৰহমান, জাকিৰ হুছেইন, মফিদুল ইছলাম, শ্বাহজামাল, শ্বহিদুল ইছলাম, ছাবনা পাৰবিন, জেছমিনা, জাহানাৰা বেগম, ছফিকুল ইছলাম, ৰাতুল, চান মামুদ, হজৰত আলী, নান্নু, জুলফিকাৰ, শ্বনেজ, বিপন, ফজৰ আলী, হাইদৰ, ছুৰজ জামাল, জহিৰুল ইছলাম, জনোৰ, ৰাজু, আবু ছাত্তাৰ, ছাইদ আদিৰ লগতে মহাবিদ্যালয় ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ সমূহ আবাসীলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিলোঁ।

গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনাৰে প্ৰতিবেদন সামৰিছোঁ।

'জয় হিন্দ'

আবুমালিক আহমেদ
সহঃ সাধাৰণ সম্পাদক
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।



## সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন ঃ

সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে মাতৃভূমিৰ বাবে প্ৰাণাহুতি দিয়া সমূহ জ্ঞাত-অজ্ঞাত শ্বহীদলৈ মোৰ শত শত প্ৰণাম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছো । লগতে গোৱালপাৰা মহাবিদ্যালয়খন আজিৰ এই ৰূপত সজ্জিত কৰাত যি সকল মহান ব্যক্তিয়ে বিভিন্ন ধৰণে অবদান আগবঢ়াই গ'ল সেই মহান ব্যক্তি সকললৈও মোৰ সহস্ৰ প্ৰণাম আৰু শ্ৰদ্ধা নিবেদিছোঁ।

যি সকল ছাত্ৰ-ছাত্ৰীয়ে অশেষ কষ্ট স্বীকাৰ কৰি মহাবিদ্যালয় নিৰ্ব্বাচনত প্ৰতিদ্বন্দিতা কৰাই সুস্থ মানসিকতাৰে মোক সৰ্ব্বাধিক ব্যৱধানত নিৰ্ব্বাচিত কৰিলে তেওঁলোকলৈ মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সমাজ সেৱা বিভাগৰ সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিয়েই বহু কিবা কিবি কৰাৰ সপোন দেখিছিলো। মোৰ এই সপোন কিমান দূৰ বাস্তৱত ৰূপায়িত হ'ল সেয়া ছাত্ৰ-ছাত্ৰী সকলৰ বিৰ্চায্য ।

দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছে পিছে মহাবিদ্যালয় সপ্তাহৰ সন্মুখীন হওঁ। এই মহাবিদ্যালয় সপ্তাহৰ আদৰণি গেটখন মোৰ বিভাগত পৰে। এই গেটখন অধিক আৰ্কষণীয় কৰি তোলাৰ কাৰণে মোৰ তত্বাবধায়ক ছাৰ মাননীয় যশোৱন্ত ৰয় ছাৰে যি পৰামৰ্শ দিছিল তাক পালন কৰাৰ কাৰণেই সেই গেটখন অইন অইন বছৰৰ গেটতকৈ বহু গুণে আকৰ্ষণীয় হৈছিল। মহাবিদ্যালয় সপ্তাহ আৰম্ভ হোৱাৰ দিনা মহাবিদ্যালয় চৌহদ পৰিস্কাৰ আৰু গছপুলি ৰোৱা প্ৰতিযোগীতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগীতাত শৃংখলাবদ্ধ, ধৈৰ্য্য, নিষ্ঠা আৰু সেৱাৰ মনোভাব দেখুওৱা ছাত্ৰ-ছাত্ৰীক নিৰ্ব্বাচন কৰি পাঁচজনমানক পুৰস্কৃত কৰা হয় আৰু ইয়াৰ বাহিৰেও যি সকলে মহাবিদ্যালয়ৰ সেৱাৰ মানসেৰে প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰিলে তেওঁলোকক উগদণিমূলক বঁটা প্ৰদান কৰা হয়। এই প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা ভৱিষ্যতে আৰু বেছি হ'ব বুলি মোৰ আশা। ভৱিষ্যতে এনেবোৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰাই অগ্ৰণী সমাজকৰ্মী ওলাব বুলি মই ভাবো। মোৰ কাৰ্যকালৰ মাজভাগত আমাৰ উপাধ্যক্ষ এ, এছ, আৰ, আহমেদ ছাৰৰ লগত আলোচনা কৰি মহাবিদ্যালয় প্ৰতিষ্ঠাপক অধ্যক্ষ স্বৰ্গীয় ওৱাজউদ্দিন আহমেদ ছাৰৰ মৃত্যু বাৰ্ষিকী উপলক্ষে মহাবিদ্যালয় পৰিস্কাৰ অভিযান চলোৱা হয়। এই অভিযানতো বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। আৱন্টিত সীমিত ধনৰ বাবে মোৰ কিছু সপোন বাস্তৱত পৰিণত নহ'ল।

শেষত মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে পৰামৰ্শ, সহায় সহযোগীতা আগবঢ়োৱাৰ কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, মোৰ তত্বাবধায়ক, যশোৱন্ত ৰয় ছাৰ, অধ্যাপিকা হাচনা বেগম বৰভূঞা বাইদেউ, অধ্যাপক ৰতন ভট্টাচাৰ্য্য আৰু মিজানুৰ, প্ৰাণ, ৰাজু, মাহিনুৰ, ইকবাল আৰু সকলো বন্ধু/বান্ধৱীলৈ কৃতজ্ঞতা যাচিছো।

সদৌ শেষত মোৰ কাৰ্য্যকালৰ জ্ঞাত-অজ্ঞাত ভূলৰ বাবে ক্ষমা মাগিছো আৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি ইতি ৰেখা টানিছো।

"জয় ভাৰত মাতা"

মোঃ ৰফিকুল হক চৌধুৰী
সম্পাদক, সমাজ সেৱা
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা



## আন্তঃ দ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ আন্তঃদ্বাৰ বিভাগৰ সম্পাদক হিচাপে প্ৰতিবেদনৰ আৰম্ভণীতে গোৱালপাৰা মহাবিদ্যালয়খন স্থাপন কৰাত যি সকল মহান ব্যক্তিয়ে বিভিন্ন ধৰণে অবদান আগবঢ়াইছে সেই মহান ব্যক্তি সকললৈ মোৰ প্ৰণাম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

যি সকল ছাত্ৰ-ছাত্ৰীৰ সহযোগত মই গোৱালপাৰা মহাবিদ্যালয়ৰ আন্তঃ দ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হ'ব পাৰিছোঁ তেওঁলোক তথা গোৱালপাৰা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই আন্তঃ দ্বাৰ ক্ৰীড়া সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছমুহূৰ্তে 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহটোৰ মাজত মই কিছু অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল, যদিও সেই সকলো বিলাক বাধা অতিক্ৰম কৰি মই মোৰ কাৰ্য্যভাৰ চলাই যাব পাৰিছিলো। মই এইটো জনাবলৈ পাই বিশেষ আনন্দিত যে তত্বাৱধায়ক তথা শিক্ষা গুৰু শ্ৰী প্ৰদীপ চুতীয়া ছাৰে গোটেই দিনটো তথা ৰাতি পলমকৈ হ'লেও মোৰ লগতথাকি মোক খেল চলাই নিয়াত যথেষ্ট সহায় আগবঢ়াইছিল আৰু কোনো ধৰণৰ ভুল হ'লে মোক শুদ্ধ কৰাৰ যত্ন কৰিছিল। তাৰ বাবে মই ছাৰৰ ওচৰত অশেষ শ্ৰদ্ধা নিবেদিছোঁ।

মই 'মহাবিদ্যালয় সপ্তাহ'ত কেৰম, বেডমিন্টন আৰু দবা খেল পাতিছিলো। আন্তঃ দ্বাৰ বিভাগৰ খেলসমূহত বহুতো ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল। তেওঁলোকে নিজে প্ৰতিদ্বন্দিতা কৰা স্বত্বেও মোক বহুতো ধৰণে সহায় কৰিছিল। আন্তঃ দ্বাৰ বিভাগৰ খেল সমূহৰ ভিতৰত শ্ৰেষ্ঠ আন্তঃ দ্বাৰ খেলুৱৈৰ সন্মান লাভ কৰিছিল শ্ৰী ভবেশ কুমাৰ নাথ আৰু শ্ৰেষ্ঠা আন্তঃ দ্বাৰ খেলুৱৈৰ সন্মান লাভ কৰিছে মিছ লিবিনা ইয়াছমিনে। এই দুয়ো গৰাকী খেলুৱৈলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

মোৰ কাৰ্যকালত বিভিন্ন ধৰণে সহায় আৰু নিজস্ব স্বাৰ্থ ত্যাগ কৰি মোৰ কাৰ্যভাৰ সুচাৰুৰূপে চলাই নিয়াত সহায় কৰা বাবে মোৰ বন্ধু মেহবুব আলম, অভিনন্দন, প্ৰণৱ কলিতা, বাপ্পী, চবিউৰ ৰহমান, জুলফিকাৰ, চৌফিক দোহা, ৰাহিম আৰু মোৰ পূজনীয় দাদা অলকেশ নাথ, চহিদুল ইচলাম আৰু মিৰ্জা আফ্ৰিদিৰ ওচৰত মই চিৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ সকলো প্ৰকাৰৰ ভুলৰ বাবে সকলোৰে পৰা ক্ষমা বিচাৰি গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদন ইয়াতে সামৰিছোঁ।

"জয়তু গোৱালপাৰা মহাবিদ্যালয়"

আশ্ৰাফুল হুছেইন
সম্পাদক, আন্তঃ দ্বাৰ ক্ৰীড়া
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা



## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে যুগে যুগে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ দিয়া জ্ঞাত-অজ্ঞাত স্বদেশ প্ৰেমী বীৰ সকললৈ মোৰ শত প্ৰণাম আৰু শ্ৰদ্ধা নিবেদিছোঁ।

যিসকল ছাত্ৰ-ছাত্ৰীৰ সহযোগত মই গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ প্ৰায় দুই হাজাৰ ছাত্ৰ-ছাত্ৰীৰ সেৱা কৰাৰ সুবিধা পাইছোঁ, তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতে মই 'মহাবিদ্যালয় সপ্তাহ'ৰ সন্মুখীন হওঁ। মহাবিদ্যালয় সপ্তাহত প্ৰথম দিনা অসুবিধাৰ সন্মুখীন হৈছিলো যদিও দ্বিতীয় দিন মই ভালদৰে মহাবিদ্যালয় সপ্তাহ আগবঢ়াই লৈ যোৱাত সফল হওঁ। মহাবিদ্যালয় সপ্তাহৰ বাবে কেইবাটাও পুৰণি বিষয়বস্তুৰ লগতে নতুন বিষয়ৰ প্ৰতিযোগিতাৰে প্ৰদৰ্শনীখন কিছু উন্নত মানৰ হোৱা বুলি জানিব পাৰিছোঁ। প্ৰদৰ্শনীখনত পৰ্যাপ্ত সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণে ইয়াক আনন্দময় আৰু সাফল্যমণ্ডিত কৰি তুলিছিল।

মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ বিভিন্ন সমস্যা দেখা পাওঁ। কিন্তু আমাৰ কাৰ্য্যকাল এবছৰ হোৱা বাবে সকলো সমস্যা দূৰ কৰিব পৰা নাযায়। তথাপিও এই এবছৰৰ ভিতৰত কিছু পৰিমানে হ'লেও কিছুমান কাম সফল কৰাৰ আৰু পদক্ষেপ লোৱাৰ খতিয়ান তলত দাঙি ধৰিলোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে মই সন্মুখীন হোৱা সমস্যাৰ ভিতৰত অন্যতম হ'ল কোঠাটোত থাকিব লগা ডেস্ক-বেঞ্চৰ অভাৱ, খোৱাপানী যোগানৰ অনিয়মিত ব্যৱস্থা, অপৰিস্কাৰ কোঠা আৰু প্ৰস্বাৱগাৰত পানীৰ সমস্যা। এইবোৰ সমস্যাৰ বাবে ছাত্ৰী সকলে প্ৰায়েই কোঠাটোৰ বাহিৰত থাকিব লগা হয়। সেইবাবে কাৰ্যভাৰ গ্ৰহণ কৰিয়ে ছাত্ৰী জিৰণি কোঠাটো যাতে পৰিস্কাৰ কৰি ৰাখিব পাৰো তাৰ বাবে মই সপ্তাহত এবাৰকৈ চাফ-চিকুণৰ ব্যৱস্থা কৰোঁ। ছাত্ৰীসকলে যাতে কোঠাটোত সময় অতিবাহিত কৰিব পাৰে তাৰ বাবে তাত কিছু খেলৰ সামগ্ৰীৰ ব্যৱস্থা কৰা হয়। খেলৰ সামগ্ৰীবোৰৰ ভিতৰত ডবা দুটা আৰু কেৰম এটা দিয়া হৈছে। পুৰণি ফিল্টাৰটো ঠিক কৰি খোৱা পানী যোগানৰ ব্যৱস্থাৰ লগতে প্ৰস্বাবগাৰৰ পানী যোগানৰ ব্যৱস্থা নিয়মিত কৰিছো। তদুপৰি ছাত্ৰী জিৰণি কোঠাত এখন ডাঙৰ দাপোন দিয়া হৈছে। লগতে খিৰিকীৰ আৰু দুৱাৰৰ পৰ্দাৰ কাপোৰ লগোৱা হৈছে। কোঠাটোত ছাত্ৰীসকলৰ সুবিধাৰ বাবে ইতিমধ্যে আন কেইবাটাও ব্যৱস্থা কৰা হৈছে।

শেষত মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে নিষ্ঠা আৰু নিঃ স্বাৰ্থভাৱে সহায় কৰাৰ বাবে বিভাগৰ তত্বাবধায়িকা অধ্যাপিকা হাছনা বাইদেউক ধন্যবাদ জনাওঁ। লগতে সকলো প্ৰকাৰে সহায় কৰা মোৰ বান্ধৱী জেছমিন, জুণলতিফা, জেমিমা, জোৱাহিৰা, হাবিবা, ৰোজি, আকৰম, ফছলুল, নৰেন্দ্ৰ, মস্তাফিজুৰ, মুস্তাকিমা, সঞ্জিত, অভিজিৎ, ছাহাদত আলী, আদিলৈও ধন্যবাদ থাকিল।

শেষত মোৰ অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰি তথা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু গোৱালপাৰা মহাবিদ্যালয়"

**চেলিমা খাতুন**
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা
গোঃ মঃ ছাত্ৰ সন্থা।



## ক্ৰিকেট সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভনিতে যুগে-যুগে অসমী আইৰ স্বাৰ্থ তথা অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণাহুতি দিয়া জ্ঞাত-অজ্ঞাত স্বদেশ প্ৰেমী বীৰসকললৈ মোৰ শত শত প্ৰণাম আৰু শ্ৰদ্ধা নিবেদিছোঁ।

২০০১-২০০২ বৰ্ষৰ ক্ৰিকেট বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই 'মহাবিদ্যালয় সপ্তাহ'ৰ সন্মুখীন হওঁ। 'মহাবিদ্যালয় সপ্তাহ'ত মহাবিদ্যালয়ৰ ছাত্ৰ সন্থা আৰু শিক্ষক সন্থাৰ মাজত এখনি প্ৰদৰ্শণীমূলক সীমিত অভাৰৰ খেল অনুষ্ঠিত কৰোঁ। উক্ত খেলখনত শিক্ষক সন্থাই জয়লাভ কৰে। এই প্ৰদৰ্শণীমূলক খেলত প্ৰদীপ শীল ছাত্ৰে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে।

শেষত মোৰ প্ৰতিটো পদক্ষেপত বিভিন্ন প্ৰকাৰে সহায় কৰা তত্বাবধায়ক শিক্ষাগুৰু ডঃ মুছৰফুদ্দিন আহমেদ ছাৰ আৰু সমূহ বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ সকলো প্ৰকাৰৰ ভুলৰ বাবে সকলোৰে পৰা ক্ষমা বিচাৰি গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদন ইয়াতে সামৰিছোঁ।

"জয়তু গোৱালপাৰা মহাবিদ্যালয়"
জয় আই অসম

**ৰাকেশ কুমাৰ দাস**
সম্পাদক, ক্ৰিকেট বিভাগ
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।



## বহিঃ দ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

গোৱালপাৰা মহাবিদ্যালয়ৰ বহিঃ দ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদনৰ আৰম্ভণীতে নামনি অসমৰ খ্যাতি সম্পন্ন গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা সকল আৰু মহাবিদ্যালয়খনৰ কাৰণে কাম কৰি যোৱা কৰ্মকৰ্তা সকললৈ যাচিছোঁ মোৰ শ্ৰদ্ধাঞ্জলি। এই পৱিত্ৰ শিক্ষানুষ্ঠানৰ শিক্ষাগুৰু সকললৈ থকিল মোৰ হিয়া ভৰা শ্ৰদ্ধা আৰু ভক্তি।

ছাত্ৰ সন্থাৰ ২০০১-২০০২ চনৰ নিবাৰ্চনত বহিঃ দ্বাৰ বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰাৰ বাবে যি সকল বন্ধু-বান্ধৱীয়ে উল্লেখযোগ্য ভূমিকা পালন কৰিছে সিহঁতলৈ মোৰ আন্তৰিক ভালপোৱা তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মই অতি দুখেৰে জনাবলগীয়া হৈছে যে আমাৰ ছাত্ৰ-ছাত্ৰী খেলুৱৈবোৰক অকল কলেজ সপ্তাহতে লগ পাইছো। ছাত্ৰ-ছাত্ৰীসকলক খেল ধেমালি বিষয়ত কোনো ধৰণৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব পৰা নাই। খেল-ধেমালীয়ে বিশ্বত আজি উচ্চ স্থান লাভ কৰিছে গতিকে এই বিষয়টোক গুৰুত্ব প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলক খেল ধেমালিৰ প্ৰয়োজনীয় সঁজুলিৰ যোগান ধৰি প্ৰশিক্ষণৰ ব্যৱস্থা কৰিবলৈ মই গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক অনুৰোধ জনালোঁ।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে যোৱা বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত যোগদান কৰি পুৰস্কাৰ লাভ কৰিছে তেওঁলোকক মই শুভেচ্ছা জ্ঞাপন কৰিছো আৰু যি সকলে পুৰস্কাৰ লাভ কৰিব পৰা নাই তেখেত সকলক নতুন উদ্যমেৰে খেল-ধেমালিত যোগদান কৰিবলৈ আহ্বান জনালোঁ। মোৰ কাৰ্যকালত সকলো বিষয়তে দিহা পৰামৰ্শ দি সহায় সহযোগিতা আগবঢ়োৱা মোৰ বিভাগৰ তত্বাৱধায়ক অধ্যাপক ভক্তি মেধীদেৱলৈ মোৰ কৃতজ্ঞতা আগবঢ়াইছো।

ইয়াৰ উপৰিও মোৰ বিভাগীয় খেল পৰিচালনাত যি সকলে অশেষ কষ্টেৰে মোক সহায় সহযোগিতা আগবঢ়াইছে বিশেষকৈ ধ্ৰুৱজ্যোতি দাস আৰু ইন্দ্ৰমোহন ৰাভাৰ প্ৰতি মোৰ কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত অজানিতে ভুল ক্ৰটিৰ বাবে ক্ষমা বিচাৰি গোৱালপাৰা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত আৰু উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন ইয়াতেই সামৰিলো।

"জয়তু গোৱালপাৰা মহাবিদ্যালয়"

দিপাঙ্কৰ কলিতা
সম্পাদক, বহিঃ দ্বাৰ ক্ৰীড়া বিভাগ
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা

## তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে অসমী আইৰ হ'কে প্ৰাণ বিসৰ্জন দিয়া বীৰ-বীৰাঙ্গনা সকললৈ মোৰ শত-সহস্ৰ প্ৰণাম আৰু শ্ৰদ্ধা নিবেদিছো। লগতে যি সকল ব্যক্তিৰ কষ্ট আৰু ত্যাগৰ ফলত আমাৰ মহাবিদ্যালয়ৰ জন্ম হয় সেই মহান ব্যক্তি সকললৈ এই প্ৰতিবেদনৰ জৰিয়তে শ্ৰদ্ধা জ্ঞাপন কৰিছো।

২০০১-০২ বৰ্ষৰ মহাবিদ্যালয় নিৰ্বাচনত তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদকলৈ মোক নিৰ্বাচিত কৰি ছাত্ৰ-ছাত্ৰীৰ সেৱা কৰিবলৈ সুযোগ দিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিছো।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতে "মহাবিদ্যালয় সপ্তাহ"ৰ মুখামুখী হওঁ। উক্ত সপ্তাহৰ মোৰ বিভাগৰ আটাই কেইবিধ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াত ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰে। ইয়াৰে স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী মিচ্ গায়ত্ৰী নাথে শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে।

মই মোৰ কাৰ্য্যকালত গুৱাহাটীত অনুষ্ঠিত হোৱা দুখন অসম ভিত্তিক তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰপৰা প্ৰতিযোগী লৈ গৈছিলো। ইয়াৰে ভোলা বৰুৱা সোঁৱৰণী প্ৰতিযোগিতাত মিচ্ মেঘনা চৌধুৰীয়ে চতুৰ্থ স্থান পাবলৈ সক্ষম হৈছিল।

শেষত প্ৰতিযোগিতাৰ সকলো অনুষ্ঠানতে সু-পৰামৰ্শ দিয়া মাননীয় তত্বাৱধায়ক শিক্ষক ৰফিক জামান চাৰলৈ, সুভাষ বৰ্মন চাৰ, সন্তোষ কুমাৰ মিশ্ৰ ছাৰলৈ মোৰ কৃতজ্ঞতা জনালো। ইয়াৰ ওপৰও মোক সকলো দিশতে সহায় কৰা ৰাহুল দা, সৌৰভ, মেহেবুব, চুটু, হ'নিমূন, নবেন্দু, মোকিবুৰ আদি বন্ধুলৈ মোৰ অকৃত্ৰিম কৃতজ্ঞতা জনালো।

সদৌ শেষত সকলো ভুল ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু গোৱালপাৰা মহাবিদ্যালয়"
"জয় আই অসম"

জয়ন্ত ভট্টাচাৰ্য
সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ,
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰসন্থা।

## উৎসৱ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ পাতনিতে জ্যেষ্ঠ সকলৈ শ্ৰদ্ধা আৰু কনিষ্ঠ সকলৈ মৰম জনাইছো। যি সকল বন্ধু-বান্ধৱীয়ে নিজস্ব বিবেচনাৰে উৎসৱ বিভাগৰ সম্পাদক হিচাপে যোগ্য বুলি বিবেচনা কৰি নিৰ্বাচিত কৰি মোক মহাবিদ্যালয়খনত সেৱা আগবঢ়াবলৈ সুযোগ প্ৰদান কৰিলে তেখেতসকললৈ মোৰ কৃতজ্ঞতা আৰু আন্তৰিক মৰম যাছিলোঁ।

গোৱালপাৰা মহাবিদ্যালয়ৰ উৎসৱ বিভাগৰ সম্পাদকৰ ওপৰত তিনিটা উৎসৱ পালনৰ দায়িত্ব ন্যাস্ত আছে। সেই তিনিটা উৎসৱ হ'ল সৰস্বতী পূজা, বিশ্বনৱী দিৱস আৰু শংকৰ দেৱৰ তিথি। মোৰ সময়ছোৱাত প্ৰথমে সৰস্বতী পূজা পাওঁ। এই সৰস্বতী পূজাত বিপুল ছাত্ৰ-ছাত্ৰীৰ সমাগম হয়। মোৰ বন্ধুবৰ্গৰ সহায় সহযোগিতাত উৎসৱটো সুকলমে অতিবাহিত হয়। দ্বিতীয়তে, পৱিত্ৰ বিশ্বনৱী দিবস যথা সময়ত পালন কৰিবলৈ মই আপ্ৰাণ চেষ্টা কৰিছিলো। কিন্তু আমাৰ কলেজত সেই সময়ত গৰমৰ বন্ধ চলি থকাৰ বাবে কেইদিনমান পিছতহে পাতিবলৈ সক্ষম হৈছিলো। উক্ত দিৱস উপলক্ষে বিপুল ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত গজল, কেৰায়ত আদি প্ৰতিযোগিতা পাতিছিলো। শ্ৰী মন্ত শংকৰদেৱৰ তিথিটো যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰে। এই উৎসৱ তিনিটা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ যথা সাধ্য চেষ্টা কৰিছিলো।

মোৰ কাৰ্য্যকালছোৱাত দিহা পৰামৰ্শৰ বাবে প্ৰথমে মই মোৰ তত্বাৱধায়ক শিক্ষক শ্ৰীযুত পি, কে, শীল ছাৰক ধন্যবাদ জনাইছোঁ আৰু লগতে সমূহ অধ্যাপক-অধ্যাপিকা সকলৈ প্ৰণাম জনাইছোঁ। ছাত্ৰ-ছাত্ৰী সমূহ বিশেষকৈ ছাত্ৰী নিবাসৰ ছাত্ৰীসকল, আলাউদ্দিন, ৰিজু, খালিদ হুছেইন, মতলেব, জাকিৰ, ৰফিক, আশ্ৰাফুল, আখটাৰ, বাবু, বাৰেক, কালাম, ৰাজা, মনিষা, মাহমুদা, নিভা, জেছমিন, ছেলিমা, নুৰ ছালমা, নাছিফা আদি ভাই-ভনী সকলৈ ধন্যবাদ জনাইছোঁ। শেষত মোৰ কাৰ্য্যকালছোৱাত অনিচ্ছাকৃত ভাবে হৈ যোৱা ভুল ভ্ৰান্তি সমূহৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

সদৌ শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ ভৱিষ্যত সুনাম আৰু সৰ্বাঙ্গীন উন্নতি কামনাৰে মোৰ বছৰেকীয়া প্ৰতিবেদন সামৰিছোঁ।

"জয়তু গোৱালপাৰা মহাবিদ্যালয়"

মোঃ আকৰাম মিঞা
সম্পাদক, উৎসৱ বিভাগ
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰসন্থা।

## ফুটবল-ভলীবল সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে গোৱালপাৰা মহাবিদ্যালয়খন স্থাপন কৰাত যিসকল মহান ব্যক্তিয়ে বিভিন্ন ধৰণেৰে অৱদান আগবঢ়াই গ'ল সেই মহান ব্যক্তি সকলৈ মোৰ হাজাৰ হাজাৰ প্ৰণাম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। এই সুযোগতে মহাবিদ্যালয়ৰ প্ৰথম অধ্যক্ষ ওৱাজ উদ্দিন আহমেদৰ বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰিলোঁ।

যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে মোক ২০০১-২০০২ বৰ্ষৰ মহাবিদ্যালয়ৰ ফুটবল আৰু ভলীবল সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ দিলে তেওঁলোকলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

মই ফুটবল আৰু ভলীবল বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিচতেই "মহাবিদ্যালয় সপ্তাহ"ৰ সন্মুখীন হওঁ। মই প্ৰথমে কিছু অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল যদিও সেই সকলো বিলাক বাধা অতিক্ৰম কৰি মোৰ কাৰ্য্যভাৰ চলাই যাব পাৰিছিলো। মই 'মহাবিদ্যালয় সপ্তাহ'ত ভলীবল খেল আৰু পিছত ফুটবল খেল (ছাত্ৰ সন্থাৰ সদস্য বনাম মহাবিদ্যালয়ৰ অৱশিষ্ট ছাত্ৰ সকলৰ মাজত) পাতিছিলো। মই আশা কৰা মতে ভলীবল খেলত বহুতো ছাত্ৰ তথা বন্ধুৱে অংশ গ্ৰহণ কৰিছিল। এই বিলাক পৰিচালনা কৰাত সহায় কৰা তত্বাৱধায়ক শিক্ষাগুৰু শ্ৰী ধৰ্মেন্দ্ৰ নাথ আৰু বন্ধু-বান্ধৱী সকলৈ এই সুযোগতে শ্ৰদ্ধা তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

"মহাবিদ্যালয় সপ্তাহ"ত ভলীবল প্ৰতিযোগিতাত বাৰটা দলে অংশ গ্ৰহণ কৰিছিল। খেলত জ্যোতি শংকৰ নামৰ দলটো চেম্পিয়ন হয় আৰু আবু তাহেৰ শিকদাৰৰ দলটো ৰানাৰ্ছ আপ হয়। চেম্পিয়ন দলৰ অধিনায়ক জ্যোতিশঙ্কৰ নাথ আৰু শ্ৰেষ্ঠ ভলীবল খেলুৱৈ ৰাজকুমাৰ ৰায়ে বটা লাভ কৰে।

মোৰ কাৰ্যকালত বিভিন্ন ধৰনে সহায় কৰা আৰু মোৰ কাৰ্যভাৰ সুচাৰুৰূপে চলাই নিয়াত সহায় কৰা মোৰ বন্ধু-বান্ধৱী ক্ৰমে মোস্তাফিজুৰ, ৰাণা, মনালিছা, মহিবুল, নাচিফা, মইদুল, প্ৰতিমা, হিমাদ্ৰী, নজমুল(বাচ্চু), পিংকি, চিমা, তৰিৎ, মহানন্দ, ৰিংকি, ৰোজি, আৰজু ,নুৰী, ৰাহুল, নছেৰ আৰু ছাত্ৰ সন্থাৰ সদস্য সকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত ক্ষমা মাগিছো আৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

**ফজলুল হক**
সম্পাদক, ফুটবল আৰু ভলীবল
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰসন্থা।

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

অসমী আইৰ সমূহ জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদৰ আগত শিৰ নত কৰি মোৰ শত শত প্ৰণাম যাচি প্ৰতিবেদনৰ পাতনি মেলিছো।

যিসকল-ছাত্ৰ-ছাত্ৰীয়ে অশেষ কষ্ট কৰি মহাবিদ্যালয়ৰ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাই সুস্থ মানসিকতাৰে মোক নিৰ্বাচিত কৰিলে তেওঁলোকলৈ মই মোৰ ধন্যবাদ জ্ঞাপন কৰিছো। দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছত আৰু আগৰ পৰাই মনত থুপ খাই থকা আশা আৰু কল্পনাৰে গঢ়া সপোনৰ সেই পাহাৰখন বিভিন্ন পাৰ্থিৱ আৰু অপাৰ্থিৱ সমস্যাৰ বাবে গঢ়িব নোৱাৰিলো। তথাপি মোৰ নৈতিক আৰু নিকা মানসিকতাৰে সেই সপোন কিমানদূৰ বাস্তৱত ৰূপায়িত হ'ল সেয়া ছাত্ৰ-ছাত্ৰীৰ বিচাৰ্য্য।

শপত গ্ৰহণ কৰি উশাহ সলাইয়ে মহাবিদ্যালয় সপ্তাহৰ মুখা-মুখি হওঁ। আন আন বছৰৰ দৰে মোৰ কাৰ্য্যকালত বিভিন্ন প্ৰতিযোগিতা সমূহ সফলতাৰে অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয় সপ্তাহৰ সাধাৰণ সাংস্কৃতিক সন্ধিয়াটি আন আন বছৰতকৈ যথেষ্ট উন্নত সাংস্কৃতিক মান সম্পন্ন হোৱা বুলি মোৰ বিশ্বাস।

ইয়াৰ পিছতে নৱাগত মৰমৰ ভাইটী-ভন্টিহঁতক আঁদৰিবলৈ পাতিছিলো "নৱাগত আদৰণি সভা"ৰ সাংস্কৃতিক সন্ধিয়া। সাংস্কৃতিক সন্ধিয়াৰ মঞ্চত ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আৰু আমন্ত্ৰিত শিল্পীসকলৰ উচ্চমানৰ শিল্পই শেষ মূহুৰ্তলৈকে দৰ্শকসকলক ৰোমাঞ্চিত কৰি ৰাখিছিল।

প্ৰতিবেদনৰ সামৰণিত মহাবিদ্যালয়ৰ যোৱা কাৰ্যকালছোৱাত সমূহ ছাত্ৰ-ছাত্ৰীয়ে মোক যি সহায় সহযোগিতা আগবঢ়ালে তাৰ বাবে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ উপৰিও মোৰ শিক্ষাগুৰুসকল বিশেষকৈ তত্বাৱধায়ক মন্টু দাস চাৰ আৰু উপাধ্যক্ষ এ. এছ. আৰ. আহমেদ চাৰ, মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সদস্য বৃন্দ, মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ সমূহ আবাসী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সদস্য সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি শেষত মোক সকলোধৰণৰ সহায় কৰা বন্ধু জিন্টু, দ্বীপেন, সীমান্ত, তৰিৎ, মেহবুব, মনদ্বীপ, অভিনন্দন, দ্বীপজ্যোতি, বুবুল, পাপু, ৰঞ্জন দা, মহানন্দ আৰু বিজুলৈ বিশেষভাৱে ধন্যবাদৰ শৰাই আগবঢ়াইছো।

মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে -

"জয় আই অসম"

জয়ন্ত ৰায়
সম্পাদক, সাংস্কৃতিক বিভাগ
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা

## আদিৰ পৰা বৰ্তমানলৈ গোৱালপাৰা মহাবিদ্যালয়ৰ আলোচনী সম্পাদকসকল ঃ

| | | |
|---|---|---|
| মহেন্দ্ৰ দাস | .... | (১৯৫৭-৫৮) |
| শ্যামাচৰণ দাস | .... | (১৯৫৮-৬০) |
| সুৰেশ ৰাভা আৰু | | |
| নিৰ্মাল্য কুমাৰ দাস | .... | (১৯৬০-৬১) |
| ৰোহিনী কুমাৰ চৌধুৰী | .... | (১৯৬১-৬২) |
| মণি ৰাভা | .... | (১৯৬২-৬৩) |
| দ্বিপেন চন্দ্ৰ দাস | .... | (১৯৬৩-৬৪) |
| বিনয় কুমাৰ শৰ্মা | .... | (১৯৬৬-৬৭) |
| মোক্চাদ্ আলী আৰু | | |
| নৰেশ দাস কলিতা | .... | (১৯৬৮-৬৯) |
| নৰেশ দাস কলিতা | .... | (১৯৬৯-৭০) |
| ত্ৰিদীপ নাথ চক্ৰৱৰ্ত্তী | .... | (১৯৭০-৭১) |
| সুলোচন ৰাভা | .... | (১৯৭১-৭২) |
| অজন্তা দাস | .... | (১৯৭২-৭৩) |
| চাজেৰ ৰহমান | .... | (১৯৭৩-৭৪) |
| আনোৱাৰ হুছেইন | .... | (১৯৭৫-৭৬) |
| আজিজৰ ৰহমান | .... | (১৯৭৬-৭৭) |
| ভৰত চন্দ্ৰ দত্ত | .... | (১৯৭৭-৭৮) |
| আহিদু জামান | .... | (১৯৭৮-৮০) |
| ইৰছাদ আলী | .... | (১৯৮১-৮২) |
| গৌতম সোম | .... | (১৯৮৩-৮৪) |
| জয়ন্ত মেধী | .... | (১৯৮৫-৮৬) |
| প্ৰশান্ত নাথ | .... | (১৯৮৬-৮৭) |
| চুলতান গিয়াচুদ্দিন আহমেদ | .... | (১৯৮৭-৮৮) |
| নিলাঞ্জন দাস | .... | (১৯৮৮-৮৯) |
| জৈব্যেন্দু জ্যোতি পাটগিৰী | .... | (১৯৮৯-৯০) |
| ইন্দ্ৰানী বৈশ্য | .... | (১৯৯০-৯১) |
| দিগন্ত বৰুৱা | .... | (১৯৯১-৯২) |
| বকুল গুৰুং | .... | (১৯৯২-৯৩) |
| প্ৰদ্যুন্ম নাথ | .... | (১৯৯৩-৯৪) |
| বিজু কলিতা | .... | (১৯৯৪-৯৫) |
| ত্ৰিদীপ কুমাৰ ৰয় | .... | (১৯৯৫-৯৬) |
| অমূল্য কুমাৰ নাথ | .... | (১৯৯৬-৯৭) |
| এছ্ ইউ আহমেদ | .... | (১৯৯৭-৯৮) |
| অচ্যুত বৰণ মোদক | .... | (১৯৯৮-৯৯) |
| হৰিদাস ৰাভা | .... | (১৯৯৯-০০) |
| মুবীন ৰাভা | .... | (২০০০-০১) |
| বিমনী মেধি | .... | (২০০১-০২) |



সময়ৰ বুকুত চলিছে মোৰ খনন কাৰ্য
তৰপে তৰপে মৃত্যুৰ আবৰ্জনা
ক'ত জীৱনৰ 'নিৰ্লোভ ভাস্কৰ্য'
ক'ত মানুহৰ পূৰ্ণায়তন বিগ্ৰহ ?
সকলো ধাতুৱেই গলনশীল
সকলো প্ৰস্তৰেই ভঙ্গুৰ ।

- নৱকান্ত বৰুৱা (অৰফিউচৰ মূৰ)